# ASSAM
# LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

***BUDGET SESSION, 1992***

## No. 5

**The 13th March, 1992.**

Price : Rs 22-50

BUDGET SESSION

No. 5

Dated, the 13th March, 1992.

## CONTENTS


| | | Page |
|---|---|---|
| 1. | Questions & Answers | 1 |
| 2. | Discussion on the Supplementary statement of expenditure charged on the Consolidated Fund of the State for the year 1991-92. | 56 |
| 3. | Voting on Supplementary Demands for grants for 1991-92, | 89 |
| 4. | Introduction, Consideration and Passing of the Assam Appropriation (No. 1) Bill, 1992. | 91 |
| 5. | Adjournment, | 109 |
| 6. | Annexure—I, II, III, IV and V. | 110 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Friday, March 13, 1992.

The House met at 8-30 A.M. of the Clock in the Assembly Chamber, at Dispur with Shri Jibakanta Gogoi, Speaker in the Chair.

## STARRED QUESTIONS & ANSWERS

( To which oral answers were given. )

Mr. Speaker : Starred Question No. 61.

*বিষয় : চৰকাৰী অনুষ্ঠান ।*

শ্ৰীযতীন মালীয়ে সুধিছে :

*৬১। মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৯১ চনৰ ২ অক্টোবৰত জৰ্জ খেলপথাৰত হোৱা চৰকাৰী অনুষ্ঠানত কামৰূপ দি, আৰ. দি, এ প্ৰত্যক্ষভাবে মঞ্চ, ৰভা আদি সজা বাবদ 'উন্নয়ন মূলক কামৰ' বাবে থকা টকাৰ ১৬ লাখৰ ওপৰত খৰচ কৰাটো সচাঁনে ?

খ) উন্নয়নমূলক কামৰ বাবে আবণ্টন দিয়া টকা কামৰূপ দি আৰ, দি, এ এনে ধৰণে সভা সমিতিৰ ৰভা, মঞ্চ সাজি খৰচ কৰাটো নিয়ম বহিৰ্ভূত হোৱা নাইনে ?

গ) গোটেই ঘটনাটো সম্পৰ্কে তদন্ত কৰি চলিত সদনতে প্ৰতিবেদন দিবনে ?

শ্ৰীআফজালুৰ ৰহমান, (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) নহয় ।

খ) প্ৰশ্ন নুঠে ।

গ) আৱশ্যক নাই ।

*শ্ৰীযতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, মোৰ মাত্ৰ এটা চাপলিমেনটেৰী আছে । কামৰূপ জিলাৰ ডি, আৰ, ডি, এৰ টকাখিনি মঞ্চ, ৰভা আদিত খৰচ কৰিবৰ কাৰণে গভৰ্নিং বডিক বিচৰা হৈছিল নেকি ?

★শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ডি, আৰ, ডি এক

* Speech not corrected.

সোধা হৈছিল এই টকাখিনি দিব পাৰে নেকি? দিব লাগে বুলি কোৱা হোৱা নাছিল। তেওঁ গভৰ্নিং বডিক সুধিছিল টকাখিনি দিব পাৰে নেকি? গভৰ্নিং বডিত সেই কথাটো উত্থাপন হৈছিলনে নাই নেজানো।

★ডাঃ কমলা কলিতা: মাননীয় অধ্যক্ষ মহোদয়, উক্ত টকাখিনি যিহেতু ২ অক্টোবৰত খৰচ কৰা হোৱা নাছিল বুলি মন্ত্ৰী মহোদয়ে কৈছে এই ১৬ লাখ টকা খৰছ কৰিবৰ কাৰণে আই, আৰ ডি, পি আঁচনিৰ টকা খৰচ কৰিবৰ কাৰণে গভৰ্নিং বডিক প্ৰস্তাৱ দিছিল কিন্তু সেই প্ৰস্তাৱ গভৰ্নিং বডিয়ে গ্ৰহণ কৰিব নোৱাৰিলে।

★শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছোয়েই যে এই টকাখিনি খৰচ কৰা হোৱা নাছিল, মাত্ৰ গভৰ্নিং বডিক সোধাহে হৈছিল খৰচ কৰিব পাৰে নেকি?

★ডাঃ কমলা কলিতা: মাননীয় অধ্যক্ষ মহোদয়, এই টকাখিনি খৰচ কৰিবৰ কাৰণে গভৰ্নিং বডিৰ অনুমোদন বিচৰা হৈছিল, এইটো কিয় বিচৰা হৈছিল। কিন্তু আমাৰ ইয়াত মন্ত্ৰী মহোদয়ে প্ৰশ্নৰ উত্তৰত কৈছে যে খৰচ কৰিব পাৰে নেকি সোধাহে হৈছিল। কিন্তু ২৪ ডিচেম্বৰ তাৰিখে গভৰ্নিং বডিয়ে ৪ ঘণ্টা সময় আলোচনা কৰিও সিদ্ধান্ত লব নোৱাৰিলে। এইটো চৰকাৰৰ কিবা নিৰ্দেশ আছিল নেকি? নহলে ৪ ঘণ্টা সময় খৰচ কৰি এই গভৰ্নিং বডিত কিয় উত্থাপন হৈছিল। তেখেতে আজি হাউচক মিচলিড কৰিছে?

★আফজালুৰ ৰহমান (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এইটো কথা হাউচক মিচলিড কৰা কথা নহয়। গভৰ্নিং বডিক মাত্ৰ সোধাহে হৈছিল এই টকাটো খৰচ কৰিব পাৰে নেকি?

★শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা: মাননীয় অধ্যক্ষ মহোদয়, আচলতে তেখেতে আজি হাউচক মিচলেড কৰিছে। আমাৰ গভৰ্নিং বডিখনত ৬ জন সদস্য আছে। সভাপতিজনে কৈছিল যে এইটো চৰকাৰে নিৰ্দেশ দিছে কিন্তু মাননীয় মন্ত্ৰী মহোদয়ে কৈছে নিৰ্দেশ দিয়া হোৱা নাই। আমি সিদিনা ৬ জন সদস্য উপস্থিত আছো, মিছা হব নোৱাৰে। এই বিষয়ে কিয় আমাক সভাপতিজনে অসত্য কথা কৈছিল তাৰ তদন্ত হব লাগে।

* Speech not corrected.

*শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, গভৰ্ণিং বডিৰ চেয়াৰমেনজনে যদি তেনে নিৰ্দেশ দিছে সেইটো ঠিক হোৱা নাই। এই বিষয়ে চোৱা হব।

*শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰ আৰু ডি, আৰ, ডি এ ৰ সভাপতিজনৰ মাজত আমি পাৰ্থক্য দেখিছো। সেইদিনা সভাতেই চেয়াৰমেনজনে আমাক কৈছিল যে ডি, আৰ, ডিএৰ ইন্টাৰেষ্টৰ টকাখিনি মঞ্চত খৰচ কৰিব লাগে। শাসকদলৰ চেয়াৰমেনজনেহে এইটো অনুমোদন দিব লাগে বুলি কৈছিল কিন্তু আমি কেইজনমানে বিৰোধীতা কৰাত এইটো সম্ভৱপৰ নহল। সেয়েহে মই কৈছো যে চৰকাৰ আৰু চেয়াৰমেনজনৰ কথা যথেষ্ট পাৰ্থক্য আছে। এইটো এটা এনকুৱাৰি হব লাগে।

*শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছোৱেই যে এই কথাটোত অলপো সত্যতা নাই। আমি কোনো লিখিত দিয়া নাই। মাত্ৰ টেলিফোনতহে এইটো কোৱা হৈছিল, এই টকাখিনি দিব পাৰে নেকি ৰিকোৱেষ্ট কৰা হৈছিল। গতিকে মাননীয় সদস্যজনে পবিত্ৰ বিধান সভাৰ মজিয়াত সভাপতিজনৰ কথা উত্থাপন কৰিছে যোতিয়া সেইটো আমি খৰচি মাৰি চাম।

*শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, তেখেতে কি খৰচি মাৰি চাব সেইটো আমি বুজি পোৱা নাই।

*শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, খৰচি মাৰি চোৱাৰ কথা এই কাৰণেই কৈছো যে কিবা অাসোঁৱাহ ওলাইনে নাই সেইটো চোৱাৰ পিচত চৰকাৰৰ পৰা ব্যৱস্থা লোৱা হব।

*শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব পাৰোনে যে এই আঁচনিৰ টকাবিলাক মঞ্চ, ৰভা আদিত খৰচ কৰিছে ?

*শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, কথাটো সঁচা নহয়, এতিয়ালৈকে তেনে হোৱা নাই।

*শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়; ২৩ ডিচেম্বৰ তাৰিখে বৃহৎ কামৰূপ জিলাৰ গভৰ্ণিং বৰ্ডত এই টকা খৰচ কৰিবলৈ অনুমোদন বিচৰা কথাটো সঁচানে ?

---

*Speech not corrected.

*শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয় কথাটো আমাৰ দৃষ্টিগোচৰ হৈছে এই বিষয়ে তদন্ত কৰি ব্যৱস্থা লোৱা হব।

*শ্ৰীযতীন মালী: অধ্যক্ষ মহোদয়, এই সম্পৰ্কত মই এটা চাপ্লিমেণ্টৰী প্ৰশ্ন সুধিব খুজিছো। মাননীয় মন্ত্ৰী মহোদয়ে তেখেতৰ উত্তৰত কৈছে যে নগৰৰ টকা গাৱঁলৈ দি গ্ৰাম্যাঞ্চলৰ উন্নতি কৰিব লাগে। কিন্তু এই ক্ষেত্ৰত আমি এটা কথা দেখিবলৈ পাইছো যে গাৱঁৰ টকা নগৰলৈ আনিহে নীতি বহিৰ্ভুতভাবে খৰচ কৰা হৈছে। যোৱা ২ অক্টোবৰত জৰ্জ খেল পথাৰত হোৱা চৰকাৰী অনুষ্ঠানত কামৰূপ ডি, আৰ, ডি, এ, ৰ পৰা টকা আনি মঞ্চ সজা কামত খৰচ কৰা বুলি অভিযোগ উঠিছে। এই সম্পৰ্কত গুৱাহাটীৰ আৱৰ্ত্ত ভৱনত এখন বৈঠকত আলোচনা হৈছিল বুলি আমি জানিব পাৰিছো আৰু তাৰ পিচতে এই টকাটো খৰচ কৰা হৈছে বুলি আমি ধৰি লৈছো। গতিকে মই মন্ত্ৰী মহোদয়ক এটা কথা অনুৰোধ কৰিব খোজো যে ভৱিষ্যতে যাতে এনে ধৰণৰ টকাবোৰ নীতি বহিৰ্ভুতভাবে অন্য কামত খৰচ কৰা নহয় তাৰ বাবে এটা প্ৰস্তাৱ লব লাগে আৰু এই সংক্ৰান্তত— মই মন্ত্ৰী মহোদয়ৰ পৰা এটা আশ্বাস বিচাৰিছো।

*শ্ৰীআফজালুৰ ৰহমান (পঞ্চায়ত মন্ত্ৰী): অধ্যক্ষ মহোদয়, মই এই বিষয় টোৰ ক্ষেত্ৰত ইতিমধ্যে কৈছোৱেই যে এই সংক্ৰান্তত খৰচি মাৰি চাই ব্যৱস্থা লোৱা হব।

*ডাঃ কৃষ্ণকান্ত লহকৰ: অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে ডি আৰ, ডি, এ ৰ কিমান পাৰ্চেণ্ট টকাৰ কাম হয় আৰু কিমান পাৰ্চেণ্ট টকাৰ ভাগ বতৰা হয়। মই জনাত এই টকাৰ ২০ শতাংশ কাম হয় আৰু ৮০ শতাংশ ভাগ বতৰা হয়। মোৰ ওচৰৰ এখন বড়ো গাওঁ নদীয়ে খহাই নাইকিয়া কৰিলে। মই কৈছিলো যে সেই গাওঁখন বন্ধাৰ কাৰণে কিছু টকা দিয়া হওক। কিন্তু তাত টকা নিদি বৰপেটাৰ বজালী মহকুমাৰ এখন গাওঁত ৯ লাখ টকা দিলে। সেই ৯ লাখ টকাৰ ডেৰ লাখ মানহে টকা খৰচ কৰা হল আৰু বাকী টকা কলৈ গল তাৰ হিচাব নাই। গতিকে এই বিষয়বোৰ মন্ত্ৰী মহোদয়ে চাই ব্যৱস্থা গ্ৰহণ কৰিবনে ?

*শ্ৰীআফজালুৰ ৰহমান: মন্ত্ৰী) অধ্যক্ষ মহোদয়, ডি, আৰ, ডি, এ, ৰ

*Speech not corrected.

টকাটো পোনপটীয়াকৈ জিলালৈ যায় চৰকাৰে এই ক্ষেত্ৰত কোনো হস্তক্ষেপ নকৰে। এই টকাটো খৰচ কৰাৰ কাৰণে জিলা পৰ্য্যায়ত একোখনকৈ গভৰ্নিং বডি থাকে আৰু তেওঁলোকে এই টকাটো খৰচ কৰে। এই ক্ষেত্ৰত যদি কিবা হৈছে তেনেহলে তেওঁলোকৰ ভিতৰতে কিবা হৈছে। গতিকে এইটো চাব লাগিব।

(Starred question No. 62 were not taken up as the Hon'ble Questioner was absent, however the same deemed to have been disposed of.)

*বিষয় ঃ উপস্বাস্থ্য কেন্দ্ৰৰ ধাত্ৰী সহায়িকা।*

শ্ৰীমুনিন মহন্তই সুধিছে :

*৬২। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসম স্বাস্থ্য সঞ্চালকালয়ৰ অধীনত গ্ৰামাঞ্চলত থকা স্বাস্থ্য উপ-কেন্দ্ৰ সমূহত ধাত্ৰী সহায়িকা বুলি কৰ্মচাৰী থকাৰ কথা চৰকাৰে জানেনে?

খ) যদি জানে, তেওঁলোকৰ কৰ্মদিন. কৰ্মঘণ্টা আৰু কামৰ বিৱৰণ কি?

গ) উক্ত কৰ্মী সকলৰ দৰমহা বা অন্যান্য সা সুবিধা কিমান?

শ্ৰীগৌতম বৰা (স্বাস্থ্য মন্ত্ৰী, ৰাজ্যিক বিভাগ) য়ে উত্তৰ দিছে :

ক) হয় জানে।

খ) ধাত্ৰী সহায়িকাৰ কামৰ কোনো নিৰ্দিষ্ট ধৰা বন্ধা সময়সূচী নাই। কিন্তু প্ৰয়োজন সাপেক্ষে যিকোনো সময়তে ধাত্ৰীসকলক কামত সহায় কৰে।

গ) ধাত্ৰী সহায়িকাৰ দৰ্মহা নাই। মাননী হিচাপে মাহিলি ৫০'০০ টকা দিয়া হয়।

Mr. Speaker: Question No. 63.

Re.: Posting of Doctors.

Shri Parameswar Brahma Asked :

*63 Will the Minister of Health & F: W. be pleased to State :

a) Why the Government has not posted doctors in the

---

* Speech not Corrected.

Hospitals of Kokrajhar District ?

b) Why X-Ray machines in the Hospitals of Kokrajhar District has been kept unoperational ?

c) What measure have been taken to re-construct damaged or worm out hospitals of Kokrajhar District ?

শ্ৰীগৌতম বৰায়ে উত্ত দিছে :

ক) কোকৰাঝাৰ জিলাত চিকিৎসক নিযুক্তি দিয়া হৈছে ।

খ) X-Ray মেচিন যোগান ধৰা প্ৰতিষ্ঠানটোৱে স্থাপনৰ ক্ষেত্ৰত কাৰিকৰী কাম সম্পূৰ্ণ কৰা নাই ।

গ) ভঙা ঘৰসমূহ মেৰামতি কৰিবৰ বাবে গড়কাপ্তানি বিভাগক ব্যৱস্থা লবৰ বাবে অনুৰোধ কৰা হৈছে ।

Shri Parameswar Brahma : Sir, the Minister has said that Doctors have been posted in Hospitals of Kokrajhar. But as I know till today no Doctor has joined at Kokrajhar. It is my apprehension that Government has instructed the officer to transfer Doctors from Kokrajhar with political consideration. Is it true that with political motivation, the Doctors are not posted at Kokrajhar ?

*শ্ৰীগৌতম বৰা (ৰাজ্যিক স্বাস্থ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে যিটো অভিযোগ তুলিছে প্ৰকৃততে সেইটো নহয় । আমি বহুতো ডাক্তৰ তাত যোগদান কৰিবৰ কাৰণে দিছো । কিন্তু তাত বহুতো ডাক্তৰে যোগদান কৰা নাই । আমাৰ ওচৰলৈ তেনেকুৱা কথা আৰু আহিছে । কিন্তু আমি কোনো প্ৰি-প্লেন কৰি তাৰপৰা ডাক্তৰ অনা নাই ।

Shri Parameswar Brahma : Will the Government take measure to ensure that Doctors do serve at Kokrajhar at least three years in Kokrajhar.

*শ্ৰীগৌতম বৰা (মন্ত্ৰী) : এই বিষয়টো অনুসন্ধান কৰি ব্যৱস্থা লোৱা হব ।

Shri Parameswar Brahma : Sir, as regareds X-Ray machine at Kokrajhar it is not working since 1984. Does

the Government think that no X-Ray machine is required for the people of Kokrajhar ? Sometime back Secretary Health assured us that the X-Ray machine will be made available at Kokrajhar ; but till today it has not been done. Why ?

*শ্ৰীগৌতম বৰা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, কোকৰাঝাৰ আৰ, এন, ৰি, অসামৰিক চিকিৎসালয়ৰ বাবে এক্স-ৰে মেচিন কিনাৰ বাবদ ৩,২৫,৪৬৪ টকা মঞ্জুৰি দিয়া হৈছে আৰু এই মেচিনটো আমি অতি সোনকালে ইনষ্টল কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো। সেইদৰে কচুগাওঁ ৩০ খন বিচনাযুক্ত হস্পিতেলত উচ্চ ক্ষমতাসম্পন্ন বিজুলী সংযোজন সম্পুৰ্ণ হৈ নুঠা হেতুকে তাৰ এক্স-ৰে মেচিনটো কাৰ্য্যক্ষম কৰিবপৰা হোৱা নাই । এতিয়া তাত বিজুলী সংযোজন কৰাৰ ব্যৱস্থা কৰা হৈছে ।

*শ্ৰীসুৰেন স্বৰ্গীয়াৰী : অধ্যক্ষ মহোদয়, এনে ঘটনা কেৱল কোকৰাঝাৰ জিলাতে নহয় অসমৰ জনজাতীয় এলেকাসমূহলৈ চৰকাৰে ডাক্তৰ পঠাবপৰা নাই । ইয়াৰ কাৰণ কি মন্ত্ৰী মহোদয়ে জনাবনে ?

*শ্ৰীগৌতম বৰা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই অঞ্চলবোৰত আমি পৰ্য্যায়ক্ৰমে ডাক্তৰ নিযুক্তি দি আছো । কিন্তু বহুতো ডাক্তৰে যোগদান কৰা নাই বুলি জনাইছে । গতিকে এইটো অনুসন্ধান কৰি জনাম ।

*শ্ৰীসুৰেন স্বৰ্গীয়াৰী : অধ্যক্ষ মহোদয়, কোকৰাঝাৰৰ কাৰণে এক্স-ৰে মেচিন কিনাৰ বাবদ ২ বছৰ আগতে টকা মঞ্জুৰি হৈছিল। কিন্তু সেই টকা আজি-লৈকে কিয় দিয়া হোৱা নাই মন্ত্ৰী মহোদয়ে জনাবনে ?

*শ্ৰীগৌতম বৰা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছোৱেই এই হস্পিতেলখনৰ কাৰণে ৩ লাখ ২৫ হাজাৰ ৪৬৪ টকা দিয়া হৈছে ।

*শ্ৰীভৰত চন্দ্ৰ নৰহ : অধ্যক্ষ মহোদয়, কোকৰাঝাৰৰ বিষয়টো আজি তিনি চাৰি বছৰ আগৰেপৰা আলোচনা কৰি থকা হৈছে । আজিও মন্ত্ৰী মহোদয়ে কৈছে যে এই হস্পিতেলখনত এক্স-ৰে মেচিন বহুওৱাৰ কাৰণে তিনিলাখ টকা দিয়া হৈছে । কিন্তু মন্ত্ৰী মহোদয়ে তাকে নকৈ কিমান দিনৰ ভিতৰত এই টকাটো দিয়া হব আৰু মেচিন বহুওৱা হব সেইটো স্পেচিফিকেলি জনাবনে ?

*শ্ৰীগৌতম বৰা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এইটো কামৰ ওপৰতহে কথা । আমি ইতিমধ্যে টকা মঞ্জুৰি দিছো । মই ভাবো অতি সোনকালে তাত মেচিনটো ইন্‌ষ্টল কৰা হব ।

*শ্ৰীপানীৰাম ৰাভা : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে জনজাতীয় অঞ্চলবোৰত বহুতো ডাক্তৰে যোগদান কৰা নাই। কিন্তু এই ক্ষেত্ৰত মই ক'ব খোজো যে এই অঞ্চলবোৰতো কাম কৰাৰ ইচ্ছা প্ৰকাশ কৰা ডাক্তৰ আছে। এই কথাটো মই যোৱা অধিবেশনতো উল্লেখ কৰিছিলো আৰু মই ডাক্তৰৰ নামৰ সৈতে মন্ত্ৰী মহোদয়ক জনাইছিলো। কিন্তু ডাক্তৰৰ নামেৰে সৈতে পোষ্টিং দিয়াৰ বাবে অনুৰোধ কৰাৰ সত্বেও আজিলৈকে অৰ্ডাৰ দিয়া নহ'ল। গতিকে এই বিষয়ত ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী মহোদয়ে কি ভাবিছে সেই বিষয়ে আজিয়েই মই তেখেতৰপৰা এটা উত্তৰ পাম বুলি অনুৰোধ কৰিলো।

*শ্ৰীগৌতম বৰা (মন্ত্ৰী): অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে যিটো কথা উল্লেখ কৰিছে সেইটো অনতিপলমে অনুসন্ধান কৰি ব্যৱস্থা গ্ৰহণ কৰিম।

Mr. Speaker : Question No. 64, Hon'ble Member Shri Zoii-Nath Sarma.

*বিষয় : চৰকাৰৰ নিৰ্দ্দেশ।*

শ্ৰীজয়নাথ শৰ্মাই সুধিছে :

*৬৪। মাননীয় পাৰ্বত্য উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসম চৰকাৰৰ HAD 63/91/192 নং নিৰ্দেশনাত কি আছে ?
(উক্ত নিৰ্দেশৰ প্ৰতিলিপি এটা সদনৰ মাজত ৰাখিব।

খ) কি পৰিস্থিতিৰ সন্মুখীন হৈ তথা উদ্দেশ্য আগত ৰাখি চৰকাৰে উক্ত নিৰ্দেশ জাৰি কৰিছে ?

গ) সংশ্লিষ্ট জিলা পৰিষদখনে দূৰ্নীতি কৰা বুলি কিবা প্ৰাথমিক ভিত্তি চৰকাৰৰ হাতত আছে নেকি আৰু যদি আছে কি ?

ঘ) কুকি নেচনেল এচেম্বলী (Koki National Assembly) নামৰ সংগঠন এটিয়ে চৰকাৰক কিবা স্মাৰক পত্ৰ ৯-২-৯২ তাৰিখে দিছে নেকি ?

ঙ) যদি দিছে তেন্তে কি বিষয়ত দিছে ?

শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা, (মন্ত্ৰী, পাৰ্বত্য অঞ্চল উন্নয়ন) য়ে উত্তৰ দিছে :

ক) অসম চৰকাৰৰ এইচ. এ ডি ৬৩/৯১/১৯২ তাং ৯/১/৯২ অধিসূচনা মৰ্মে শ্ৰীডি, শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত এজনীয়া তদন্ত আয়োগ গঠন কৰি কাৰ্ৰি

*Speech not corrected.

আংলং জিলা পৰিষদৰ সম্পৰ্কত উত্থাপিত ৰাজহুৱা দুৰ্নীতি অভিযোগ তদন্ত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। অধিসূচনাৰ প্ৰতিলিপি ইয়াৰ লগত দিয়া হ'ল।

(See the Annexure—I)

খ) কাৰ্বি আংলং জিলাৰ বিভিন্ন ৰাজনৈতিক, সামাজিক, অনুষ্ঠান-প্ৰতিষ্ঠান আদি বিভিন্ন মহলৰ পৰা অসম চৰকাৰ তথা মুখ্যমন্ত্ৰীৰ ওচৰত দাখিল কৰা অভিযোগৰ স্মাৰক পত্ৰৰ ওপৰত ভিত্তি কৰি এই তদন্তৰ নিৰ্দেশ দিয়া হৈছে যাতে ৰাজহুৱা অভিযোগৰ সন্দেহবোৰ দূৰ কৰিব পৰা যায়।

গ) কাৰ্বি আংলং জিলাৰ উপায়ুক্তই প্ৰাৰম্ভিক তদন্তৰ প্ৰতিবেদন দাখিল কৰিছে। প্ৰশ্নোত্তৰ (ক) মতে তদন্ত সম্পূৰ্ণ হলে জিলা পৰিষদৰ দুৰ্নীতিৰ অভিযোগৰ তথ্যসমূহ পোৱা যাব।

ঘ) কুকি নেচনেল এচেম্বলীয়ে মুখ্যমন্ত্ৰীৰ ওচৰত দাখিল কৰা স্মাৰক পত্ৰখন বিভাগত পোৱা হোৱা নাই কিন্তু ইয়াৰ প্ৰতিলিপি ৰাজ্যপালৰ সচিবালয়ৰ পৰা পোৱা হৈছে।

ঙ) কুকি নেচনেল এচেম্বলীয়ে স্মাৰক পত্ৰ যোগে কুকি জনগোষ্ঠীৰ নিৰাপত্তা ৰাজনৈতিক স্বাৰ্থ ৰক্ষা আৰু আৰ্থসামাজিক উন্নয়নৰ বাবে আবেদন জনাই কাৰ্বি আংলং জিলাৰ স্বায়ত্ত্ব শাসিত ৰাজ্যৰ দাবী বিৰুদ্ধাচৰণ কৰিছে আৰু তেওঁলোকৰ (কুকি জনগোষ্ঠীৰ) বাবে এখন স্বকীয়া স্বায়ত্ত্ব শাসিত জিলা পৰিষদ গঠনৰ বাবে আবেদন কৰিছে।

Mr. Speaker : Now starred Questions No. 65.

বিষয় : স্বাস্থ্যকেন্দ্ৰত ডাক্তৰৰ অভাৱ।

শ্ৰীফনিভূষণ চৌধুৰী য়ে সুধিছে :

*৬৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) পঞ্চপুৰ প্ৰাথমিক কেন্দ্ৰটোত উদ্বোধন কৰাৰ সময়ৰে পৰা ডাক্তৰ নোহোৱা কথাটো সঁচানে ?

(খ) যদি সঁচা হয়, এই সংক্ৰান্তত চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

---

* Speech not corrected.

(ক) সঁচা নহয়।

(খ) প্ৰশ্ন নুঠে।

*শ্ৰীভৰত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, মই অলপ আগতে এটা প্ৰশ্ন কৰিব খুজিছিলো, কিন্তু আপুনি সুবিধা নিদিলে। এতিয়া সেই সুবিধাটো পাইছো, সেয়ে কবলৈ লৈছো। অকল বিৰোধী পক্ষৰ বিধায়কৰে নহয়, শাসক দলৰ বিধায়কৰো আছে। সেই কাৰণে মই মন্ত্ৰী মহোদয়ক সুধিছো, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সংখ্যা কিমান? এই সংখ্যা জনাবনে আৰু সেইসমূহ পঠাৰ কাৰণে কি ব্যৱস্থা লৈছে?

*শ্ৰীগৌতম বৰা : (মন্ত্ৰী) অধ্যক্ষ মহোদয়, এইটো সুকীয়া প্ৰশ্ন হলে মই মাননীয় সদস্য গৰাকীক জনাব পাৰিম।

*শ্ৰীসুৰেন স্বৰ্গীয়াৰী : মাননীয় অধ্যক্ষ মহোদয়, জনজাতি এলেকাত ডাক্তৰ নাই, ডাক্তৰ পঠাব নোৱাৰে। পঠিয়াব খুজিলেও ডাক্তৰবিলাক নেযায়। ডাক্তৰ সকলৰ ওপৰত চৰকাৰে কি ব্যৱস্থা লৈছে মন্ত্ৰী মহোদয়ে জনাবনে? যিহেতু জনজাতীয় এলেকা সমূহত ডাক্তৰ যাব নোখোজে, সেয়েহে অসমৰ বাহিৰৰ পৰা ডাক্তৰ আনি সেই ঠাই বিলাকত ডাক্তৰ দিয়াৰ ব্যৱস্থা কৰিবনে।

*শ্ৰীগৌতম বৰা : (মন্ত্ৰী) অধ্যক্ষ মহোদয়, বিষয়টো অনুসন্ধান কৰি ব্যৱস্থা হাতত লোৱা হব।

*শ্ৰীভৰত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ হাতত সংখ্যা নোহোৱাৰ বাবে বেলেগ প্ৰশ্ন লাগিব বুলি কৈছে। কিন্তু মন্ত্ৰী মহোদয়ৰ সমষ্টিত যিবিলাক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আছে, তাত ডাক্তৰ আছে নে নাই, কিমান সংখ্যক ডাক্তৰ আছে এই প্ৰশ্নৰ উত্তৰ দিব নে?

*শ্ৰীগৌতম বৰা : (মন্ত্ৰী) অধ্যক্ষ মহোদয়, এইটো মই অনুসন্ধান কৰি জনাম।

*Shri Haliram Terang : Point is not of a doctor for one particular hospital or dispensary or not for a particular area. এই কথাটো বহুত বছৰ ধৰি জনজাতি এলেকাসমূহত ডাক্তৰ যোৱা নাই। There are some willing doctors who volunteer to go to a partiticular remote area but they are transferred to other areas, this is going on for many years. This aspect

need be enquered into. I made this request to he Hon'ble Minister through your Sir. And Government should formulate a firm policy in this regard.

*শ্ৰীগৌতম বৰা : (মন্ত্ৰী) অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে এইটো অনুসন্ধান কৰি ব্যৱস্থা হাতত লোৱা হব।

*শ্ৰীকৰেন্দ্ৰ বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, মঙ্গলদৈৰ পানেৰী মোৰ সমষ্টি। তাত দুজন ট্ৰাইবেল ডাক্তৰ দিব লাগে বুলি কৈছিলো আৰু সেই হিচাপে নিযুক্তিও হৈছে, সেই দুজন শ্ৰীপি, বসুমাতাৰী আৰু সোনোৱাল। পানীচোলাত ডাক্তৰ নেযায়, এই কথাটো অফিচতো কোৱা হৈছে। কি ব্যৱস্থা লোৱা হৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

*শ্ৰীগৌতম বৰা : (মন্ত্ৰী) অধ্যক্ষ মহোদয়, এই সম্পৰ্কে জ্ঞাত নহয়। তেনেকুৱা হৈছে যদি ব্যৱস্থা লোৱা হব।

Mr. Sp aker : Question No. 66 Shri Giasuddin Ahmed.

Re : Issue of Notification.

Sri Giasuddin Ahmed asked

* 66. Will the Minister of Panchayat and Rural Development be pleased to state :

(a) How many notifications were issued by the Government under Sections 6 of the Panchayati Raj Act, 1986 declaring areas of Gaon Panchayat within the jurisdiction of the Bilasipara Civil Sub-Division ? (The No. and date of each such Notification may be given)

(b) On what basis and on whose inititiative and for what reasson the said Notifications were frequently changed or modified or cancelled ?

Shri Afzalur Rahman, (Minister, Panchayat and Rural Development) replied :

(a) One, No. PDA. 251/90/1 dtd. 15-9-90, but modified

* Speech not corrected.

later on vide notification No. PDA. 251/90/14, dt. 30-10-91 and No. PDA. 251/90/69, dtd. 2-11 91.

(b) Notification was issued under the provisions of section 6 of the Assam Panchayati Raj Act, 1986. In the last Assembly session there was a demand for re-organisation and re-delimitation of Gaon Panchayats/Anhcalik Panchayats constituted earlier. There were also representation from the op position leaders for re-organisation of Gaon Panchayats taking in to considered views of all concerned parties. Accordingly the notification dtd. 15-9-90 was modified on 30-10-91 and 2-11-91 in greater public interest. Consequent upon creation of a new Development Block on 19-11-91 under the name and style of Nayar Alga Development Block in Bilasipara Sub-Division and also another Block na nely Birsing Jarua Development. Block under Dhubri Sub-Division on 8-10-91 which covered 4 Gaon Panchayats of Bilasipara Sub-Division it became necessary to re-organise the territorial jurisdictions and boundaries of Development Blocks cum Anchalik Panchayats under Bilasipara Mahkuma Parishad and accordingly the State Government in exercise of the powers confarred under Sub-section 2 of section 5 of Assam Panchayati Raj Act, 1986, re-constituted the territorial jurisdictions of Bilasipara Anchalik Panchayat, Chapor Salkoocha Anchalik Panchayat, Nayer Alga Anchalik Panchayat and Mahamaya Anchalik Panchayat under Bilasipara Mahkuma Parishad vide Government Notification No. PDA 251/90/pt-1/53, dtd. 11-2-92.

*শ্ৰীআলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, যোৱা বছৰৰ ৩০ তাৰিখে

* Speech not corrected.

যি চাৰকুলাৰ পঠোৱা হৈছে, যি নোটিফিকেশ্বন হৈ গৈছে তাৰ বাবে সেই মানুহখিনিৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে ? তাক কৰাৰ বাবে চৰকাৰৰ যি নীতি আছে তাত কাৰো আপত্তি নাই। কিন্তু চৰকাৰে গোটেই ৰাজ্যজুৰি এই ক্ষেত্ৰত কি ব্যৱস্থা লৈছে জনাব নে ?

★শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) : অধ্যক্ষ মহোদয়ে, ৩০।১০।৯১ তাৰিখে যি নোটিফিকেশ্বন কৰা হৈছিল তাৰ পিছত বিলাসীপাৰাত গাওঁ পঞ্চায়ত ৰি-অৰগেনাইজেশ্বন আৰু ৰি-দেলিমিটেশ্বনৰ কাৰণে বিভিন্ন দলৰ পৰা আহে। যোৱা বিধান সভাত কমিটমেণ্ট কৰিছিল যে ৰি-দেলিমিটেশ্বন কৰিম। সেইটো চাইচিতি নোটিফিকেশ্বন দিয়া হৈছিল। কিন্তু তাত দায়িত্বত থকা এচ,ডি,ও, জনে সেইটো নামানিলে। আকৌ পাতি দিছে। এচ,ডি,ও, ৰ পৰা চৰকাৰে ৰিপোৰ্ট বিচাৰিছে। এনেকুৱা ৰিপোৰ্ট দিছে যে সেই ৰিপোৰ্ট সপক্ষে লিখিছে— ইংৰাজীত এনেকুৱা কিছুমান কথা লিখিছে যিটো গৰ্ভৰ্ণমেণ্টক দিফাইন কৰাৰ নিচিনা হৈছে। ১৯৯৫ চনৰ এক্ট মতে চৰকাৰে এইটো কৰিব পাৰে।

*শ্ৰীআলাউদ্দিন চৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে জাকুৱা ব্লক মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নিজে উদ্বোধন কৰিছিল। মহামায়া আৰু জাকুৱা তাত অন্তৰ্ভুক্ত হৈছে। উদাহৰণ স্বৰূপে গোবৰধনপাৰ কিমান দূৰত আছে। সেই ব্লকৰ জুৰিচডিকচন গাওঁ অঞ্চলত আছিল নেকি ? চিৰিংজুৰি, মহামায়া এটা ব্লকত হব লাগে। এই বিলাক গঠন কৰাত কিবা ৰাজনৈতিক চাতুৰী আছে নেকি ? ব্লক বিলাক কেনেকৈ গঠন কৰে চৰ অঞ্চলৰ ব্লক কেনেকৈ বান্ধে, চৰকাৰে নিজে নিজৰ চাৰ্কোলাৰৰ বিৰুদ্ধে যোৱা নাইনে ?

*শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ কাৰণে বেলেগ প্ৰশ্ন লাগিব।

*শ্ৰীজয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, এইটো মোৰ সমষ্টি। পঞ্চায়ত নিৰ্বাচনৰ সীমা নিৰ্দ্ধাৰণ কেনেকৈ কৰা হৈছিল। নতুনকৈ নটিচ জাৰি কৰি বদলী কৰা হৈছে। বিধান সভাৰ প্ৰতিনিধি তাত কিয় নাছিল ? ব্লক আৰু আঞ্চলিক পঞ্চায়তৰ সীমা কেনেভাৱে গ্ৰহণ কৰিছে ? বিধান সভাৰ নিৰ্বাচিত প্ৰতিনিধি অন্তৰ্ভুক্ত

অঞ্চলত কি ধৰণে সীমা নিৰ্দ্ধাৰণ কৰা হৈছে. নিৰ্ব্বাচিত প্ৰতিনিধি বা বিধায়ক সকলৰ মতামত লৈছে নে ?

*শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় যোৱা বিধান সভাৰ সকলো দলৰ মাননীয় সদস্যসকলে এটা কথা কৈছিল 'বৰ্ড ৰি-অৰগেনাই-জেশ্যন' হব লাগে 'ৰি ডেলিমিটেশ্যন' হব লাগে—এই কথাটো মই সকলো প্ৰতিনিধিৰ পৰাই বিচাৰিছিলো। তাৰ পিছত পঞ্চায়ত নিৰ্ব্বাচন 'ৰি-চিডিউল' কৰা হ'ল। সকলো বিৰোধী দলৰ নেতা আহি ৰি-চিডিউল কৰাৰ কথা কলে। এতিয়া ধান কটাৰ সময় হ'ল, নিৰ্বাচন পাতিব নেলাগে সেয়ে এইটো 'ৰি-অৰগেনাইজ' কৰা হ'ল। ইয়াৰ কাৰণে বিভিন্ন মানুহৰ পৰা দৰ্খাস্ত গৈছে। কিন্তু মাননীয় সদস্য শ্ৰীজয়নাল আবেদিন চাহাব মোৰ ওচৰলৈ অহা নাই যে 'ৰি-ডেলিমেটেশ্যন' হব লাগে। তথাপি জাৰুৱা অঞ্চলত এইটো কৰা হৈছে। আমাৰ চৰ অঞ্চল একেবাৰে আন ডেভেলপ, এই চৰ অঞ্চলৰ আন ডেভেলপ ঠাইবিলাকো ডেভেলপ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

*শ্ৰীআলাউদ্দিন চৰকাৰ : মাননীয় মন্ত্ৰী মহোদয়, এইটো এটা গুৰুত্বপূৰ্ণ বিষয়, বিলাসীপাৰা চাব-ডিভিজন হৈছে। মুখ্যমন্ত্ৰী মহোদয়ে ৩০ তাৰিখে চাৰ্কোলাৰ দিছিল। তাত স্পষ্টভাবে ৰখাৰ কাৰণে দিছিলনে ?

*শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমাৰ ষ্টেট লেভেলত এটা কমিটী আছিল। তেওঁলোক 'ৰি-ডেলিমিটেশ্যনত সহায় কৰে। এইবোৰৰ কাৰণে কেবিনেটত পাঁচ কৰা হৈছে। ছাউথ শালমৰা আৰু বিলাসীপাৰত যি ব্লক কৰা হৈছে সেইয়া নীতিগতভাবে কৰা হৈছে।

*শ্ৰীআলাউদ্দিন চৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, ৩০ তাৰিখৰ যি নটিফিকেশ্যন গৈছে, তেনে অৱস্থাত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বিভাগীয় মন্ত্ৰীক 'মোডিফিকেশ্যন' কৰাৰ বাবে কিবা নিৰ্দেশ দিছে নে ?

*শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, যিভাৱে নটিফি-কেশ্যন দিয়া হয় সেইভাবে কৰা হয়। আৰু মুডিফিকেশ্যন হলে সেইভাবে কৰা হয়।

Mr. Speaker : Now question No. 67: Hon'ble Member Shri Chandan Kumar Sarkar to Speak.

* Speech not corrected.

বিষয়ঃ বৃদ্ধ পেঞ্চন।

শ্ৰীচন্দন কুমাৰ চৰকাৰে সুধিছে :

*৬৭। মাননীয় কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৫ চনৰ পৰা আজিলৈকে সমগ্ৰ অসমত কিমানজন বৃদ্ধ মানুহক পেঞ্চন দিয়া হ'ল ?

(খ) কোন কোন জিলাত মহকুমা খণ্ড উন্নয়ন এলেকা হিচাপে কিমানজনক পেঞ্চন দিয়া হৈছে ?

শ্ৰীকুল বাহাদুৰ ছেত্ৰী (মন্ত্ৰী, সমাজ কল্যাণ) য়ে উত্তৰ দিছে :

(ক) ৪৩,৫০০ জন মানুহক।

(খ) ১৯৮৫ চনৰ পৰা ১৯৯০-৯১ চনলৈকে জিলা আৰু উন্নয়ন খণ্ড ভিত্তিত বৃদ্ধ পেঞ্চন পাওঁতাৰ সংখ্যা আৰু ১৯৯১-৯২ চনৰ ভৌতিক লক্ষ্য তলত দিয়া হ'ল।

| জিলাৰ নাম | ভৌতিক লক্ষ্য ১৯৮৫ চনৰ পৰা ১৯৯১ চনলৈকে | অতিৰিক্ত ভৌতিক লক্ষ্য ১৯৯১-৯২ চন | খণ্ড উন্নয়ন এলেকা নাম | ১৯৯০-৯১ চন প্ৰকৃত হিতাধিকাৰীৰ সংখ্যা | ১৯৯১-৯২ চন প্ৰকৃত হিতাকাৰীৰ সংখ্যা |
|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ |
| ১। কামৰূপ | ২১৬৯ | ১৪০০ | প্ৰাগজ্যোতিষপুৰ | ৮৫ | ১০৭ |
| | | | চমৰীয়া | ১৮৪ | ২৮৪ |
| | | | ডিমৰীয়া | ১৯০ | ২৯০ |
| | | | ছয়গাওঁ | ১৯৬ | ২৯৬ |
| | | | কমলপুৰ | ১৬৮ | ২৬৮ |
| | | | ৰাণী | ১৩৫ | ২৩৫ |
| | | | ৰামপুৰ | ১৭৮ | ২৭৮ |
| | | | হাজো | ১৬৪ | ২৬৪ |
| | | | বকোৰ নগাওঁ | ১৪৯ | ২৪৯ |
| | | | কৰৰা | ১৮০ | ২৫০ |
| | | | ৰঙিয়া | ১৬৮ | ২৪৪ |
| | | | ৰঙিয়া আৰ, চি | ৫৩ | ৮৫ |
| | | | উত্তৰ গুৱাহাটী | ৭১ | ১৭১ |

| | | | | | |
|---|---|---|---|---|---|
| | | | ছয়ানি | — | — |
| | | | বৰদোৱৰ | — | ১০০ |
| ২। বৰপেটা | ২০৭৯ | | জালাহ | ২২৪ । | |
| | | | ভবানীপুৰ | ১৯৫ । | |
| | | | চেঙ্গা | ২৫০ । | আৱশ্যকীয় তথ্য |
| | | | বৰপেটা | ৫৫ । | পোৱা নাই। |
| | | | ৰূপহী | ১৭৬ । | |
| | | | গোবৰ্দ্ধনা | ২০০ । | |
| | | | বজালী | ১৮০ । | |
| | | | মন্দিয়া | ২২৪ । | |
| | | | বৰপেটা নগৰ পালিকা | ১৮৫ । | |
| | | | হাউলী | ৩১ । | |
| | | | বৰপেটাৰোড | ৩৪ । | |
| | | | পাঠশালা | ৩৭ । | |
| | | | সৰ্থেবাৰী | ৬১ । | |
| | | | সৰভোগ | ২৬ । | |
| ৩। নলবাৰী | ১৪৯৬ | ৪৫০ | টিহু বৰমা | ২৯২ | ২৫০ |
| | | | পূব নলবাৰী | ২২৭ | ২০৩ |
| | | | বড়িগোগ বনভাগ | ২৪৫ | ২৩৩ |
| | | | পশ্চিম নলবাৰী | ১৮৪ | ১৬৯ |
| | | | বাস্কা | ১৮১ | ১৫২ |
| | | | তামুলপুৰ | ১৪৭ | ১১৬ |
| | | | বৰক্ষেত্ৰী | ১৮১ | ১৪৬ |
| | | | টিহু চাৰ্কোল | ২২ | ১৭ |
| | | | নলবাৰী ” | ১৭ | ১৫ |
| ৪। গোৱালপাৰা | ১২৩০ | ৯৩ | লক্ষিপুৰ | ২০৬ | ১৬৫ |
| | | | বালিজান | ২৭২ | ২৬০ |
| | | | দুধনৈ | ১৩০ | ১৩৮ |
| | | | মাতিয়া | ১৫৬ | ১৫৭ |

| | | | | | |
|---|---|---|---|---|---|
| | | | গোৱালপাৰা | ৪৬৪ | ৪৪০ |
| ৫। ধুবুৰী | ১৮০২ | ৬০০ | ধুবুৰী | ১৩৯ | ১২৪ |
| | | | গৌৰীপুৰ | ৫৫ | ৫৩ |
| | | | ধৰ্মশালা | ১৭০ | ১৬০ |
| | | | গোলোকগঞ্জ | ১২০ | ৯১ |
| | | | আগমনি | ১৩৪ | ১৩৪ |
| | | | বিলাসীপাৰা টি,চি, | ২৩ | ২১ |
| | | | চাপটগ্রাম টি, চি, | ২৪ | ২৩ |
| | | | ৰাণিগঞ্জ | ১৭৬ | ১৬০ |
| | | | চাপৰ | ১৪১ | ১৩৩ |
| | | | দঃ শালমাৰা | — | — |
| | | | ভালুকমাৰী | ২২১ | ২৯৪ |
| | | | মানকাছাৰ | ১৪৪ | ১২৭ |
| ৬। ডিব্ৰুগড় | ১৪৭১ | ৪৫০ | খোৱাং | ২০৫ | ২৬৫ |
| | | | বৰবৰুৱা | ২০৬ | ২৭৩ |
| | | | লাহোৱাল | ২১২ | ২৫২ |
| | | | পানীটোলা | ২০৭ | ২৬৭ |
| | | | টেঙ্গাখাট | ২১০ | ২৭৪ |
| | | | জয়পুৰ | ২১১ | ৩৩১ |
| | | | ডিব্ৰুগড় | ২২০ | ২৩৯ |
| ৭। শিৱসাগৰ | ১৫৭৭ | | ডিমৌ | ২৩৬ | — |
| | | | শিৱসাগৰ | ২১৪ | তথ্য পোৱা নাই। |
| | | | আমগুৰি | ২৮৪ | ,, |
| | | | নাজিৰা | ১৩৪ | ,, |
| | | | সোনাৰী | ১৭০ | ,, |
| | | | সাপেখাটী | ১০২ | ,, |
| | | | ডিমৌ আ চি | ৩১ | ,, |
| | | | শিৱসাগৰ " | ১২৫ | ,, |
| | | | আমগুৰি " | ১০৪ | ,, |

| | | | | | |
|---|---|---|---|---|---|
| | | | নাজিৰা ,, | ৯৯ | তথ্য পোৱা নাই। |
| | | | সোনাৰী ,, | ৫১ | ,, |
| | | | মাহমৰা ,, | ২৭ | ,, |
| ৮। দৰং | ১৭·১ | ৫০০ | কলাইগাওঁ | ৩০৯ | ২৯৪ |
| | | | চিপাঝাৰ | ২৭৯ | ২৫৩ |
| | | | খৈৰাবাৰী | ২৬৩ | ২৪৯ |
| | | | ওদালগুৰি | ২৪৫ | ২৫৮ |
| | | | মাজবাট | ২০৬ | ২০৮ |
| | | | দলগাওঁ | ২৮৪ | ২৬১ |
| | | | মঙ্গলদৈ | ৬৩ | ৬০ |
| | | | টংলা টি,চি | ৩৬ | ৩২ |
| | | | খাৰুপেটীয়া টি,চি | ১৫ | ১৪ |
| | | | ওদালগুৰি টি চি | ৪৪ | ৪৪ |
| ৯। শোণিতপুৰ | ১৯১৬ | — | ঢেকিয়াজুলি | ২২০ | তথ্য পোৱা নাই। |
| | | | গাভৰু | ৩১১ | ,, |
| | | | বিশ্বনাথ | ১৬০ | ,, |
| | | | তেজপুৰ এম বোৰ্ড | ২৩৮ | ,, |
| | | | বিহালী | ১৬৫ | ,, |
| | | | ছয়দুৱাৰ | ১৮৪ | ,, |
| | | | ন-দুৱাৰ | ৩৩৯ | ,, |
| | | | বালিপাৰা | ২৯৯ | ,, |
| ১০। কোকৰাঝাৰ | ১১৯৩ | — | সিদলি চিৰাং | — | — |
| | | | তিতাগুৰি | ২২০ | তথ্য পোৱা নাই। |
| | | | দতমা | ২১৭ | ,, |
| | | | কোকৰাঝাৰ | ১৫ | ,, |
| | | | বাসুগাওঁ | ১৩ | ,, |
| | | | গোসাইগাওঁ | ২৯৭ | ,, |
| | | | কচুগাওঁ | ২১৬ | ,, |
| ১১। বঙাইগাওঁ | ৮৭৮ | — | বৰবাজাৰ | ১৯৯ | ,, |

| | | | | | |
|---|---|---|---|---|---|
| | | | মানিকপুৰ | ২২৪ | তথ্য পোৱা নাই । |
| | | | বিজনি | ৬ | ” |
| | | | বৈঠামাৰী | ৩০০ | ” |
| | | | সৃজনগ্ৰাম | ২৫৯ | ” |
| ১২। কৰিমগঞ্জ | ১৫৮২ | ৬৫ | | | আৱশ্যকীয় তথ্য জিলা বিষয়াৰ পৰা পোৱা নাই । |
| ১৩। কাছাৰ | ১৬২২ | ৬০০ | শিলচৰ টাউন | ৩৫১ | ৩২৩ |
| | | | লক্ষীমপুৰ টাউন | ২৮ | ২৬ |
| | | | লক্ষীমপুৰ | ১৩৬ | ১৩১ |
| | | | নৰসিংপুৰ | ১৩৮ | ১৫৫ |
| | | | উদাৰবন্দ | ১৬১ | ৯৬ |
| | | | শালচাপৰা | ১৪৫ | ১১৮ |
| | | | ৰাজাবাজাৰ | ৯১ | ১০৬ |
| | | | সোনাই | ১৯২ | ২০২ |
| | | | কাটিগড়া | ১৮৪ | ১২৯ |
| | | | বৰখলা | — | ১৪১ |
| ১৪। কাৰ্বি আংলং | ৭৮৯ | ২০০ | ডিফু | ৮০ | ৯৪ |
| | | | হামৰেন | ১৯ | ১৯ |
| | | | লুমৰাজং | ১০৭ | ১৪৩ |
| | | | হাওৰাঘাট | ৯৭ | ১১২ |
| | | | বোকাজান | ৯১ | ১০৩ |
| | | | নিলিপ | ৫৬ | ৫৬ |
| | | | সমলাংস | ৫৯ | ৮৬ |
| | | | সোচেং | ৩৪ | ৩৪ |
| | | | সিনথং | ৩৬ | ৪৪ |
| | | | ৰংখং | ৩৭ | ৪৬ |
| | | | আমৰি | ২৪ | ২১ |
| | | | ৰংখং | ৫৩ | ৫৩ |

| | | | | | |
|---|---|---|---|---|---|
| ১৫। নৰ্থ কাছাৰ হিলচ্‌ | ৬১৮ | ৮৩ | হাফলং | ১২৯ | ১০২ |
| | | | মাইবং | ৮৮ | ১১০ |
| | | | মাহুৰ | ১৮৪ | ১৯৬ |
| | | | হাৰাঙ্গাজাও | ১৭৩ | ১৩৮ |
| | | | জিয়াংমুখ | ৪৪ | ২১ |
| ১৬। যোৰহাট | ১১৬৯ | ৫৬২ | চেলেংহাট | ১৯৬ | ১৭৫ |
| | | | শিপানিখোলা | ১৯৭ | ২৭৯ |
| | | | বাডাংচুং | ১৮০ | ২৬৭ |
| | | | ডেকৰগড়া | ১৮৫ | ৩০৫ |
| | | | তিতাবৰ | ১০৯ | ২৭২ |
| | | | মাজুলী কমলাবাৰী | ১৭৩ | ২৩৬ |
| | | | কলিয়াপানী | — | ৩৮ |
| | | | যোৰহাট এম/বি | ৪৯ | ৫৯ |
| ১৭। হাইলাকান্দি | ৬৫৬ | ২০০ | হাইলাকান্দি টাউন | ৫৭ | ৮৩ |
| | | | লালা টাউন | ৩২ | ৩৫ |
| | | | হাইলাকান্দি | ১০৯ | ৯৪ |
| | | | লালা | ১৩৪ | ১৮২ |
| | | | কাটলিচেৰা | ১৪০ | ১৮৫ |
| | | | আলগাপুৰ | — | ৭৭ |
| ১৮। গোলাঘাট | ১১৬৯ | | দেৰগাওঁ | | তথ্য জিলা |
| | | | পত্থমনি | | বিষয়াৰ পৰা |
| | | | বোকাখাট | | পোৱা নাই। |
| | | | সৰুপথাৰ | | |
| | | | কঠালগুৰি | | |
| | | | বোকাখাট টি/চি | | |
| | | | দেৰগাওঁ টি/চি | | |
| | | | গোলাঘাট | | |
| ১৯। তিনিচুকীয়া | ১০২৫ | ৬০০ | হাফজান | ২০৯ | ৪২২ |

| | | | | | |
|---|---|---|---|---|---|
| | | | মাৰ্ঘেৰিটা | ২১৪ | ৩৯৩ |
| | | | কাকপথাৰ | ২১৩ | ৩৮০ |
| | | | শদিয়া | ২ ১ | ২৯২ |
| | | | তিনিচুকীয়া টি/টি | ১৮৮ | ১৩৮ |
| ২০। নগাওঁ | ৩২৬১ | | নগাওঁ টাউন | ৩০৬ | আৱশ্যকীয় |
| | | | খাগৰিজান | ৫৪৪ | তথ্য |
| | | | লাওখোৱা | ২১৭ | পোৱা নাই। |
| | | | জুৰিয়া | ২২১ | ,, |
| | | | বটদ্ৰৱা | ২১২ | ,, |
| | | | লঙ্কা | ৩৪৮ | ,, |
| | | | জুগিজান | ২৪৫ | ,, |
| | | | ৰূপহী | ২৬৯ | ,, |
| | | | কলিয়াবৰ | ২২০ | ,, |
| | | | কঠিয়াতলি | ২৩৮ | ,, |
| | | | কপিলী | ২২৩ | ,, |
| | | | হোজাই | ৪২৫ | ,, |
| | | | ডিহিং | ৫ | ,, |
| ২১। মৰিগাওঁ | ১০৪২ | | মৰিগাওঁ টাউন | ২১৩ | আৱশ্যকীয় তথ্য |
| | | | ভুৰবন্ধা | ২৩২ | পোৱা নাই। |
| | | | মায়ং | ২০৯ | ,, |
| | | | লাহৰিঘাট | ৩৮৮ | ,, |
| ২২। লক্ষীমপুৰ | ১৫৯৬ | ৫০ | নাৰায়ণপুৰ | ২৫০ | ২৫০ |
| | | | বিহপুৰীয়া | ২৭০ | ২৭০ |
| | | | নাওবৈছা | ১২৫ | ১২৫ |
| | | | লক্ষীমপুৰ | ১২৫ | ১২৫ |
| | | | ঢকুৱাখানা | ২৫০ | ২৫০ |
| | | | বৰদলনী | ২৫০ | ২৫০ |
| | | | উঃ লক্ষীমপুৰ টাউন | ১৭৬ | ১৭৬ |
| | | | ধেমাজী | ২৮০ | — |

| | | | | |
|---|---|---|---|---|
| | | মুৰ্কংচেলেক | ২৫৭ | |
| | | টেলাহী | ১২৫ | ১২৫ |
| | | বগী নদী | ১২৫ | ১২৫ |
| ২৩। ধেমাজী | ৫৩৭ | ধেমাজী | ২৮০ | — |
| | | মুৰৰ্কং চলেক | ২৫৭ | — |

*শ্ৰীচন্দন কুমাৰ চৰকাৰঃ মাননীয় অধ্যক্ষ মহাদয়. মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে আজিলৈকে অসমৰ কোন কোন এলেকাত আৰু কোন কোন জিলাত মহকুমা খণ্ড উন্নয়ন এলেকা হিচাবে কিমান জনক বৃদ্ধ আৰু বৃদ্ধাক পেঞ্চন দিয়া হৈছে ?

*শ্ৰীকুল বাহাদুৰ ছেত্ৰী (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, অলপ সময় লব, এই তথ্যৰ সম্পুৰ্ণ উত্তৰ দিব পাৰিম। ছমৰীয়াত ১৯৬, প্ৰাগজ্যোতিষপুৰত ৮৫ জনক।

*শ্ৰীচন্দন কুমাৰ চৰকাৰঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াত দেখা গৈছে যে ১৯৮৫ চনৰ পৰা ১৯৮৮ চনলৈকে কিমানজন বৃদ্ধ আৰু কিমানজন বৃদ্ধাক এই পেঞ্চন দিয়া হৈছে আৰু মন্ত্ৰী মহোদয়ে অতি কম সংখ্যক লোককহে এই পেঞ্চন দিয়াৰ কাৰণ কি জনাবনে ?

*শ্ৰীকুল বাহাদুৰ ছেত্ৰী (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, বঙ্গাইগাওঁ বৰ্ত্তমান পৃথক জিলা হ'ল, আগতে গোৱালপাৰাৰ লগত আছিল আৰু শংকৰা সংখ্যাটো বেছি আছিল। বৰ্ত্তমান দুয়োখন জিলা সামৰি লোৱাত সংখ্যা হিচাবে কম দেখা গৈছে। যিখিনি বাকী আছে ইয়াৰ পিছত দিয়া হ'ব।

*শ্ৰীআলাউদ্দিন চৰকাৰঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে যে আজি কালি বৃদ্ধ-বৃদ্ধা বাচনি কৰাৰ পদ্ধতি কি ? চৰকাৰৰ নিয়ম মতে ৬৫ বছৰীয়া বৃদ্ধ-বৃদ্ধা সকলক পেঞ্চন দিয়া হয়। কিন্তু ডাক্টৰে চাৰ্টিফিকেট দিলে ৮০ বছৰীয়া বৃদ্ধ-বৃদ্ধাইও ৪০ বছৰীয়া ডেকাৰ দৰে কামৰ দাবী কৰে। আৰু কম বয়সীয়া লোকেও চাৰ্টিফিকেট দি পেঞ্চন লোৱাৰ উদাহৰণ আছে। (হাঁহিৰ ৰোল)

* Speech not Corrected.

Mr: Speaker : Now Starred Question No. 68.

Re : Salaries of Panchayat Employees.

Shri Promode Gogoi, asked :

*68. Will the Minister, Panchayat and Ruarl Development be pleased to state :

(a) Whether it is a fact that the Panchayat Employees are not getting their salaries for several months ?

(b) Whether it is a fact that the Government decided to provincialise the Services of Panchayat Employees ?

(c) If so, whether their salaries have been paid ?

Shri Afzalur Rahman, (Minister, panchayat and Rural Development) ruplied :

(a) No.

(b) Yes:

(c) Arrangement for payment of their full salaries is under process and at present part of salary is being paid.

* Shri Promode Gogoi : Sir, in rep'y to question (a) the Minister has said that it is partially correct. But the fact remains that most of the Panchayat employees are not getting their salaries. May I know from the Minister since when the employees are not getting their salaries and what is the total amount payable to the Panchayat employees by the Government ?

* Shri Afzalur Rahman (Minister) : Panchayat employees are not Government employees. They were under an

*Speech not corrected.

autonomous body. In the last Session of the Assembly the matter was discussed. About 17 crores of rupees is due to be paid to them, but the Government is not liable to pay because they are not Government employees. On 2nd October last their services were provincialised. The amount so required was not in the Budget; we had to go for re-appropriation and the matter is under process. As soon as the re-appropriation is made the salaries will be paid from 2nd October.

*Shri Promode Gogoi : Since when the employees are not getting their salaries? Their services were provincialised since October last. But may I know from the Minister prior to provincialisation of their services what was the total amount payable to the Panchayat employees by the Government and what is the amount payable to the employees after the provincialisation?

*Shri Afzalur Rahman, (Minister) : Sir, I said that in the last Assembly that it was more than 17 crores, Government has commitment and more than one crore that is, 1,89,24,922 has been released by Government and about the dues Government is negotiating with them how the problem can be solved. I agree with the Hon'ble member that most of the employees of Panchayats are not getting their salaries earlier to 2nd October. Government is considering the matter with all sympathy and sincerity.

*Shri Promode Gogoi : Sir, he has not replied to the question, the amount payable to the Panchayat employees before provincialisation. This is first question. The second

*Speech not corrected.

question is what is the amount payable to them after provincialisation ?

*Shri Afzalur Rahman (Minister) : The figure is not with me. It can be given later.

*Shri Haliram Terang : Sir, my request to the Minister is, he should come here with full facts and not to be evade the questions. The question is how much is due to them ? How many employees and for how many months they are to be paid ? I do not think this is a new question.

*Shri Afzalur Rahman ( Minister ) : It is not the question of evading the reply. Before 2nd October payment was made by the Mahkuma Parishads. Some are poor which could not pay the employees. It is not homogeneous organisation ; it is a heterogeneous institution. There are some Mahkuma Parishads which are to pay for 6 months and 7 months and in this way more than 17 crores of rupees is due to be paid to the employees on account of salaries for the pariod before 2nd October. But as I said, Gevernment is not liable to pay the amount. The amount due after 2nd October is yet to be calculated.

★Shri Haliram Terang : After provincialisation is the responsibility of the Government. But they have not done the home work: The point is how many employees are to be paid after provincialisation and for howmany months and what is the total amount to be paid ?

*Shri Afzalur Rahman (Minister, Panchayat and Rural Development) : It is calculated at Rs. 4·08 crores.

★Shri Haliram Terang : For how many months ?

---

* Speech not corrected.

*Shri Afzalur Rahman (Minister, Panchayat & Rural Development) : It is quit clear sir, it is for 6 months starting from October.

*Shri Haliram Terang : That means, not a single paise has been paid to the employees

*Shri Afzalur Rahman (Minister, Panchayat & R. D) : Sir, after provincialisation of their services, the Government is to fix the salary of the employees, their services are to be regularised and other required formalities will have to be completed. So, I shall take time. As the provincialisation was done during the mid of the year that is why provision could not be made in the budget. So, we shall have to re-appropriate.

Mr. Speaker : Now Starred Question No. 69.

Re : ICDS Programme.

Shri Mission Ranjan Das asked :

*69. Will the Minister of Social Welfare be pleased to state :

(a) Whether North Karimgangj Development Block will be brought under ICDS Programme ?

(b) If so, when and if not why ?

শ্ৰীকুল বাহাদুৰ ছেত্ৰী (মন্ত্ৰী, সমাজ কল্যাণ) য়ে উত্তৰ দিছে :

(ক) উত্তৰ কৰিমগঞ্জ উন্নয়ন খণ্ডক সংহত শিশু উন্নয়ন সেৱা আঁচনিৰ অন্তৰ্ভূক্ত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ পঠোৱা হৈছে। কিন্তু বৰ্তমানলৈকে কেন্দ্ৰীয় চৰকাৰৰ পৰা কোনো অনুমোদন/মঞ্জুৰী পোৱা নাই।

(খ) কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰৰপৰা অনুমোদন/মঞ্জুৰী পোৱাৰ পিছতহে আঁচনিখন কাৰ্যকৰী কৰা হ'ব।

* Speech not corrected.

*Shri Kali Ranjan Deb : Mr. Speaker Sir, what are the factors taken into consideration for establishment of a ICDS project in a Development Block ? In my katigora constituency, there is a considerable number of ST population and specially this is also flood affected area. Whether Minister will consider to establish an ICDS project at Katigora ?

*শ্ৰীকুল বাহাদুৰ ছেত্ৰী (সমাজ কল্যাণ ৰিভাগৰ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই বিষয়ত এটা নিয়ম আছে। বিশেষকৈ যিবিলাক এচ, টি, এৰিয়া, যিবিলাক বানপানী এৰিয়া আৰু যিবিলাক প্ৰকৃত দুখীয়া লোক আছে সেই বিলাককহে সামৰি লোৱা হব। কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰপৰা অনুমোদন/মঞ্জুৰী পোৱাৰ পিছতহে মাননীয় সদস্য গৰাকীয়ে লোৱা বিষয়বিলাক সামৰিব পৰা যাব। মাননীয় অধ্যক্ষ মহোদয় কৰিমগঞ্জৰ কাৰণে যি অলপ মঞ্জুৰী পোৱা হৈছে, আঁচনিমতে কাৰ্যকৰী কৰিবপৰা যাব।

*শ্ৰীহলিৰাম টেৰাং : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে মঞ্জুৰী পাইছে। আকৌ কৈছে, টকা-পইচা পোৱা নাই। বাৰে বাৰে একেটা কথাকে কৈছে। ইফালে ল'ৰা ছোৱালীবিলাকক পুষ্টিকৰ আহাৰ দিয়াৰ কথা কৈছে।

*শ্ৰীকুল বাহাদুৰ ছেত্ৰী (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমি যিখিনি পাইছো সেইখিনিহে দি আছো।

*শ্ৰীমতী প্ৰমিলা ব্ৰহ্ম : মাননীয় অধ্যক্ষ মহোদয়, নৰ্থ কাছাৰ উন্নয়ন খণ্ডত কিবা ব্যৱস্থা লৈছে নে নাই।

*শ্ৰীকুল বাহাদুৰ ছেত্ৰী (সমাজ কল্যাণ মন্ত্ৰী : মাননীয় অধ্যক্ষ মহোদয় যিহেতু নৰ্থ কাছাৰৰ কথা সুধিছে, সেইবিষয়ৰ সবিশেষ তথ্য আমাৰ হাতত নাই।

*শ্ৰীমিলন বড়ো : মাননীয় অধ্যক্ষ মহোদয়, বৰমাত চাবচিডিৰ কথা কওঁ যে কেইখনমান চাব-চেণ্টাৰ খোলাৰ কথা কৈছিল। বহুতো মানুহে চেণ্টাৰৰ বিষয়ে সোধে। কিন্তু সঞ্চালকৰ লগত যোগাযোগ কৰি জনা গ'ল যে, চেণ্টাৰৰ কাৰণে কোনো ব্যৱস্থা লোৱা নাই। এইবিষয়ে মাননীয় মন্ত্ৰী গৰাকীয়ে

* Speech not corrected.

জনালে ভাল হয়।

*শ্ৰীকুল বাহাদুৰ ছেত্ৰী (সমাজ কল্যাণ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এইবিষয়ে নুসুধি এটা বেলেগ প্ৰশ্ন কৰিলে ভাল হয়।

Mr. Speaker : Now Starred question No 70

*বিষয় : এইদচ্ বেমাৰৰ প্ৰতিকাৰক ব্যৱস্থা।*

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তয়ে সুধিছে :

* ৭০ মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ১৯-২-৯২ তাৰিখে ভাৰতবৰ্ষৰ বিভিন্ন কাকতত প্ৰকাশিত পি টি আইৰ সৈতে হোৱা এক সাক্ষাৎকাৰত ড্ৰাগচ্ আৰু এইচ আই ডি-ৰ বিশেষজ্ঞ (Human Immino difficiancy virus) আৰু বৃটেইনৰ ড্ৰাগচ চিকিৎসা গোট সেৱাৰ মেনেজাৰ ৰাছেল হেণ্টনে ভাৰতৰ প্ৰতিগৰাকী প্ৰাপ্তবয়স্কলোকৰ মাজত এজনকৈ এইচ আই ডি বিজানুৰ দ্বাৰা আক্ৰান্ত হৈ সোনকালেই আন এখন আফ্ৰিকীয় ৰাষ্ট্ৰত পৰিণত হ'ব পাৰে। এই শতিকাৰ শেষত এইডচ্ ৰোগৰ চিকাৰ হোৱা পুৰুষ; মহিলা আৰু শিশুৰ সংখ্যা ভাৰতত পাঁচ নিযুতলৈ বৃদ্ধি পাব বুলি কৰা মন্তব্য চৰকাৰৰ জ্ঞাতনে ?

খ) যদি জ্ঞাত, অসমত এই সংক্ৰামক ব্যাধি প্ৰতিৰোধ কৰিবৰ বাবে উপযুক্ত ব্যৱস্থা লবলৈ ভাৰত চৰকাৰৰ সৈতে যোগাযোগ কৰিছেনে ?

গ) বৰ্ত্তমানলৈকে হেণ্টনৰ মতে ভাৰতত ৫১৩১ জন এইডচ্ ৰোগত আক্ৰান্ত লোক ধৰা পৰিছে আৰু ইয়াৰে ভিতৰত ১১৪৬ জনেই মণিপুৰৰ কিন্তু উক্ত ৰাজ্যত জনসংখ্যা হ'ল (সৰ্ব ভাৰতীয় দৃষ্টিভঙ্গীত ০ ৯ হে)। তেনে ক্ষেত্ৰত অসমত এনে ৰোগী থকাৰ বিষয়ে চৰকাৰৰ জ্ঞাতনে ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক স্বাস্থ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয়।

খ) হয়।

গ) অসমত 8 (চাৰি) জন ৰোগীৰ তেওঁত এইডচ্ ৰোগৰ বীজাণু পোৱা হয়।

*শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, আজি গোটেই বিশ্বতে চিকিৎসক সকলে আলোড়নৰ সৃষ্টি কৰিছে। কেন্সাৰৰ চিকিৎসালয় এখন গুৱাহাটীত আছে।

---

*Speech not corrected.

শতকৰা ৯১ ভাগ লোকৰে এই ৰোগ বিয়পে। বোম্বেৰ পৰা প্ৰকাশিত কাকত এখনত "বাষ্ট্ৰ" পৰিণত হব পৰা মণিপুৰ, মিজোৰাম, ডিমাপুৰ এই তিনিওখন ৰাজ্যত ৰোগৰ সংখ্যা বাঢ়িছে। মণিপুৰত এই ৰোগৰ সংখ্যা আটাইতকৈ বেছি। ইম্ফলৰ পৰা অলপ আতৰত থকা চহৰত এইডচ্ ৰোগীসকলক কেম্পাচত ৰখা হৈছে। বাংগালোৰত চিকিৎসাৰ ব্যৱস্থা ওলাইছে আৰু অসমত ৪ জন ৰোগীৰ তেজত ভাইৰাচ পাইছে। এই সকলক চিকিৎসা কৰিবৰ কাৰণে সুকীয়া চিকিৎসক ৰখাৰ ব্যৱস্থা কৰিছে নেকি? তেওঁলোকৰ কাৰণে সুকীয়া ওৱাৰ্ডৰ ব্যৱস্থা আছে নেকি? এটা চিকিৎসালয় ওৱাৰ্ডত ৩/৪ মাহ ৰোগী ৰাখিলে বিভিন্ন কাৰণত ৰোগ বিয়পিব পাৰে। এই এইডচ্ ৰোগী সকলক চিকিৎসা কৰিবৰ কাৰণে কোন কোন ডাক্তৰ ওলাইছে মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে?

*শ্ৰীগৌতম বৰা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, অসমত এতিয়ালৈকে ৪ জন ৰোগীৰ তেজত এইডচ্ বীজাণু পোৱা হৈছে। তাৰে এজন ৰোগী ডিমাপুৰৰ পৰা অহা। তেখেত গুৱাহাটী মহাবিদ্যালয়ত মৃত্যু হৈছে। আৰু এজন ডুলিয়াজানৰ আৰু বাকী দুজন সামৰিক বাহিনীৰলোক বৰ্ত্তমান ভাৰতবৰ্ষত এইডচ্ বিয়পাৰ ক্ষেত্ৰত অসম চৰকাৰ সচেতন আৰু ই যাতে অসমত বিয়পিব নোৱাৰে তাৰ প্ৰতিৰোধ ব্যৱস্থাৰ বাবে চৰকাৰে যতন লৈছে। অসম চৰকাৰৰ মুখ্য সচিবক চেয়াৰমেন আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ সচিবক কনভেনৰ হিচাপে লৈ মুঠ ১৪ জন সদস্যৰে এখন এ, আই, ডি, এচ ৰাজ্যিক কমিটী গঠন কৰা হৈছে। ইয়াৰ ওপৰিও আৰু এটা এইডচ্ চেল স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ যুটীয়া সঞ্চালকক প্ৰগ্ৰেম আওচাৰ কৰি গঠন কৰা হৈছে।

বৰ্ত্তমান এটা ৰাজ্যিক এইডচ্ চেল গঠন কৰিবলৈ লোৱা হৈছে। এই চেলৰ অধীনত তিনিটা চেণ্টাৰ থাকিব। এই চেণ্টাৰসমূহ তিনিখন মেডিকেল কলেজত এ কাটাকৈ থাকিব। ইয়াৰ বাবে ভাৰত চৰকাৰৰপৰা মুঠ ১১.২৫ লাখ টকাৰ অনুদান পাবলৈ আশা কৰা হৈছে। এইডচ্ বীজাণু ধৰা পৰা এজন ৰোগী গুৱাহাটী মেডিকেল কলেজ চিকিৎসালয়ত মানসিক বিভাগৰ এজন ৰোগী আছিল আৰু পাছত মৃত্যু হয়। গুৱাহাটীত থকা ব্লাড বেঙ্কটো কাৰ্যকৰী হৈ আছে ; ইয়াৰ ওপৰিও ডিব্ৰুগড় আৰু শিলচৰ মেডিকেল কলেজত আধুনিক ব্লাড বেঙ্ক স্থাপনৰ কাৰণে

* Speech not corrected.

কেন্দ্ৰীয় চৰকাৰৰ পৰা ইতিমধ্যে প্ৰাতশ্ৰুতি পোৱা হৈছে। এই গোটেই আঁচনিখন কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা সম্পূৰ্ণভাবে স্পনচৰ কৰিব।

এ, আই, ডি, এচ ৰোগৰ ধৰা পেলাবৰ কাৰণে গুৱাহাটী মেডিকেল কলেজত এটা আৰু ডিব্ৰুগড়ত আঞ্চলিক কেন্দ্ৰীয় গৱেষণাগাৰ আছে। শিলচৰ মেডিকেল কলেজতো এনেকুৱা এটা ৰোগ ধৰা পেলোৱা গৱেষণাগাৰ প্ৰতিষ্ঠা কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে অনুমোদন দিছে। এই সংক্ৰান্তত আমি যিখিনি প্ৰস্তাৱ হাতত লৈছো সেই প্ৰস্তাৱমতে অসমৰ ডাক্তৰ সকলক প্ৰশিক্ষণৰ কাৰণে অসমৰ বাহিৰলৈ পঠোৱাৰ কাৰণে ব্যৱস্থা কৰা হব।

(Starred Question Nos 71 to 80 could not be disposed of as the Question Hour was over. However writen replies deemed to have been laid on the table of the house as follows.)

বিষয় ডঃ বি. বৰুৱা কেঞ্চাৰ প্ৰতিষ্ঠান।

শ্ৰীহিতেশ্বৰ ডেকা য়ে সুধিছে :

*৭১। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বি. বৰুৱা কেঞ্চাৰ প্ৰতিষ্ঠানখন "চৰকাৰীকৰণ" কৰা হৈছে নেকি ?

(খ) যদি হৈছে কেতিয়াৰ পৰা চৰকাৰীকৰণ কৰা হৈছে আৰু ইয়াৰ বাবে প্ৰয়োজনীয় বিধিগত প্ৰক্ৰিয়া সমাপ্ত কৰা হৈছে নে ?

(গ) এই প্ৰতিষ্ঠানৰ কৰ্মচাৰী সকলৰ পদসমূহ চৰকাৰী কৰা হৈছে নে নাই ?

(ঘ) এই প্ৰতিষ্ঠানৰ পৰিচালনাৰ ভাৰ কাৰ ওপৰত ন্যস্ত কৰা হৈছে ?

(ঙ) এই প্ৰতিষ্ঠানলৈ আগবঢ়োৱা কোনো আধুনিক যন্ত্ৰপাতি আজি পৰ্য্যন্ত অকাৰ্য্যক্ষম হৈ আছে নেকি ?

চ) যদি আছে কি কি যন্ত্ৰপাতি কেতিয়াৰ পৰা আৰু কিয় অকাৰ্য্যক্ষম হৈ আছে ?

(ছ) বছৰি অসম চৰকাৰে এই প্ৰতিষ্ঠানটোলৈ কিমান পৰিমাণৰ আৰ্থিক সাহায্য আগবঢ়াই আৰু অন্যান্য কি কি উৎসৰ পৰা কিমান সাহায্য পাই আছে ?

শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাছা (স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) অসম চৰকাৰৰ বিজ্ঞপ্তিযোগে ইং ১৯৮৬ চনৰ ৭ আগষ্ট তাৰিখে এই

প্ৰতিষ্ঠানটো অসম চৰকাৰৰ অধীনলৈ নিয়া হয়।

(খ) ইং ১৯৮৬ চনৰ ৭ আগষ্ট তাৰিখৰ পৰা বিধিগত প্ৰক্ৰিয়াৰ বাবে এখন খচৰা আদৰ্শবিধি (Model Act) চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(গ) ওপৰত উল্লেখিত বিধিক্ৰিয়া সমাপ্ত হ'লে কৰ্মচাৰী সকলৰ পদ সম্পৰ্কীয় বিষয় বিবেচনা কৰা হ'ব।

(ঘ) এই প্ৰতিষ্ঠানৰ পৰিচালনাৰ ভাৰ এখন পৰিচালনা মণ্ডলীৰ (Management Council) ৰ ওপৰত ন্যস্ত কৰা হৈছে।

(ঙ) আছে।

(চ) প্ৰায় এবছৰ ধৰি নিম্নলিখিত চাৰিটা নতুন যন্ত্ৰ এতিয়ালৈকে চলিত অৱস্থাত আনিব পৰা হোৱা নাই। (১) C.T. Scanner—এইটো ভাৰত চৰকাৰে দান দিয়া নতুন যন্ত্ৰ। প্ৰয়োজন অনুসাৰে বিজুলি যোগান আৰু কোঠাৰ আন্তৰিক ব্যৱস্থা সম্পূৰ্ণ নোহোৱা কাৰণে এই যন্ত্ৰটো চালিত অৱস্থাত আনিব পৰা হোৱা নাই। (২) Mammography Unit এই যন্ত্ৰটো Tata Memorial Hospital ৰ জৰিয়তে পোৱা হৈছিল। এই যন্ত্ৰটোৰে প্ৰয়োজনীয় বিজুলি যোগান নোহোৱা বাবে চালিত অৱস্থাত আনিব পৰা হোৱা নাই। (৩) Gamma Camera— এই যন্ত্ৰটো Tata Memorial Hospital ৰ জৰিয়তে পোৱা হৈছিল। এই যন্ত্ৰটো চলাবলৈ হলে ইয়াৰ লগত এটা Nuclear Medicine Laboratory ৰ আৱশ্যক। এই Laboratory ৰ কাৰণে Tata Memorial Hospital ৰ লগত যোগাযোগ কৰি থকা হৈছে। ইতিমধ্যে কিছু সামগ্ৰী আহৰণ কৰা হৈছে। (৪) Sabia Hamalaser— এই যন্ত্ৰ'টাও Tata Memorial Hospital ৰ জৰিয়তে পোৱা হৈছিল। ইয়াক চলাবলৈ হলে বিশেষ ধৰণৰ ৰাসায়নিক পদাৰ্থ বিদেশৰ পৰা আমদানি কৰিব লাগে। যিটো কোম্পানীয়ে এই যন্ত্ৰটো আমদানি কৰিছিল, তেওঁলোককেই এই ৰাসায়নিক পদাৰ্থ আনিবলৈ কোৱা হয় আৰু আজি পৰ্য্যন্ত এই ৰাসায়নিক পদাৰ্থ আহি নোপোৱাত কোম্পানীক পুনৰ সোঁৱৰাই দিয়া হয়। Tata Memorial Hospital ক এই ক্ষেত্ৰত যথোচিত ব্যৱস্থা লবলৈ অনুৰোধ কৰা হৈছে।

(ছ) এই প্ৰতিষ্ঠানৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে অসম চৰকাৰে যৌথভাৱে উত্তৰ

পূৱ পৰিষদ (North Eastern Council), কেন্দ্ৰীয় চৰকাৰৰ আনৱিক শক্তি বিভাগৰ (Deptt. of Atomic Energy) লগত ইং ১৭/১১/৮৯ তাৰিখে এখন ত্ৰিপাক্ষিক চুক্তি সম্পন্ন কৰে। উক্ত চুক্তিৰ স্বাক্ষৰৰ আগ-লৈকে কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয় আৰু অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ আৰু বিত্ত বিভাগৰ পৰা আৰ্থিক সাহায্য পাই আহিছিল। উত্তৰ পূৱ পৰিষদেও আৰ্থিক সাহায্য দি আহিছে। ৰোগীৰ পৰাও চিকিৎসা কৰাৰ বাবদ নিৰ্দ্ধাৰিত হাৰত কিছু পৰিমাণে অৰ্থ সংগ্ৰহ কৰা হয়। অন্যান্য প্ৰতিষ্ঠানেও স্বেচ্চাই দান বৰঙণি এই প্ৰতিষ্ঠানলৈ আগবঢ়াই আহিছে। লগত বিস্তৃত বিৱৰণ গাথি দিয়া হ'ল। ( See the Annexure - II )

বিষয় : ভি, আই, পি পেণ্ডেলৰ খৰচ।

ডাঃ কমলা কলিতায়ে সুধিছে :

★ ৭২। মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৯১ চনৰ ২ অক্টোবৰ তাৰিখৰ গান্ধীজয়ন্তী উপলক্ষে গুৱাহাটীৰ জজ খেল পথাৰত নিৰ্মাণ কৰা ভি আই পি পেণ্ডেলৰ (V.I.P Pendel)ৰ নামত কিমান টকা খৰচ হৈছে জনাৰনে ?

খ) এই কামত খৰচ হোৱা সমূহ টকা কামৰূপ দি আৰ দি এৰ পৰা বহন কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে নেকি ?

গ) কামৰূপ দি আৰ দি এৰ কোন শিতানৰ পৰা উক্ত পৰিমাণৰ টকা খৰচ কৰিবলৈ ধাৰ্য্য কৰা হৈছে ?

শ্ৰীআফজালুৰ ৰহমান, (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) এতিয়ালৈকে খৰচ হোৱা নাই।

খ) যথাৰ্থ ব্যয়খিনি কামৰূপ দি আৰ দি এয়ে বহন কৰিব পাৰিব নে নাই গভৰ্নিং বডিত উত্থাপন কৰিবলৈ দিয়া হৈছিল।

গ) প্ৰশ্ন নুঠে।

বিষয় : চিকিৎসা বিশ্ববিদ্যালয় স্থাপন।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতায়ে সুধিছে :

*৭৩ মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰীমহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমত চিকিৎসা বিশ্ববিদ্যালয় স্থাপন কৰাৰ সিদ্ধান্ত চৰকাৰে লৈছে নেকি ?

খ) যদি লৈছে, তেনেহলে কোন চনত এই বিশ্ববিদ্যালয়ৰ কাম আৰম্ভ হব আৰু কোন ঠাইত স্থাপন কৰিব বিচাৰিছে ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) নাই লোৱা।

খ) প্ৰশ্ন নুঠে।

## Re : Kit allowance.

শ্ৰীশশ কমল সন্দিকৈয়ে সুধিছে :

*৭৪। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) চৰকাৰে ৩ শ্ৰেণীৰ নাৰ্চিং ষ্টাফ যেনে মেট্ৰন, Lady Health Visitor আদি সকলোকে নতুন হাৰত Kit Allownces Messing আৰু Dhubi allowances দিয়াৰ ব্যৱস্থা কৰিছে নেকি ?

খ) যদি কৰিছে কোন তাৰিখৰ পৰা এই নতুন হাৰত কাৰ্য্যকৰী কৰা হ'ব ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয়, কৰিছে।

খ) ১-৪-৯০ ইং তাৰিখৰ পৰা কাৰ্যকৰী কৰা হৈছে।

## বিষয় : হস্পিতালে যোগান ধৰা ঔষধ।

শ্ৰীব্ৰুৰ কুমাৰ সেনয়ে সুধিছে :

*৭৫। মাননীয় স্বাস্থ্য বিভাগর মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জনাবেন :

ক) ১/১/৯১ তারিখ থেকে ৩১/১২/৯১ তারিখের মধ্যে ধুবুড়ী অসামরিক চিভিল হস্পিতালে সর্বমুঠ কত টাকার ঔষধ পত্র ও চিকিৎসার অন্যান্য সামগ্রী যেমন বেন্ডেজ, তুলা, ইত্যাদি কি কি দেওয়া হয়েছে ?

(কি কি ঔষধ পত্রে দেওয়া হয়েছে তাহার প্রত্যেকটির তালিকা আলদা আলদা ভাবে দিবেন)

শ্ৰীগৌতম বৰা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ১ লা জানুৱাৰীৰ পৰা ৩১ ডিচেম্বৰ ১৯৯১ চনলৈ সৰ্বমুঠ তলত দিয়া ধৰণেৰে খৰচ কৰা হয়।

চ) ঔষধ মুঠ ৫,৭৯,২৮৮'৬৪ টকা।

ছ) সাৰ্জিকেল ষ্টোৰ্চ,—বেন্দেজ, তুলা আদিত মুঠ ৪, ৫১,৯৬৮'৬৪ টকা। ১ লা জানুৱাৰীৰ পৰা ৩১ ডিচেম্বৰ ১৯৯১ চনলৈ ধুবুৰী অসামৰিক চিকিৎসালয়ত দিয়া ঔষধ পত্ৰ আৰু সাৰ্জিকেল ষ্টোৰ্চৰ তালিকা এখন সদনৰ মেজত দাখিল কৰা হৈছে।

বিষয় : ঘিলামৰা ত্ৰিশখন বিচনাযুক্ত চিকিৎসালয় ।

শ্ৰীভৰত চন্দ্ৰ নৰহয়ে সুধিছে :

*৭৬। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ঢকুৱাখানা মহকুমাৰ 'ঘিলামৰা ত্ৰিশখন বিচনাযুক্ত চিকিৎসালয়ৰ' নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হোৱা কথাটো চৰকাৰে জানেনে ?

খ) যদি জানে, উক্ত চিকিৎসালয় ৰোগীৰ চিকিৎসাৰ বাবে এতিয়াও মুকলি নকৰাৰ কাৰণ কি ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয় জানে।

খ) এই চিকিৎসালয়খনৰ নিৰ্মাণকাৰ্য্য সম্পূৰ্ণ হৈছে যদিও বিজুলী সংযোজনৰ কাম সম্পূৰ্ণ হোৱা নাই। তদুপৰি চুইপাৰকে ধৰি চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ মকৰল সম্পূৰ্ণ হৈ নুঠা হেতুকে বৰ্ত্তমানলৈ চিকিৎসালয়খন ৰোগীৰ বাবে মুকলি কৰিব পৰা হোৱা নাই। অৱশ্যে সোনকালে মুকলি কৰাৰ বাবে যাৱতীয় ব্যৱস্থা লোৱা হৈছে।

Re: Creation of Blccks.

Shri Jew Ram Boro asked :

*77. Will the Minister of Panchayats be pleased to state :

Wheather the Government has decided to create two numbers of Blocks in each of the Legislative Assembly

Constituencies of Assam for better Administration of Panchayats ?

b) If so, why a block has not created at Kalaigaon under Kalaigaon Constituency although public has been demanded many times and what are the basises of or creating of new Blocks ?

c) It is a fact that a block already created at Mongaldoi L.A.C. namely Pub-Mongaldoi Block ?

d) If so, what will be the place of the said Block Head Quarter and the names of Gaon Panchayats by which the said Block Constituted ?

Sri Afzalur Rahman (Panchayat and Rural Development) replied :

a) Yes, Recomandation of the State Level Committee of re-organisation of Blocks is in principle accepted by Government.

b) Recomandation of the State Level Committee of re-organisation of Blocks is being implemented in a phased manner.

c) Yes.

d) Tne Head Quarter of Pub-Mongoldai Development Block is at Dhula Chak and the constituent Gaon Panchayats are as follows :

1) Bhakatpara Gaon Panchayat
2) Kalitapara Gaon Panchayat
3) Balabari Gaon Panchayat
4) Dhula Gaon Panchayat
5) Khataniapara Gaon Panchayat
6) Ojhagaon Gaon Panchayat

7) Bondia Gaon Panchayat

8) Mowomari Gaon Panchayat

9) Chomkhowa Gaon Panchayat

10) Puthimari Gaon Panchayat

Re : Digboi State Hospital.

Shri Rameswar Dhanowar asked :

*78. Will the Minister of Health be pleased to state :

(a) What measures have been taken by Government to develop the Digboi State Hospital to a fullfleged 30 bedded Hospital.

(b) Whether the Government considering to request the I.O.C. (A.O.C.) Digboi to reconstruct the Digboi State Hospital at the existing site and handover the same to the Government ?

(c) What steps have been taken to authorise the Digboi State Hospital for issuing Birth & Death Certificates for the interest of public ?

Shri Gautam Bora ( Minister of State, Health & F.W. ) replied :

(a) There is proposal for establishment of a 30 bedded hospital at Digboi. But due to non availability of suitable fund this scheme could not be implemented so far.

(b) No such formal proposal is under consideration of the Government at present.

(c) No such steps have been taken so far.

Re : Establishing a Medical College.

Shri Dewan Joynal Abedin asked :

*79. Will the Minister of Health and Family Welfare be pleased to State ?

Will the Government consider for establishing a Medical College at Dhubri to meet the growing need for Medical Education as well as to cater to the medical requirements of the people of the region ?

Shri Gobinda Chandra Langthasa (Minister, Health & Family Welfare) replied :

There are three Medical Colleges in the state which are able to meet the medical educational requirements of the people of the state.

বিষয় : ৰাজ্যিক পৰিবহন নিগমৰ বাছ ।

শ্ৰীনিজামুদ্দিন খানয়ে সুধিছে :

*৮০। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) বৰ্তমান অসমত ৰাজ্যিক পৰিবহন নিগমৰ কিমানখন বাছ চলি আছে ?

খ) বৰপেটা জিলাত কিমানখন ৰাজ্যিক পৰিবহন নিগমৰ বাছ চলাচল কৰি আছে ?

গ) বৰপেটা জিলাত মিনিবাছ (Canter) চলোৱাৰ কিবা আঁচনি আছে নে ?

ঘ) যদি আছে মিনিবাছ চলোৱাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীশিৱ শম্ভু ওজা (পৰিবহন মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ৫৩৫ (পাচশ পয়ত্ৰিশখন)

খ) বৰপেটা ৰাজ্যিক পৰিবহন নিগমৰ আস্থান অধিক্ষকৰ তত্বাৱধানত ১৩ খন বাছ চলে । ইয়াৰ বাহিৰে ১৬ খন বাছ আন আন ঠাইলৈ বৰপেটা হৈ অহা যোৱা কৰে ।

গ) বৰপেটা জিলাত মিনিবাছ চলাব খুজিলে স্থানীয় আৰ, টি, এ এনেকুৱা দৰ্খাস্তৰ ওপৰত প্ৰয়োজনীয় ব্যৱস্থা লব পাৰে ।

ঘ) 'গ' প্ৰশ্নৰ উত্তৰৰ পৰিপেক্ষিতত এই প্ৰশ্ন নুঠে ।

## UNSTARRED QUESTIONS & ANSWERS

### Re : Employees of State Transport.

Shri Parameswar Brahma asked :

93. Will the Minister of Transport be pleased to state :

a) What is the strength of total Employees of State Road Transport Corporation.

b) What is the back-log of SC/ST in the said Corporation ?

c) What measures will be taken to fillup this back-log ?

Shri Shio Shambhu Ojha (Minister, Transport) replied :

a) 6685

b) 468 for S.C. and 292 for S.T.

c) Recruitment in A.S.T.C. has been stopped with effect from 5-10-88 and as and when the recruitment will be made, back-log will be considered.

### বিষয় : মহিলাৰ সংৰক্ষিত আসন।

শ্ৰীহিতেশ্বৰ ডেকায়ে সুধিছে :

৯৪। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ৰঙিয়া মহকুমাৰ অন্তৰ্গত বিভিন্ন পঞ্চায়তৰ মহিলাৰ বাবে সংৰক্ষিত আসনৰ সংখ্যা কিমান ?

খ) এই সংৰক্ষিত আসন সমূহ কি নীতিৰ ভিত্তিত নিৰ্বাচন কৰা হৈছে ?

গ) পূৰ্বতে প্ৰকাশ কৰা জাননীত উল্লেখিত মহিলাৰ বাবে সংৰক্ষিত স্থানসমূহ পিছত সালসলনি কৰা কথাটো সঁচানে, যদি সঁচা কিয় কৰা হ'ল ?

শ্ৰীআফজালুৰ ৰহমান (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) আঞ্চলিক পঞ্চায়তৰ সদস্যাৰ সংখ্যা ১৮ গৰাকী

গাওঁ পঞ্চায়তৰ সভানেত্ৰীৰ সংখ্যা—১৬

গাওঁ পঞ্চায়তৰ সদস্যা সংখ্যা—১৭১ গৰাকী।

খ) ১৯৮৬ চনৰ পঞ্চায়তী ৰাজ আইনৰ যোৱা ২ নৱেম্বৰ, ১৯৯১ চনত ঘটোৱা সংশোধনী অনুসৰি মহিলাৰ আসন সংৰক্ষণ কৰা হৈছে— 'লটাৰীৰ দ্বাৰা' By lottery.

গ) সঁচা ৰাজনৈতিক দলৰ প্ৰতিনিধি সকলৰ লগত আলোচনা মৰ্মে সংৰক্ষণৰ তালিকাখন পুনৰ প্ৰকাশ কৰা হৈছে।

### *বিষয় : নগাওঁ হাস্পিতালৰ স্থানান্তৰ।*

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তয়ে সুধিছে :

৯৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) নগাৱঁৰ মাজ মজিয়াত থকা "চিভিল হস্পিতালখন" মহখুলী অঞ্চললৈ স্থানান্তৰৰ বাবে কাম হাতত লোৱাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

খ) যদি জ্ঞাত, তেন্তে কিমান দিনৰ ভিতৰত স্থানান্তৰৰ কাম সম্পূৰ্ণ হ'ব?

গ) স্থানান্তৰৰ পিছত বৰ্তমানৰ চিভিল হস্পিতালৰ ভৱন আৰু চৌহদত 'টাউন হস্পিতাললৈ' পৰিবৰ্তন কৰাৰ বাবে লোৱা আঁচনি কিমান দূৰ অগ্ৰসৰ হৈছে?

শ্ৰীগৌতম বৰা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয়, জ্ঞাত।

খ) চিকিৎসালয়ৰ ঘৰ তথা আবাস গৃহৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হোৱাৰ পাচত স্থানান্তৰৰ ব্যৱস্থা লোৱা হ'ব।

গ) এই সম্পৰ্কত বৰ্তমানে কোনো আঁচনি লোৱা হোৱা নাই। অৱশ্যে চিভিল হস্পিতালখন মহখুলিলৈ স্থানান্তৰ কৰাৰ পিচত টাউন হস্পিতাল স্থাপনৰ ক্ষেত্ৰত আৱশ্যক অনুযায়ী ব্যৱস্থা লব পৰা যাব।

বিষয় ঃ ডি, আৰ, ডি, এৰ টকা বিতৰণ।

শ্ৰীনিজমুদ্দিন খানয়ে সুধিছে ঃ

৯৬। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাৰ বিভিন্ন গাওঁ পঞ্চায়তলৈ ডি, আৰ, ডি এয়ে টকা বিতৰণৰ পিছত ১৯৯১-৯২ আৰু ১৯৯২-৯৩ ত বৈ থকা টকাৰ পৰিমাণ কিমান ?

(খ) উক্ত বছৰ দুটিৰ টকাৰে কি কাম কৰা হৈছে আৰু কি কি কামত খৰচ কৰা হ'ব ? (তালিকাসহ সদনৰ মেজত ৰখা হওক)

(গ) উক্ত টকা বিধান সভা সমষ্টিভিত্তিত বিতৰণৰ ব্যৱস্থা কৰা হ'বনে ?

শ্ৰীআফজালুৰ ৰহমান (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯১-৯২ চনত জৱাহৰ ৰোজগাৰ যোজনাৰ অন্তৰ্গত অনুমোদিত টকা বিভিন্ন উন্নয়ন খণ্ডলৈ বিতৰণ কৰাৰ পিছত ডি, আৰ, ডি, এৰ মুঠ অংশ ৩৫,৩৩৮ লাখ টকা হয়গৈ।

১৯৯২-৯৩ চনৰ বাবে কোনো টকা পোৱা হোৱা নাই ।

(খ) ১৯৯১-৯২ চনৰ ডি, আৰ, ডি, এৰ (DRDA) অংশৰ মুঠ ৩৫,৩৩৮ লাখ টকাৰ পৰা ৫,৬৩,৪০৭ টকাৰ বিভিন্ন আঁচনি ৰূপায়ন কৰিবলৈ ১৯৯২ চনৰ ফেব্ৰুৱাৰী মাহলৈকে লোৱা হৈছে । এই আঁচনিসমূহৰ তালিকা লগত গাঠি দিয়া হ'ল । ১৯৯২-৯৩ চনৰ বাবে প্ৰশ্ন নুঠে ।

(see the Annexure—III)

(গ) নহয় ।

বিষয় ঃ নতুন ব্লক স্থাপন ।

শ্ৰীনিজমুদ্দিন খানয়ে সুধিছে ঃ

৯৭। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯১ চনৰ জুন মাহৰপৰা বৰ্ত্তমানলৈ কিমান নতুন ব্লক স্থাপন কৰা হৈছে ?

(খ) ব্লকসমূহৰ (নতুনকৈ প্ৰতিষ্ঠা কৰা) কাম কেতিয়ালৈ আৰম্ভ কৰা হব ?

শ্ৰীআফজালুৰ ৰহমান (পঞ্চায়ত মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯১ চনৰ জুন মাহৰপৰা বৰ্ত্তমানলৈ ২৫ টা নতুন উন্নয়ন খণ্ড স্থাপন কৰা হৈছে ।

(খ) ইতিমধ্যে উন্নয়ন খণ্ডসমূহৰ (নতুনকৈ প্ৰতিষ্ঠা কৰা) কাম আৰম্ভ কৰাৰ ব্যৱস্থা চৰকাৰে হাতত লৈছে ।

বিষয় ঃ কৰ্কট বেমাৰ ।

শ্ৰীলিয়াকত আলী খানয়ে সুধিছে ঃ

৯৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত গড়ে বছৰি কিমানজন মানুহ কৰ্কট বেমাৰত আক্ৰান্ত হয় ?

(খ) উক্ত ৰোগৰ চিকিৎসাৰ বাবে অসমত উন্নত ধৰণৰ আঁচনি বা পৰিকল্পনা কিবা লোৱা হৈছে নেকি ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) পঞ্জিভুক্ত ৰোগী বছৰি গড়ে প্ৰায় ৬০৫০ জন ।

(খ) ব্যৱস্থা লোৱা হৈছে ।

Re : 30 Bedded Tangla Hospital.

Shri Karendra Basumatary asked :

99. Will the Minister of Health & F. W. be pleased to state :

a) Wheather the Government is aware of shortage of Doctors and Nurses in Tangla Hospital and if so, what step will be taken by the Government for appointments 4 Doctors and 4 Nurses in the said Hospital.

Shri Gautam Bora (State Minister, Health) replied :

a) Yes, there is only one post of M & HO-I and 3 posts of staff Nurses vacant. Action is being taken to fill up the post of M & HO-I. Staff Nurse post will be filled up a availability of qualified persons.

Re : New Development Blocks.

Shri Mission Ranjan Das asked :

100. Will the Minister (Panchayat and Rural Development be pleased to state :

(a) How many new Blocks have been created in Assam in 1991-92 ?

(b) The basis for creation of a new Development Block ?

(c) Will the Government creat further new Development Blocks in Assam in 1992 ?

(d) Wheather the Government will establish the already proposed development Block within North Karimganj Assembly Constituency ?

Shri Afzalur Rahman (Minister, Panchayat and Rural Development) replied :

(a) 25 Nos. new Development Blocks have been created in Assam during the financial year 1991-92.

(b) The recommendation of the State Level Committee of re-organisation of blocks is regarded as the basis for creation of a new Development Block.

(c) Government is yet to decide on this.

(d) —do—

বিষয় : উত্তৰবঙ্গ ও আসামেৰ গাড়ী ।

শ্ৰীধ্ৰুৱ কুমাৰ সেনয়ে সুধিছে :

১০১। মাননীয় পরিবহন বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি :

(ক) আসাম সরকারের পরিবহন বিভাগ ও উত্তরবঙ্গের পরিবহন বিভাগের মধ্যে যে চুক্তি হইয়াছে, তাহার মধ্যে আসামের কতটা গাড়ী উত্তর-বঙ্গে যায় ও উত্তরবঙ্গের কতটা গাড়ী আসামে আসে ?

(খ) উত্তরবঙ্গের পরিবহন বিভাগের গাড়ী গুলি উত্তরবঙ্গের কোন স্থান থেকে আসামের কোন কোন স্থানে যায় ও আসামের গাড়ী গুলি কোন স্থানে থেকে উত্তরবঙ্গের কোন কোন স্থানে যায় ?

শ্ৰীশিৱ শম্ভু ওজা (পৰিবহন মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) অসম আৰু পশ্চিমবঙ্গ চৰকাৰৰ মাজত হোৱা চুক্তিমতে অসমৰ আৰু

উত্তৰবঙ্গৰ মাজত অসম পৰিবহন নিগমৰ ১৩ খন বাছ, ব্যক্তিগত মালিকৰ ৪ খন বাছ চলাচল কৰে। আনহাতে পশ্চিমবঙ্গৰ পৰিবহন নিগমৰ ২৩ খন বাছ চলে।

(খ) উক্ত বাছবোৰ পশ্চিমবঙ্গ আৰু অসমৰ নিম্ন লিখিত স্থানৰ মাজত চলাচল কৰে :

পশ্চিম বঙ্গৰ- শিলিগুৰি, কোচ বিহাৰ আৰু দিনহাটা।

অসমৰ—গুৱাহাটী, বংগাইগাওঁ, ধুবুৰী, কোকৰাঝাৰ, তেজপুৰ আৰু নগাওঁ।

## *বিষয় : চিকিৎসকৰ সংখ্যা।*

শ্ৰীজয় নাথ শৰ্মায়ে সুধিছে :

১০২। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) দৰং জিলাত জিলা স্বাস্থ্য বিষয়াৰ অধীনত সম্প্ৰতি কিমানজন চিকিৎসক আছে আৰু তেওঁলোকে কোন কোন PHC বা CHC ত কাম কৰি আছে ?

(খ) কুৰুৱা, চেঙেলীয়াঝাৰ আৰু কেন্দুগুৰি PHC ত ১৯৯০-৯১ আৰু ১৯৯১-৯২ চনত কোন কোন চিকিৎসক আছিল ?

(গ) বাজনাপথাৰ CHC আৰু দেওমৰনৈ CHC ত কোন কোন চিকিৎসকে বৰ্ত্তমান কাম কৰি আছে ?

শ্ৰীগৌতম বৰা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) দৰং জিলাৰ মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়াৰ অধীনত বৰ্ত্তমান মুঠ ৭৩ জন চিকিৎসা আৰু স্বাস্থ্য বিষয়াই কাম কৰি আছে। তেওঁলোকৰ ১৪ জন মঙ্গলদৈ অসামৰিক চিকিৎসালয়ত, ৩১ জন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত (PHC আৰু SHC) যেনে—পাথৰিঘাট – ২জন, চিপাঝাৰ – ৩ জন, ওদাং—২ জন, খৈৰাবাৰী - ২ জন, জলজলী ২ জন, মাজবাট ২ জন, ৰৌতা - ২ জন, তাকালীকান্দা – ৬ জন, ভেৰগাওঁ – ১ জন, ৰঙামাটি – ১ জন, হেংগালপাৰা ১, কুৱৰীপুখুৰী - ১, শান্ত্ৰপাৰ—১, আন্ধেৰীঘাট – ১ ডুনী—১, লাওজান —১, পানেৰী —১, নামখোলা - ১, ১৩ জন ৰাজ্যিক চিকিৎসালয়ত যেনে : হাৰিশিংগা - ১, হৰিশিঙ্গা চেণ্ট্ৰেল ইউনিট—১, ভকতপাৰা – ১, দলগাওঁ –১, পোৰীপূজা –১, ডুমুনী চকী—১, চমুৱাপাৰা ১,

চৰাবাহী—১, বকুৱাবাহী—১, কলাইগাওঁ—১, গৰুখুটী—১, ডি, টি, চি দৰং—২. ১৫ জন গ্ৰাম্য চিকিৎসালয়ত (CHC) যেনে: ওদালগুৰি—৪, খাকুপেটীয়া—৩, বাজনাপথাৰ—১, টংলা—৪, দেওমৰনৈ—২ জনে কাম কৰি আছে।

(খ) ১। কুকুৰা ৰাজ্যিক চিকিৎসালয়:

১৯৯০-৯১—ডাঃ ডি, কে, শৰ্মা, M & HO-I

১৯৯১-৯২—ডাঃ এ হাজৰিকা M & HO-I

২। চেঙেলীয়াবাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ:

১৯৯০-৯১—কোনো স্বাস্থ্য বিষয়া নিযুক্তি দিয়া হোৱা নাই।

১৯৯১-৯২—১১-৩-৯২ তাৰিখত শিৱসাগৰ জিলাৰ গৌৰীসাগৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ পৰা ডাঃ গয়া প্ৰসাদ শৰ্মাক (M & HO-I) চেঙেলীয়াঝাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ বদলি কৰা হৈছে।

৩। কেন্দুগুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ:

১৯৯০-৯১—১৯৯১-৯২-ডাঃ কে, কে, দাস (M & HO-I)

(গ) ১। দেওমৰনৈ গ্ৰাম্য চিকিৎসালয় (CHC)

(ক) ডাঃ বি, বি, শৰ্মা Sr. M & HO-I

(খ) ডাঃ এ, কে, খিং M & HO-I

(গ) ডাঃ আৰ চিং গোস্বামী M & HO-I

২। বাজনাপথাৰ গ্ৰাম্য চিকিৎসালয়:

(ক) ডাঃ ইউ, চি, দেৱনাথ, Sr. M & HO-I

## বিষয়: চিটি বাছ চলাচল।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতায়ে সুধিছে:

১০৩। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) গুৱাহাটীৰপৰা ৰাণী হৈ শ কুৰবৰীয়ালৈকে চিটিবাছ নতুবা প্ৰাইভেট বাছ বৰ্ত্তমানলৈকে প্ৰৱৰ্ত্তন নকৰাৰ কাৰণ কি?

(খ) অসম-মেঘালয়ৰ সীমান্তৱৰ্তী এলেকা বুলি এইপথত চিটিবাছ নতুৰা প্ৰাইভেট বাছ চলোৱাৰ ব্যৱস্থা চলিত মাহতেই ল'বনে?

শ্ৰীশিৱ শম্ভু ওজা (মন্ত্ৰী, পৰিবহন) য়ে উত্তৰ দিছে :

(ক) গড়কাপ্তানী বিভাগৰপৰা পথৰ যোগ্যতাপত্ৰ ৬/৩/৯২ তাৰিখেহে পোৱা হৈছে, ইয়াৰ অভাৱত বাছ চলাবপৰা হোৱা নাছিল ।

(খ) চেষ্টা কৰা হব ।

Re : A. S. T. C. Bus Service.

Shri Rameswar Dhanowar asked :

104. Will the Minister of Transport be pleased to state :

(a) Whether the Government is considering any plan to extend the A. S. T. C. Bus Service from Digboi to Bordumsa via Pungoree ?

(b) If so, when and if not why ?

Shri Shio Shambhu Ojha (Minister, Transport) replied :

(a) No.

(b) This has not been considered so far as the route is not nationalised and we have no public request for such service also.

Re : Dhubri Civil Hospital.

Shri Giasuddin Ahmed asked :

105. Will the Minister of Health be pleased to state :

a) Wheather the Government aware of the chronic shortage of Medicine in Dhubri Civil Hospital ?

b) If so, what measures are going to be taken to ensure edequate supply of Medicines particularly life saving drugs ?

Shri Gautam Bora (Minister, State Health) replied :

a) Yes, There was shortage of some Medicine in Dhubri Civil Hospital particularly during the year 1991.

b) Essential Medicine & life saving drugs have been mode available in Dhubri Civil Hospital.

Re : Postponment of Panchayat Election.

Shri Giasuddin Ahmed asked :

106. Will the Minister, Panchayat be pleased to state .

a) Why the Panchayat Election in the Bilasipara Sub-Division was postpond ?

b) Whether any report was called for from the S.D.O. Bilasipara before such postponment ?

c) If so, what are the contents of that report ?

d) Whether the notification dated 11th February 1992 was issued after postponment of the Election ?

e) Whether the Election process was started in the Bilasipara Sub-Division on the basis of the notification, dated 30th October 1991 ?

f, How many Nomination papers for Election as G.P. President, A.P. Members and G.P. Members were received by the Returning Officers ?

g. Whether all the said Nomination papers were related to the Gaon Panchayats declared by the Notification, dated 30th October, 1991 ?

h) Whether it is a fact that the Notification, dated 11th February 1992 has abolished some Gaon Panchayat and altered areas of other Gaon Panchayats which were created by the Notification, dated 30th October, 1991 on the basis of which the Election process was in progress ?

i) Whether the Government has considered the legel implication of such arbitrary abolition or alteration

of Gaon Panchayat in the midst of the Election process ?

Shri Afzalur Rahman (Minister, Panchayat) replied :

(a) The Election to Gaon Panchayats and Anchalik Panchayats under Bilasipara Mohkuma parishad as scheduled on 21st, 24th and 27th February 1992 was deferred as Election was not arranged as per Government notification No. PDA. 251/90/69 dtd. 2.11.91.

b) Yes, a report from Sub-Divisional Officer, Bilasipara was called for before deferring the Election.

c) The contents of the report is laid in the table of House (Annexure—A). (See the Annexure—IV)

d) Yes.

e) Yes, but as modified vide notification dated 2.11.91.

The Sub-Divisional Officer Bilasipara was found to have arranged conduct Election as Scheduled on 21, 24 and 27th February 1992 not in conformity with the notifications issued by the Government declaring territorial jurisdiction of Gaon Panchayats under Bilasipara Sub-Division. As Sub-Divisional Officer was found to have been acting beyond his competance and as the whole process as initiated by him was not in conformity with Government notification the Election was deffered on 3.2.92.

f) The nomination papers received on 27th & 28th January, 1992 are as follows :

i) A.P. Member —145

ii) G.P. President —164

iii) G.P. Member —790

g) Yes.

h) Yes.

i) Goverument acted as per provisions of the Assam Panchayati Raj Act 1986.

Re : Filling of Nominations.

Shri Giasuddin Ahmed asked :

107. Will the Minister Panchayat & Rural Development be pleased to state :

a) How many candidates filed nomination papers on 27,1.92 and 28.1.92 for Election as Gaon Panchayat. Presidents, Gaon Panchayat Members and Anchalik Panchayat Members in the Gaon Panchayats namely Nayahat, Ambari, Jugirmahal and Silban-Soulmari under Mahamaya Anchalik Panchayat in Bilasipara Sub-Division ?

b) Whether said Gaon panchayats were subsequently abolished by notification dated 11.2.92, besides some other Gaon panchayats ?

c) Whether the candidature of the above mentioned candidates was nullified by abolition of their respective Gaon panchayats ?

d) If so, under what provision of the Panchayati Raj Act and Rules ?

Shri Afzalur Rahman (Minister, Panchayat & Rural Development) replied :

a) Nayahat Gaon Panchayat—

A.P. Membership – 3 Nos. (Three)
G.P. President – 3 Nos. (Three)
G.P. Membership— 21 Nos. (Twenty one)

Ambari Gaon Panchayat—

A.P. Membership— 4 Nos. (Four)
G.P. President — 5 Nos. (Five)
G.P. Membership—23 Nos. (Twenty three)

Jugirmahal Gaon Panchayat—

A.P. Membership — 4 Nos. (Four)
G.P. President — 4 Nos. (Four)
G.P. Membership —21 Nos. (Twenty one)

Silban-Soulmari Gaon Panchayat—

A.P. Membership – 3 Nos. (Three)
G.P. President — 6 Nos. (Six)
G.P. Membership–22 Nos. (Twenty two)

b) Yes, vide Government Notification No. PDA.251/-0/pt.I/53, dtd. 11.2.92, the said Gaon Panchayats were abolished.

c) Yes.

d) Section 5 read with Section 6 & 95 of the Assam Panchayati Raj Act, 1986.

Re : Dhubri Medical Sub-Centres.

Shri Giasuddin Ahmed asked :

108. Will the Minister of Health be pleased to state :

a) Whether Government is aware that almost all Med'cal Sub-Centres in the District of Dhubri are completly defunct ?

b) What steps are proposed to be taken for proper functioning of the said Medical Sub-Centres ?

Shri Gautam Bora (Minister of State, Health) replied :

a) It is not a fact.

b) Yes, steps are being taken for posting of A.N.M's in the 164 Sub-Centres, out of 265 Sub-Centres in the District as and when qualified A.N.M's are made available. Out of the 164 Sub-Centres, 125 Sub-Centres are presently being run by other para Medical Staff.

**Re : A.S.T.C Bus Service.**

Shri Dewan Joynal Abedin asked :

109. Will the Minister of Transport be pleased to state : Whether the Government is contemplating to reintroduce A.S.T.C. City Bus service in route No. 14, i. e. Lakhra Chariali to Kachari via Kahilipara-Napali Mandir in Guwahati City ?

শ্ৰীশিৱ শম্ভু ওজা (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

বৰ্তমানে নাই কৰা ।

**ৰিষয় : স্বাস্থ্য আৰু উপ-স্বাস্থ্য কেন্দ্ৰ স্থাপন।**

শ্ৰীনিজামুদ্দিন খান য়ে সুধিছে :

১১০। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৫ চনৰপৰা বৰ্তমানলৈ কিমান স্বাস্থ্য কেন্দ্ৰ আৰু কিমান উপ-স্বাস্থ্য কেন্দ্ৰ স্থাপন কৰা হৈছে ? (জিলা ভিত্তিত জনাব)

(খ) ১৯৮৫ চনৰপৰা স্থাপিত স্বাস্থ্য কেন্দ্ৰ আৰু উপ-স্বাস্থ্য কেন্দ্ৰসমূহত প্ৰয়োজনীয় ডাক্তৰ, নাৰ্চ আৰু অন্যান্য কৰ্মচাৰী নিয়োগ কৰা হৈছেনে ?

(গ) সকলোবিলাক স্বাস্থ্য কেন্দ্ৰ/উপ-স্বাস্থ্যকেন্দ্ৰত প্ৰয়োজনীয় ঔষধপাতি/চিকিৎসা

সম্পৰ্কীয় যন্ত্ৰপাতি যোগান ধৰা হৈছেনে ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ১৯৮৫ চনৰপৰা ১৯৯১ (৩১/১২/৯১) চনলৈ জিলাভিত্তিত স্থাপন কৰা স্বাস্থ্য আৰু উপ-স্বাস্থ্যকেন্দ্ৰৰ সংখ্যা এনেধৰণৰ—

| | স্বাস্থ্য কেন্দ্ৰ | উপ-স্বাস্থ্য কেন্দ্ৰ |
|---|---|---|
| ১। শিৱসাগৰ | ১২ | ১২৫ |
| ২। যোৰহাট | ১৮ | ৪৯ |
| ৩। ডিব্ৰুগড় | ১৫ | ২৭৩ |
| ৪। তিনিচুকীয়া | ১৫ | ২৭৩ |
| ৫। গোলাঘাট | ১৬ | ৮৩ |
| ৬। লক্ষীমপুৰ | ১৭ | ২০১ |
| ৭। ধেমাজী | ১৭ | ২০১ |
| ৮। শোণিতপুৰ | ১৭ | ২১৯ |
| ৯। দৰং | ১৭ | ২৫৬ |
| ১০। কামৰূপ | ২৭ | ৩৫১ |
| ১১। নলবাৰী | ২৩ | ১১৭ |
| ১২। বৰপেটা | ২২ | ২৬৭ |
| ১৩। গোৱালপাৰা | .৭ | ১৫৪ |
| ১৪। ধুবুৰী | ৮ | ১১৭ |
| ১৫। কোকৰাঝাৰ | ১৮ | ১৪৮ |
| ১৬। বঙ্গাইগাওঁ | ২৭ | ৩৫৫ |
| ১৭। নগাওঁ | ২৭ | ৩৫৫ |
| ১৮। মৰিগাওঁ | ২৭ | ৩৫৫ |
| ১৯। কাছাৰ | ১৪ | ২২৪ |
| ২০। কৰিমগঞ্জ | ৭ | ১৪৫ |
| ২১। উত্তৰ কাছাৰ | ৩ | ৪৪ |
| ২২। কাৰ্বি আংলং | ৭ | ১৩৫ |

(খ) ১৯৮৫ চনৰ পৰা নিৰ্মাণ কৰা স্বাস্থ্য কেন্দ্ৰ আৰু উপ-স্বাস্থ্য কেন্দ্ৰসমূহত নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱা অনুপাতে আৰু পুঁজি সাপেক্ষে নিয়মানুযায়ী ডাক্তৰ, নাৰ্চ আৰু অন্যান্য কৰ্মচাৰী নিয়োগ কৰা হৈছে ।

(গ) যিবোৰ স্বাস্থ্য কেন্দ্ৰ আৰু উপ-স্বাস্থ্য কেন্দ্ৰ কাৰ্যকৰী হৈছে সেইবোৰত পুঁজি অনুযায়ী প্ৰয়োজনীয় ঔষধপাতি আৰু চিকিৎসা সম্পৰ্কীয় যন্ত্ৰপাতিৰ যোগান ধৰা হৈছে ।

Re : Budget Allocation under T.S.P for 1991-92.

Shri Parameswar Brahma asked :

111. Will the Minister of WPT & BC Department be pleased to state :

(a) What is the Budget allocation under T.S.P for the year 1991-1992 ?

(b) What is the share of different Departmental Heads under T.S.P ?

(c) How this fund will be expended ?

Shri Gomeswar Pegu (Minister, WPT & BC) replied :

(a) Total annual plan allocation under Tribal Sub-Plan for the year 1991-92 is Rs. 79·79 crores.

(b) The list showing the share of different Departmental Heads is enclosed. (See the Annexure – V)

(c) The fund under Tribal Sub-Plan is spent by the concerning Department as per schemes prepared by them.

Re : Sanctioned P.H.C.

Shri Mission Ranjan Das asked :

112. Will the Minister of Health & F.W. be pleased to state :

(a) How many P.H.Cs will be sanctioned in 1992-93 in Assam ?

(b) Whether selection will be made Districtwise ?

Shri Gautam Bora (Minister, State Health) replied :

(a) It is not yet decided how many new P.H.Cs will be sanctioned during 1992-93. It will depend upon the availability of fund.

(b) Selection for sanction of P.H.Cs will be done as per norms and feasibility.

Re : Commission rate of Stamps.

Shri Mission Ranjan Das asked :

113. Will the Minister of Registration and Stamps be pleased to state :

(a) The present Commission rate of the Venders selling Stamps etc. and whether Government will increase the Commission rates ?

(b) If so, how much and if not why ?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) The existing rate of discount on sale of stamps etc. are as follows :

| For Non-judicial Stamps | At places where Stamps are sold by Government | | At other places | |
|---|---|---|---|---|
| Impressed Hundi Stamps | Percent | Per rupee | Percent | per rupee |
| Impressed Stamps paper | 3·75 | 4 paise | 5·62 | 6 paise |

| | | | | |
|---|---|---|---|---|
| Other stamps not exceeding in value 50p each | 5·62 | 6 paise | 7·5 | 7 paise |
| Ditto exceeding 50, but not exceeding Rs. 10 | 3·12 | 3 paise | 3·75 | 4 paise |
| Ditto exceeding Rs. 10 but not exceeding Rs. 500 | 1·87 | 2 paise | 1·87 | 2 paise |
| Ditto exceeding Rs. 500 but not exceeding Rs. 2000 | 1·5 | 2 paise | 1·5 | 2 paise |

For Court Fee Stamps :

For stamps of the value of one repee or less, 1·87 percent or 2 paise per rupee, for stamps exceeding one rupee but not exceeding rupees four hundred in value, 1·70 percent or 2 paise per rupee, for stamps of higher value 1·50 percent. The above rates have come into force w.e.f. 1st December, 1991. There is no proposal to increase the commission rates.

(b) There is no proposal for raising the rates as they were revised w.e.f. 1st December, 1991.

Re : 200 Bedded Hospital.

Shri Mission Ranjan Das asked :

114. Will the Minister of Health be pleased to state :

a) Whether 200 bedded Hospital will be constructed in the District Headquarter of Karimganj District ?

b) If so, when ?

c) Whether there is any District Headquarter, without 200 bedded hospital if so, names of such Headquarters ?

Shri Gautam Bora (Minister, State Health) replied :

a) Yes, there is a policy of the Government to establish 200 bedded Civil Hospital at District Headquarters and 100 bedded hospital in each Sub-Divisional Headquarters.

b) It will depend upon availability of fund.

c) Yes, Goalpara, Barpeta, Nalbari, Mongaldoi, North Lakhimpur, Tinsukia, Golaghat, Sibsagar, Morigaon, Karimganj, Hailakandi, Bongaigaon.

Re : Licence issued in 1990-91:

Shri Kamal Brahma asked :

115. Will the Minister of Transport be pleased to state:

(a) How many Licences (Bus permit of all Categories) have been issued by the Government during year 1990-91 ?

(b) How many such Licences have been issued to S / T people ?

(c) Whether quota of reservations have been maintained in that behalf and if not why ?

Shri Shio Shambhu Ojha (Minister, Transport) replied :

(a) 1537.

(b) 60.

(c) Yes, to the extent of availability of suitable applicants.

# DISCUSSION ON THE SUPPLEMENTARY STATEMENT OF EXPENDITURE CHARGED ON THE CONSOLIDATED FUND OF THE STATE FOR THE YEAR 1991-92.

Mr. Speaker : Now, the Question Hours is over. Now, I proceed to item No. 2-Discussion, if any on the Supplementary Statement of Expenditure charged on the Consolidated Fund of the State for the year, 1991-92.

*Shri Zoii Nath Sarma : Sir, after that I had a serious complain, if you do not mind regarding a unstarred question in Health মই অভিযোগ দিছিলো৷ কুৰৱী তলীত ডাক্তৰ নাই, কিন্তু সেই সম্পৰ্কত কোনো উত্তৰ নাপালো।

Mr. Speaker : Now, as the Question Hour is over you are to follow the procedure.

*শ্ৰীপ্ৰমোদ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, চাপলিমেণ্টাৰী লিষ্টত List of Supplimentary Demands for Grants and Supplimentary Appropriation for 1991-92. ইয়াৰ দুটা গ্ৰাণ্ট সম্পৰ্কত মই অলপ উল্লেখ কৰিব বিচাৰিছো। প্ৰথমতে গ্ৰাণ্ট নং ১৩ পৰিবহন সেৱাত ২ কোটি ২৩ লাখ ৪০ হাজাৰ টকা, ইয়াৰ ভিতৰত ব্যাখ্যাত কৈছে ৪৫ হাজাৰ টকা (1) An amount of Rs. 65,00,000 is required for purchase of new vehicles, machinery and equipment for taking over new ferries and purchase of materials of the vessels, boats etc as per revised plan allocation made for the purpose. (2) An amount of Rs. 1584,0,000 is required for meeting the shortfall in provision under salaries, wages, maintenance and repairing of vehicles, boats and purchase of P.O L. etc. অধ্যক্ষ মহোদয় এইখিনিৰ ক্ষেত্ৰত এটা কথা কব বিচাৰিছো যে ইয়াত দুটা বিভাগৰ কথা আছে এটা হৈছে পৰিবহন বিভাগ আৰু আনটো আভ্যন্তৰীন জল পৰিবহন বিভাগ, এই দুয়োটা বিভাগৰ পৰিচালনাৰ ক্ষেত্ৰত যিবিলাক অভিযোগ বাতৰি কাকতত উত্থাপিত হৈ আছে আৰু মন্ত্ৰী মহোদয়ে বোধহয়

---

* Speech not corrected.

ভালদৰে জানে যে এই জলপৰিবহন বিভাগৰ অমনোযোগিতাৰ কাৰণে জলপৰিবহন বিভাগৰ দুখন জাহাজ ডুবিছে, ফলত জলপৰিবহন বিভাগৰ সাংঘাটিকভাবে লোকচান হৈছে।

Mr. Speaker : This Grant number is in the list of **Supplementary Demand not in appropriation Grant, you can** discuss in the Cut Motion.

★শ্ৰীপ্ৰমোদ গগৈ : Sir, I am confined two points সেইখিনি ক্ষেত্ৰত অধ্যক্ষ মহোদয়, মই কব বিচাৰিছো পৰিবহন বিভাগে এই বিষয়টো তদন্ত কৰিব লাগে। পৰিবহন বিভাগৰ কৰ্মচাৰী সকলৰ বেতন, ভাত্তা ইত্যাদিৰ কাৰণে ১ কোটি ৫৪ লাখ ৪০ হাজাৰ টকা ধৰা হৈছে। কিন্তু অভিযোগ হৈছে, এই বিভাগৰ কৰ্মচাৰী সকলে ধৰ্মঘট বা ষ্ট্ৰাইক কৰিব বিচাৰিছে, কিন্তু চৰকাৰৰ ফালৰ পৰা কৰ্মচাৰীসকলৰ দাবী পূৰণ কৰাৰ কাৰণে উপযুক্ত ব্যৱস্থা লোৱা নাই তাৰোপৰি পৰিবহন বিভাগৰ যিবিলাক বাছ চলাচল কৰে সেইবিলাকৰ বেছি ভাগতেই খিড়িকী নাই, বৰষুণ আহিলে যাত্ৰীয়ে বাছৰ ভিতৰতে তিতিবলগীয়া হয় আৰু জাৰকালি বতাহৰ কোবত সেইবিলাক বাছত ভ্ৰমণ কৰা অসম্ভৱ হৈ পৰে। কিয়নো বাছবিলাকত গ্লাচ নাই অথচ আনহাতেদি যিবিলাক প্ৰাইভেট বাছ চলি আছে সেইবিলাকে কিন্তু যথেষ্ট লাভ কৰি আছে, কিন্তু চৰকাৰী বাছবিলাকত লোকচান ভৰি আছে। গতিকে পৰিবহন বিভাগে এইবিলাক কথা বিবেচনা কৰা উচিত। তাৰোপৰি পৰিবহনবিভাগৰ যিবিলাক বাছষ্টেণ্ড আছে সেইবিলাকত যদিও আগতে লেট্ৰিন আছিল এতিয়া সেইবিলাক অনুপযোগী হৈ পৰিছে, বিশেষকৈ মহিলা যিসকল যাত্ৰী অহা-যোৱা কৰে তেওঁলোকৰ অশেষ কষ্ট হয়। গতিকে এই-বিলাক বিষয়ৰ ওপৰত বিশেষ ভাবে মনোযোগ দিবলগীয়া হৈ আছে। ২য় বিষয়টো হ'ল আমি দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো—গ্ৰাণ্ট নং ১ৰ পুলিচৰ শিতানত ২২ কোটি ৬৪ লাখ ৬৭ হাজাৰ টকা ইয়াত দেখুওৱা হৈছে। .... an additional amount of Rs. 22,64,67,000 has been sought to provide in the current year's budget to meet the additional requirement for maintenance of law and

---

*Speech not corrected.

order in the State. অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত তেখেত সকলে যিখিনি খৰচ কৰিছে দুটা শিতানত এটা হৈছে—ষ্টেটৰ পুলিচত মটৰ ভেহিকোলৰ কাৰণে ২০ কোটি ৫০ লাখ ৩৮ হাজাৰ টকা আৰু জিলা পুলিচত মটৰ ভেহিকোলৰ কাৰণে ২ কোটি ৫০ লাখ ১০ হাজাৰ টকা আৰু সেই একে বিভাগৰে আন এটা শিতানত ১ কোটি ১৭ লাখ ১৮ হাজাৰ টকা ধৰা হৈছে। এই ক্ষেত্ৰত মই কব বিচাৰিছো পুলিচে যিবিলাক গাড়ী ৰিকুইজিশ্যন কৰে সেই বিষয়ত যিবিলাক অভিযোগ শুনা গৈছে সেইবিলাক সঁচা অভিযোগ। আইন-শৃংখলাৰ নামত পুলিচে এই গাড়ীবিলাক ৰিকুইজিশ্যন কৰি শাসক দলৰ লোকক বিভিন্ন ব্যক্তিগত কামত ব্যৱহাৰ কৰিবলৈ দিয়াটো উচিত নহয়। আমি শুনিবলৈ পাইছো এই ৰিকুইজিশ্যন কৰা গাড়ীবিলাক লৈ তেওঁলোকে বিয়া, মিতিৰ-কুটুম খাবলৈ যোৱা আৰু অন্যান্য কামত ব্যৱহাৰ কৰিছে। গতিকে এই ২২ কোটি টকা আইন শৃংখলাৰ নামত বে-আইনি ভাবে ব্যৱহাৰ কৰি গাড়ীবিলাক ৰিকুইজিশ্যন কৰি ব্যক্তিগত কামত লগোৱাটো অনুচিত হৈছে, গতিকে এই কথাবিলাক লক্ষ্য কৰাটো উচিত আৰু আইন শৃংখলাৰ উন্নতি কৰাৰ কাৰণে চেষ্টা কৰিব লাগে।

সেই কাৰণে মই এইটো কথা উল্লেখ কৰিব বিচাৰিছো, মুখ্যমন্ত্ৰী মহোদয়ে তেখেত্তৰ উত্তৰত কৈছিল যে আইন শৃংখলাৰ ব্যৱস্থা উন্নতিকৰণ আৰু ৰাজ্যখনত শান্তিপূৰ্ণ পৰিবেশ ঘূৰাই অনাৰ কাৰণে চেষ্টা কৰিছে আৰু তাৰ কাৰণে তেখেতে (আলফাক) সংযুক্ত মুক্তি বাহিনীক ধন্যবাদ জনাইছে যে তেখেত সকলে আলোচনাত বহি ৰাজ্যখনত শান্তিৰ পৰিবেশ ঘূৰাই অনাত সহায় কৰিব। কিন্তু বিৰোধী পক্ষৰ লোকসকলে আৰু বুদ্ধিজীৱী আৰু আন আন স্বাৰ্থজড়িত মহলে আলোচনাত বহি ৰাজ্যখনত শান্তিৰ পৰিবেশ ঘূৰাই অনাটো বিচৰা নাই। কিন্তু অধ্যক্ষ মহোদয়, যোৱা কালিৰ 'আজিৰ অসম' বাতৰি কাকতত 'আলোচনা প্ৰক্ৰিয়াক ৰাজ্য চৰকাৰে বাধা দিছে' শীৰ্ষক বাতৰিটোত আলফাৰ সাধাৰণ সম্পাদক অনুপ চেতিয়াই দিয়া বিবৃতি যোগে "অসমত এক শান্তিৰ পৰিবেশ ৰচনা কৰাৰ বাবে ভাৰত চৰকাৰৰ সৈতে প্ৰস্তাৱিত আলোচনা

সম্পৰ্কে প্ৰস্তুতি চলি থকা অৱস্থাত অসম চৰকাৰে পৰিকল্পিত ভাবে সমগ্ৰ প্ৰক্ৰিয়াটোক ধ্বংস কৰাৰ প্ৰচেষ্টা চলাইছে বুলি সংযুক্ত মুক্তি বাহিনী, অসমে এক গুৰুত্বপূৰ্ণ অভিযোগ উত্থাপন কৰিছে।"

*Dr. Ardhendu Kumar Dey (Minister, Food and & Civil supplies) : Sir, he cannot debate on this now.

★শ্ৰীপ্ৰমোদ গগৈ : অধ্যক্ষ ডাঙৰীয়া, সেই কাৰণে আমি বিচাৰো যে শান্তিপুৰ্ণ পৰিবেশ হোৱা উচিত। আমি এইটোও বিচাৰো চৰকাৰে যি ২২ কোটি টকা লব আইন শৃংখলা ৰক্ষাৰ নামত সেইটো যাতে প্ৰকৃততে ব্যৱহৃত হয় আৰু সেই ধন গাড়ীত বা অন্যান্য দলীয় স্বাৰ্থত ব্যৱহাৰ নকৰে।

*শ্ৰীচন্দন সৰকাৰ : অধ্যক্ষ মহোদয়, আমি লক্ষ্য কৰিছো তেখেতে কলে যে শাসক দলৰ সদস্যসকলৰ কাৰণে ৰিকুইজিশ্যন গাড়ী পুলিচৰ পৰা দিয়া হৈছে। তেখেতৰ ওচৰত ইয়াৰ কিবা প্ৰমাণ আছে নেকি ?

Shri Haliram Terang : Mr. Speaker Sir, I would like to take part in the general discussions on grants. Now I will confine to only a few points. Now, the grant No. 53 Diary Development. Sir, Government has sought this amount of Rs. 3,50,000 for implementation of Creamery Scheme at Baithalangsu. Sir, this is in the 6th Schedule areas. There has been demand to establish this Scheme at Baithalangsu. Government also established a Milk Supply plant at Baithalangsu. But I have not seen any benefit from the plant. People do not know anything of this plant. So the people of the locality raised doubts whether they would get any benefit out of this plant. So I would like to know from the Minister this Creamery Scheme at Baithalangsu will give any benefit to the people. Then Sir, regarding Power, Electricity. There has been a decision

* Speech not corrected.

for privatisation of certain organisation like A.S.E.B. from the very initiative of the Government to solve the problems of power, transport etc. I think Government is very much concerned about some positive demands for the benefit of the people of Assam. Sir, it was Assam State Electricity Board who installed the Umtru Projects and also other Projects and these Projects are now functioning well. Then Sir, why the State Electricity Board of Assam cannot compete with the Umtru Project of Meghalaya. I cannot understand the reason. The other point is when they made survey for Karbi Lungpi Project, the employees of the ASEB resorted to agitation: They are demanding some basic facilities. I would not go into details. Instead of coming to a negotiation with the employees, the Government declared the movement illegal. Some reconciliation could have been made in the interest of power supply and its employees.

Since we do not have much time. I want to say a few words on medical and health services. The Assam Junior Doctors Association had been lunching agitation for fulfilment of some basic demands. They resorted to cease work for so many days and people of Assam had been facing many problems. After prolonged cease work, Government of Assam agreed to sit with the Assam Medical Service Association, and I understand, Government came to an agreement that they will fulfil the demands within 3 months, which expires in February. Sir, it was, I believe, on 6th or 7th March, the Assam Medical Service Association again gave a statement reminding the Government of Assam

that their demands are yet to be fulfilled. This is bad. They get promotion only after so many years of services. There is no provision for improvement of their ranks. Government must see to their well being and for better service conditions. Then Sir, what was the agreement and who made the agreement. It was the agreement by the Minister concerned, by the Cabinet that their demands will be fulfilled within 3 months. The demands are not yet fulfilled and if the doctors again resort to strike it will badly affect the people.

Mr. Speaker : This discussion is only on supplementary grants. Under Rule 152, the debate on supplemntary grants shall be confined to the items constituting the same and no discussion may be raised on the original grants nor policy underlying them same in so far as it may be necessary to explain or illustrate the particular items under discussion. So it should be confined to the supplementary demands only. Here only consolidated fund you can discuss.

Shri Haliram Terang : In the explanatory notes under Grant No. 14, Police, it is stated that an additional amount of Rs. 22,64,67,000 has been sought in connection with maintenance of law and order in the State. Sir, we are facing financial problems not only in the State of Assam but in the whole of India. In this period we do not see any reason why we should give more money to the Police for using CRPF, BSF and Army personnel. With this amount I believe we ean do so many developmental works

including completion of some projects for supply of power in the State. What I am saying is that since the Government says that law and order situation has improved, Government should stop giving more money to the Army, CRPF, BSF etc. and to remove the Armed Forces Act, to remove the Disturbed Areas Act etc. Since the Government said, law and order situation has improved the law and order situation can be maintained by our own forces and the money could be utilised for other developmental works. With these words I conclude Sir.

★Shri Hitendra Nath Goswami : Sir, in the Statement of Supplementary Demand for Grant No. 63, it is stated that an additional amount of Rs. 400 crores is to be voted. But in the Explanatory Note the figure is Rs. 200 crores. Which is correct Sir ?

Shri Devananda Konwar (Minister) : I think, it is a printing mistake, it is 200 crores.

*Shri Hitendra Nath Goswami : If it is 200 crores, then I have nothing to say, but if it is 400 crores, I shall have to say a lot of things.

★Shri Devananda Konwar ( Minister ) : Sir, I have stated in my earlier speech everything regarding privatisation, generation, transmission and distribution etc. which should be given to the private party. Under any circumstances whether by privatisation or provincialisation, the need for generation of power will be there and at the proper time the Government will decide and let you

* Speech not corrected.

know what Government has been done .... .... ....

★Shri Dewan Jaynal Abedin : Sir, I would like to refer to only Grant i. e. Grant No. 29. The amount of Rs. 11 lakhs..........

Mr. Speaker : The Hon'ble Member should know that Grant No. 29 has not been taken up yet. The statement of supplementary demands for appropriation for 1991-92 to Grant No. 3, 8, 14, 17, 26, 37, 38, 39, 52, 55 and 63. Any member who may desire to participate in raising any discussion of Supplementary statement of expenditure charged on the consolidated fund of the state for the year 1991-92 may raise discussion strictly confining to the points. No other grants except the above can be raised in this item.

*শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, মই কেইটামান বিষয়ে আপোনাৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো ।

মাননীয় অধ্যক্ষ : This is a discussion on the Supplementary Demands for Grants. আপুনি কিহৰ ওপৰত কব ?

*শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, এইটো মই জানো। যদি ইয়াত ভুলকৈ ব্যাখ্যা দিছে তেনেহলে আমি জেনেৰেল দিচকাচন কৰিব পাৰো।

মাননীয় অধ্যক্ষ : এইটো ইয়াত কব নোৱাৰে।

*শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, মই মাত্ৰ ৩টা বা ৪টাৰ ওপৰতহে কম।

মাননীয় অধ্যক্ষ : আপুনি ৭ টাৰ ওপৰতো কব পাৰে।

*শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, কথাটো হৈছে যে, পৰিপূৰক মঞ্জুৰীৰ শিতানত ১১৪ কোটি ৩২ লাখ টকা অতিৰিক্ত পুঁজি বিচৰা হৈছে।

*Speech not corrected.

কিন্তু প্ৰশ্ন হৈছে যে, যেতিয়া আমাৰ বাজেট কৰে তেতিয়া চৰকাৰে প্ৰকৃত এন্টিচিপেশ্যন কৰা নাছিল নেকি? কাৰণ ১১৪ কোটি টকাটো এটা হিউজ দিফাৰেন্স হৈছে। চৰকাৰৰ মিচ মেনেজমেণ্ট হৈছে। চৰকাৰে বাজেটখন প্ৰপাৰলি এনটিচিপেট কৰিব পৰা নাই। এইটো এটা সাংঘাটিক কথা হৈছে। আমি ইয়াত দেখিছো যে, নগৰ অঞ্চলৰ ইলেকচনৰ কাৰণে ৫০ লাখ টকা বিচাৰিছে, কিন্তু এই ৫০ লাখ টকা ৩১ মাৰ্চৰ আগতে ক'ত খৰচ কৰিব? আৰবান এৰিয়াত, গুৱাহাটী কৰ্পোৰেশ্যনত অন্যান্য টাউন কমিটীত বা মিউনিচিপাল কমিটীত ইলেকচনৰ ডেইট্ ঘোষণা নকৰাকৈ ৫০ লাখ টকা ক'ত খৰচ কৰিবলৈ ধৰা হৈছে? ৩১ মাৰ্চৰ পিচত আমাৰ নতুন বাজেটৰ টকা আহিব। সেই টকা ক'ত ৰাখিব? চৰকাৰৰ বিভাগবিলাকৰ ভিতৰত মাত্ৰ পি, ডব্লিউ, দি বিভাগেহে টকা ৰাখিব পাৰে। আজিৰ দিনৰ পৰা ৱৰ্কিং ডেইজ্ মাত্ৰ ৮/৯ দিনহে আছে। তেনেস্থলত এই ৫০ লাখ টকা ক'ত খৰচ কৰিব? আমাৰ মিউনিচিপাল মন্ত্ৰী মহোদয় এতিয়া হাউচৰ পৰা ওলাই গৈছে, কিন্তু বিত্তমন্ত্ৰী আছে। গতিকে মোক এই প্ৰশ্নটোৰ উত্তৰ লাগে। দ্বিতীয়তে, জৱাহৰ নগৰৰ অতিথিশালাৰ বাবেও ৩৪ লাখ টকা বিচাৰিছে। এই টকা কেতিয়া ক'ত খৰচ কৰিব? তৃতীয়তে, দিল্লীৰ গেষ্ট হাউচত মুখ্যমন্ত্ৰীৰ কাৰণে এখন কনটেচাৰ গাড়ী কিনাৰ বাবে ৩ লাখ ৫০ হাজাৰ টকা বিচাৰিছে? এমবেচেদৰ গাড়ীৰে নহয় নেকি? প্ৰধান মন্ত্ৰীও কনটেচাৰ গাড়ীত উঠা নাই। আমাৰ দুখীয়া ৰাজ্যখনৰ অৰ্থনৈতিক সংকটৰ সময়ত কিয় এই কনটেচাৰ কিনিব লগা হৈছে? গতিকে এই তিনিটা প্ৰশ্নৰ ওপৰত মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ বিচাৰিছো। উত্তৰ পালে আৰু আলোচনা কৰিম।

মাননীয় অধ্যক্ষ : সকলো প্ৰশ্নৰ উত্তৰ একেলগে দিব।

*শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা ক্লিয়েৰিফিকেচন বিচাৰিছো। এইটো পালে আকৌ আলোচনা কৰিম।

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : সকলোখিনি কৈ লওঁক তাৰ পিছত উত্তৰ দিম।

---

*Speech not Corrected.

*শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মই তিনিটা গ্ৰাণ্টৰ এক্সপ্লেনেটৰী নোটৰ ওপৰতেই কম । সেই কথা কবলৈ যাওতে দুই এটা বাহিৰা কথাও সাঙোৰখাই পৰিব পাৰে । মই প্ৰথমে গৃহ বিভাগৰ কথাই কবলৈ ওলাইছো । আইনশৃঙ্খলাৰ কাৰণে যিখিনি টকা বিচাৰিছে সেইখিনি আমি দিম, ইয়াত আমাৰ আপত্তি নাই । কিন্তু তাৰ আগতে মই মাননীয় মুখ্যমন্ত্ৰীৰপৰা কেইটামান প্ৰশ্নৰ ক্লিয়েৰিফিকেশ্যন বিচাৰিম—যিটো বিষয় ইয়াৰ লগত জড়িত । পুলিচ বিভাগে গাড়ী ৰিকুইজিচন কৰাৰ বিষয়ে মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰীয়াই কৈছেই । মই পেট্ৰোলৰ কথাহে কব খুজিছো । পুলিচ বিভাগত আমাৰ আজিও এনে কিছুমান ভালজাতীয় গাড়ী আছে যিবোৰ ১ লিটাৰ পেট্ৰোলত মাত্ৰ দুই বা তিনি কিলোমিটাৰ বাট যায় । আইন শৃঙ্খলাৰ নামত যিমান টকা লাগে লওঁক । আজি বিজ্ঞানৰ যুগত ১ লিটাৰ পেট্ৰোলত ১৫-২০-২১ মাইল যোৱা গাড়ী আছে, গতিকে ১ লিটাৰত ২ মাইল যোৱা গাড়ী কিয় ৰাখিব লাগে ? এই বিষয়ে অনুসন্ধান কৰি ব্যৱস্থা লব লাগে । আজিৰ বাতৰি কাকতত পাইছো—মুখ্যমন্ত্ৰীয়ে শান্তিৰ বাতাবৰণৰ কথা কৈছে—তাত আমি ভাল পইছো । আনহাতে অনুপ চেতিয়াই বাতৰি কাকতত কৈছে যে আলোচনাৰ পৰিৱেশত চৰকাৰে বাধা দিছে । আনহাতে চৰকাৰে ওলোটাই কৈছে যে আলোচনাত কিছুমান মানুহে বাধাৰ সৃষ্টি কৰিছে । শাসক দলৰ সদস্যসকলে অভিযোগ কৰে যে বিৰোধী দলৰ সদস্যসকলে বিৰোধিতা কৰিব লাগে কাৰণেই কৰি থাকে । শাসক দলৰ মন্ত্ৰী আৰু বিধায়ক সকলে এটা কথাই কৈ থাকে যে স্পেচিফিক্ তথ্য লাগে । আজি মই স্পেচি-ফিক্ উদাহৰণ দিব খুজিছো চৰকাৰ পক্ষক । আজি অসমত আৰ্মি একচন চলি আছে । .

মাননীয় অধ্যক্ষ : আপুনি গ্ৰাণ্টৰ ওপৰত কওঁক ।

*শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, আইন শৃংখলাৰ লগত জড়িত কথা । আলোচনা নকৰাকৈ আমি কিয় টকা দিম । ডাঃ দে, আপুনি কিয় মাত মাতিছে, আপুনিটো পাৰ্লিয়ামেণ্টেৰী মিনিষ্টাৰ নহয় ।

*Speech not Corrected.

*Dr. Ardhendu Dey (Minister, supply) : Sir, as a member of the House I can say anything .... ....

*Shri Chandra Mohan Patowari : No you cannot. You should know when to speak.

অধ্যক্ষ মহোদয়, যোৱা ১০-৩-৯২ তাৰিখে, আচাম ভেলী, 'নামৰ বেচৰকাৰী পৰিবহনৰ গাড়ী নং এ-এচ-০১-৬১৪০ গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ যোৱা বাছখনৰ ১১, ১২, আৰু ১৩ নম্বৰ চিটত যোৱা শ্ৰীঅনন্ত গগৈ, তেখেতৰ পৰিবাৰ শ্ৰীমতী এচ, গগৈ আৰু আন এগৰাকী ভদ্ৰ মহিলাক বাটত আৰ্মিয়ে অশালীন ব্যৱহাৰ কৰিছে। তেখেত সকল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কেম্পাচৰ ওচৰত নামি কেম্পাচলৈ যায়। আৰ্মিয়ে অশালীন ব্যৱহাৰ কৰাৰ বিষয়ে এইটো মই স্পেচিফিক উদাহৰণ দিছো। প্ৰমাণ দিছো। আৰু অনুৰূপ চেতিয়াৰ কথা কৈছোৱেই। মাননীয় অধ্যক্ষ মহোদয় আমি ৰাষ্ট্ৰবিৰোধী কথা কোৱা নাই। সঁচা কথাহে কৈছো। তিনি নম্বৰৰ কথা হৈছে, বিদ্যুৎ বিভাগৰ কথা। এইটো বিভাগে কি কৰিছে তাক সকলোৱে জানেই। মুখ্যমন্ত্ৰীৰ ওচৰলৈ কেন্সাৰ ৰোগী সাহাৰ্য্য বিচাৰি আহিলে ৪৫ হেজাৰলৈকে টকা পায়। কিন্তু বোৰ্ডৰ বৰ্তমান যি গৰাকী চেয়াৰমেন আছে তেওঁ মাহেকত ভ্ৰমণ বানচ আৰু মেডিকেল বানচ লয় ১৫ হেজাৰ টকালৈ। পাৱাৰ জেনেৰেচনৰ ক্ষেত্ৰত আজি পাৱাৰ নাই। কিন্তু চেয়াৰমেন গৰাকীক দিল্লীত ৰাখি মাহে ১৫ হেজাৰলৈকে টকা দি আছে। অথচ বোৰ্ডে কোটি কোটি টকা লোকচান দেখুৱাইছে। চেয়াৰমেন গৰাকী কি এনে এক্সপাৰ্ট লোক যে ইমান টকা খৰচ কৰি তেওঁক দিল্লীত ৰাখিছে। তেওঁ নহলেও বোৰ্ড চলিব পাৰিব।

মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া পৰিবহন বিভাগৰ মন্ত্ৰীৰ এটা বিষয়লৈ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। তেখেতে মোক জোৱাই বুলি কয়। তেখেতক মই সমালোচনা বা বেয়া বুলি কব খোজা নাই। এই বিষয়টোৰ বিষয় তেখেতক মই আগতেই কৈছিলো কিন্তু একো কাম হোৱা নাই কাৰণে আজি সদনত কথাটো উলিয়াইছো। মন্ত্ৰী মহোদয়ে আৰু লগতে তেখেতৰ

* Speech not corrected.

সচিৰক লৈ নিজে যায় বা বিভাগৰ অন্য দুজন মানুহক জৰ্জ ফিল্ডলৈ য'ত এ. এচ. টি. চিৰ চিটি বাছ থাকে তালৈ পঠাই দিলেই দেখা পাব যে আধা-ঘণ্টা বা তাৰো আগতেই বাছত ধকা মাৰি ষ্টাৰ্ট দি থয়। বাছবোৰ কিয় এনেকৈ বহুত আগতেই ষ্টাৰ্ট দি থয় এই বিষয়ে বিভাগৰ এজন লোকক সোধাত তেওঁ কলে যে বাছবোৰ অতি পুৰণা আৰু বেয়া, সেয়ে ধাক্কা মাৰিহে ষ্টাৰ্ট দিব পাৰি। এবাৰ ষ্টাৰ্ট বন্ধ হ'লে অসুবিধা হয় সেয়েহে এনেকৈ ৰখা হয়। বাছবোৰ এনেকৈ ষ্টাৰ্ট কৰি ৰখাৰ কাৰণে বহুতো তেল বা ডিজেল এনেয়ে পুৰি থাকে। এ, এচ, টি, চিয়ে এনেয়েও বহুত টকাৰ লোকচান দেখুৱাইছে। গতিকে এই বাছবোৰ হয়তো কেইটামান টকা খৰচ কৰিলেই ঠিক হৈ যাব কিন্তু তাকে কৰা নাই আৰু তেলৰ অপচয় চলিছে বিভাগত। এতিয়া কোনোবা এজন জৰ্জফিল্ডলৈ গ'লেও এই অৱস্থা দেখিবলৈ পাব। এ, এচ, টি, চিয়ে বছৰি কোটি কোটি টকাৰ লোকচান দেখুৱাইছে। কিন্তু আনহাতে ব্লুহিলচ বা অন্য প্ৰাইভেট পৰিবহন গোটে এখন বাছৰ পৰা ১০ খন বাছ কিনিছে— তেওঁলোকে ইমানেই লাভ কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, মই আৰু এটা কথাৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো, আপুনি গধূলি ৫-৩০ বজাৰ পৰা ৯ বজাৰ ভিতৰত পল্টন বজাৰলৈ এবাৰ যাওঁক। তাত দেখিব, প্ৰাইভেট বাছবিলাকে পাব্লিক ৰোডৰ ওপৰত ভিৰ কৰি আছে। তেওঁলোকৰ কোনো নিজা ষ্টেণ্ড নাই। মানুহ অহা যোৱা কৰা ৰাস্তাৰ ওপৰতে গাড়ীবোৰ ৰাখি যাত্ৰীবোৰ উঠা-নমা কৰি থাকে। ফলত সেই ফালেৰে মানুহ খোজ কাঢ়ি অহা-যোৱা কৰা নাইবা চাইকেল, ৰিক্সা, সৰু গাড়ী চলাই অহা-যোৱা কৰাটো অসম্ভৱ কথা। মই এইটোৱেই কব খোজো যে যদি তেওঁলোকৰ নিজা ষ্টেণ্ড নাথাকে তেন্তে ৰাজহুৱা ৰাস্তাৰ ওপৰত গাড়ী ৰাখি গাড়ী চলাবলৈ কোনো প্ৰয়োজন নাই। এই কাৰণে মই আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিলো। কোনো এখন সভ্য দেশত অসভ্যৰ দৰে গাড়ী ৰখাৰ ব্যৱস্থা থাকিব নোৱাৰে তাৰোপৰি গুৱাহাটীত চলা মিনি বাছ কেইখন হৈছে বৰ্তমান পথ দুৰ্ঘটনাৰ মূল কাৰণ। এজন মিনিবাছ

* Speech not corrected.

চলোৱা ড্ৰাইভাৰ এজনক মই সুধিলো—বাছখন কিয় ইমান জোৰেৰে চলাব লাগে? তেওঁ ক'লে—এইটো আমাৰ কমপিটিচনৰ কথা। সোনকালে গৈ পালেহে বেছি টকা উঠিব, মালিকে ভাল পাব। এইটো হৈছে ড্ৰাইভাৰ লেভেলৰ কথা। তাৰ পিছত আহিলো অফিচাৰ লেভেললৈ। কাম নহ'ল। তাৰ পিছত এতিয়া আহিছো অধ্যক্ষৰ লেভেললৈ।

( ভইচ-শহুৰ হিচাপে কৈছে নেকি?)

শহুৰ হিচাপেই কৈছো। কিন্তু কেৱল শহুৰ কলেইটো নহব। শহুৰক ক'লে তেওঁ কব জোৱাইয়ে বা কি কয়? সেয়েহে মই শহুৰ জোৱাই সকলোকে কৈছো। আশা কৰো এই বক্তব্যৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, উদ্যোগৰ বিষয়ে যদিও ইয়াত নাই তথাপি আপোনাৰ অনুমতি লৈ দুআষাৰ কব খোজো। অসমত সামগ্ৰী কেঁচা আছে, কিন্তু উদ্যোগ নাই। আৰু যি কেইটা আছেও সেই কেইটা কেঁচা সামগ্ৰীৰ অভাৱত বন্ধ হৈয়ে থাকে। আমাৰ অসমত ইণ্ডিয়া কাৰ্বন নামৰ যিটো উদ্যোগ আছে সেইটো কেঁচা সামগ্ৰীৰ অভাৱত বছৰত ৪ মাহ চলে আৰু ৮ মাহ বন্ধ হৈ থাকে। কিন্তু ইয়াৰ পৰা ৰপ্তানী হোৱা কেঁচা সামগ্ৰীৰে কলিকতাত একে উদ্যোগ চলি আছে। দ্বিতীয়তে টেনেৰী উদ্যোগৰ কথা কওঁ। এই উদ্যোগটো অসমত বছৰত দুমাহহে চলে। বাকী ১০ মাহ বন্ধ হৈ থাকে। কিন্তু ইয়াৰ পৰা ৰপ্তানী হোৱা কেঁচা মালেৰে কলিকতাত তিনিশটা চলি আছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বৰ্তমান উদ্যোগ মন্ত্ৰীজন ডাইনেমিক বুলি জানিব পাৰিছো। সেয়েহে আশা কৰো, অসমত যিখিনি কেঁচা সামগ্ৰী আছে সেইখিনিৰে অসমৰ উদ্যোগসমূহ সজীৱ কৰে যেন।

শ্ৰীমিহিৰ ৰঞ্জন দাস : মাননীয় অধ্যক্ষ মহোদয়, গ্ৰান্ট নং ৮ 'এ ট্ৰেন্স-পোৰ্ট সাৰ্ভিসের জন্য ২ কোটি ২০ লক্ষ ৪০ হাজার টাকা চাওয়া হয়েছে। এই ব্যাপারে আমাদের কোনও আপত্তি থাকতো না যদি এই ট্ৰেন্সপোৰ্ট সাৰ্ভিস কৰ্তৃক জনসাধাৰণ প্ৰকৃতপক্ষে উপকৃত হতো। দীৰ্ঘদিন যাবৎ আমৰা দেখে আসছি যে ট্ৰেন্সপোৰ্ট সাৰ্ভিস একটা লোকসানজনক প্ৰতিষ্ঠান হয়ে দাড়িয়েছে। এই বিভাগ থেকে জনসাধাৰণ প্ৰকৃতপক্ষে কোনও সুযোগ সুবিধা

লাভ করতে পারেনি। পরিবহন নিগমের কোনও বাস সময় মত চলাচল করে না। মোটকথা প্রত্যেকটা লেভেলে দূর্নীতির জন্য সরকারের গ্রান্টের টাকা জনসাধারণের কোনও উপকারে আসে না। বাস্তব অভিজ্ঞতা থেকে দেখেছি যে প্রাইভেট বাসের মালিকরা নিজেদের গাড়ী থেকে লাভ অর্জন করতে পারেন। একটা বাস দিয়ে ব্যবসায় শুরু করে তিনিটা করতে বেশী-দিন লাগে না। অথচ 'এ এস টি সি'র কেবল লোকসানই হয়। সুতরাং এই বিভাগকে পয়সা দেওয়ার অর্থই হলো জনসাধারণের পয়সার অপচয়। দূর্নীতির ফলেই এই টাকা নষ্ট হয়ে যায়। আমার বিশ্বাস যে এই যে টাকার জন্য সরকার পক্ষ বিধান সভায় এসেছেন এই টাকাও দূর্নীতির ফলে অপচয় হবে। টাকাগুলো অসৎ লোকের পকেটে যাবে। এই জন্যই এই ব্যাপারে আমার আপত্তি।

Shri Parameswar Brahma : Sir, I want to submit some important points in this particular discussion on Transport. On Transport, many things have been discussed. My concern is that the service and working of the Assam State Transport is horrible. I met the Transport Minister to discussed for making the Transport services available particularly in the Tribal areas. In the discussion, I have pointed out that there are no Transport services from Gossaigaon to Guwahati and from Dhubri to Gossaigaon. Similarly, there are not available in many vital connecting roads linking the towns in the Kokrajhar District. As stated by Hon'ble Member, Shri Gogoi, the sanitation condition in the Transport Offices and stations is deplorable in the State. The condition is similar in the Kokrajhar District also. This Assam State Transport Corporation being a leading public

utility service Corporation, of the State, it has not given any proper attention in this regard. In regard to employment position of the tribals and other backward classes in the Transport Corporation, the Transport Minister has written that out of about 6600 posts meant for these classes, the posts of 268 for SC and .92 for ST could not be filled up. As such, there is a backlogs. The Hon'ble Transport Minister has not mentioned how to fulfill the backlog. I expected that as one of the most important State undertakings like the State Transport should have taken proper measures for proper representation of the SC/ST (P) community and the security and safeguards given by the Constitution to them should have been guaranted. The Transport services be made available even in the interior tribal dominated ares. But he alledged that if Transport services have not made available, like Blue-Hills private bus etc. we also to come to Guwahati on different business. He has not given any interest in giving Transport bus communication. Who is of serious concerned, the State Government is responsible for this. And in Education, I want to mention it that for TSP, there is separate head. But this TSP fund, we do not know whether properly every year utilised for the interest of the tribal Education or not, But what we come across now, the condition of Educational problems of tribal people specially Bodo medium School is diplorable which is due to negligence and lack of proper attention of the

Government. What amount is fiixed for the development of plains tribal Education could not properly looked after by DPI. I sometimes met Education Minister and apprised him the need for separate Director for plain tribal Education so that they can give proper attention exclusively for the Educational development of tribal people. It is necessary and it must be created for being Educationally developed and to remove Educational problem with exclusive attention a seperate Directorate for plains tribal Education with separate budget power need be created.

In revenue, I want to draw the attention of the Government that there has been an item of maintenance of land records It is the matter of discussion that there are certain Belts and Blocks under the tribal dominated areas. The land under these Belts and Blocks should be protected for the tribal people. Under Assam Land Revenue Regulation Act 1886 in Chapter 10 not a single plot of lands of tribal people has been protected till today. The Government has been allowing lands of Belts and Blocks to the non-tribals illegally. And the tribal people living in Forest areas have been evicted mercilessly without any Government protection. These people have been evicted at any time. So in this respect the Government should give proper recording how much lands of Belts and Blocks have been encroached illegally by non-eligible non-tribals. So that tribal peoples can get back their lands and start their lives as others. Tribal people living in Gohpur areas and

other forests areas for 40 years have also not been given settlement. They are now becoming refugees in their lands owing to landless by illegal land transfer. In medical it has already been discussed particularly of the tribal areas which have been neglected by Medical Department. Medical Department has become irrelevent and irresponsible contrary to its basic ethics. Because Medical Department do not pay any attention to provide minimum services in the tribal areas and here again about the posting of doctors which we have already discussed. Even in the high level medical officials there is corruption and there is prejudice. They do not want doctors to serve in the tribal areas. Doctors manage the transfers with the help of medical officials any where as they live. For that they put blame on Bodoland movement. I have mentioned that in the Kokrajhar district the posting of doctors have been taken politically. We have talked about X-Ray machines and other apparatus, this has not been made available. Even after repeated discussions nothing has been done to that effect. They should know the basic ethics of Medical Science. And here in Guwahati Medical College some amount have been allotted from supplementary budget. I want to draw the attention of the House that this time there is an ordinance that Post-graduate courses in the medical colleges would be given from Guwahati Medical College. In PG course under the different Universities or Institutions there are reservation of SC, ST(P) and ST(H).

Reservation for ST(P) 10%, 5% to ST(H) and 7% to SC. Now contrary to this accepted provision of Government of India, in Assam, it is being going to be violated and this Assam Medical College with the ordinance of 1990 has reserved only 10% to the SC, ST(P), ST(H). It may be accorded in consistent with other universities where we have been given reservation of 22%. So that we can also get special scope of getting specialised education on medical sciences. Because of not having sufficient numbers of tribal doctors, other doctors belonging to other community are not willing to go to the tribal areas to serve. Therefore the tribal people suffer and die of a simple disease which is easily curable. It is my request that in Assam, the reservation of seats for Post-graduate studies in medical sciences should be 27% which is given by other medical cources in PG medical cources. So with this view I request Government and the House to give special attention towards the problems of tribal people. I stop. Thank you.

*শ্ৰীকৰেন্দ্ৰ বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, মঞ্জুৰী তালিকাৰ ১২নং মঞ্জুৰী জিলা প্ৰশাসনৰ বিষয়ে দুটামান কথা কব বিচাৰিছো । প্ৰশাসন বিকেন্দ্ৰীকৰণ কৰাৰ উদ্দেশ্যে ইতিমধ্যে কেবাটাও মহকুমা গঠন কৰা হৈছে । এই চৰকাৰৰ দিনতে ইতিমধ্যে তিনিটা মহকুমা কৰাৰ কথা মুখ্যমন্ত্ৰী মহোদয়ে ঘোষণা কৰিছে । এটা কথা কবলৈ বাধ্য হৈছো, তেখেতে নিজৰ সমষ্টি নাজিৰাতে এটা মহকুমা গঠন কৰি লৈছে । কিন্তু জনজাতি অঞ্চলত যিবিলাকত মহকুমা কৰাৰ ফিজিবিলিটি আছে সেইবিলাকত কিন্তু কৰা নাই । ওদালগুৰি মহকুমাৰ

* Speech not corrected.

টংলা আটাইতকৈ পুৰণা চহৰ। গোটেই চহৰখনতে বিভিন্ন বিভাগৰ সংমণ্ডল সমূহ আছে, জলসিঞ্চন, জনস্বাস্থ্য কাৰিকৰী বিদ্যুৎ আদি মণ্ডল কাৰ্য্যালয় পৰ্য্যন্ত আছে। আৰু ইয়াৰ আশে পাশে ১১ খন চাহ বাগিছা আছে। আনহাতে টংলাৰ ওচৰত ভেৰগাৱঁত অলপতে এখন আই, টি, আই হৈছে। গতিকে ইয়াত এটা প্ৰশাসনীয় মহকুমা কৰা অতি প্ৰয়োজন। আশা কৰো টংলাক এটি প্ৰশাসনীয় মহকুমা অতি সোনকালে ঘোষণা কৰিব।

দ্বিতীয়তে জলসিঞ্চনৰ ক্ষেত্ৰত মঞ্জুৰী নং ৩৫ ৰ সংক্ৰান্তত কব বিচাৰিছো ওদালগুৰী মহকুমাৰ ধনশিৰি জলসিঞ্চন আঁচনিটোৱে হৈছে অসমৰ ভিতৰত ডাঙৰ আঁচনি। আজি ১৬ বছৰৰো অধিক হ'ল তাৰ চেনেলবিলাকেই সম্পূৰ্ণ হোৱা নাই। এই আঁচনিটো সম্পূৰ্ণ নোহোৱাৰ কাৰণে ধনশিৰি যিটো আগৰ নৈ আছিল সি আৰু বেছি খৰস্ৰোতা হৈ গৈছে। ফলত ই বিভিন্ন অঞ্চলত গড়াখহনীয়াৰ সৃষ্টি কৰিছে, ফলত ৰৌতা মাজবাট অঞ্চলৰ বহু জনজাতি লোকৰ মাটি নাইকীয়া কৰিছে। গতিকে অতি সোনকালে এই ধনশিৰি প্ৰকল্পটো সম্পূৰ্ণ কৰিব লাগে আৰু তাত কেবাটাও শক্তি মেগাৱটৰ হাইড্ৰো ইলেকট্ৰিক প্ৰজেক্ট কৰিব লাগে। এই গোটেইখিনি কথাৰ এটা স্পষ্ট প্ৰতিশ্ৰুতি পাম বুলি আশা কৰিলো।

৬৪ নং মঞ্জুৰী গড়কাপ্তানী বিভাগৰ বিষয়ে কব বিচাৰিছো দৰং জিলা আৰু কামৰূপ জিলাৰ সংযোগ পথত আছু আৰু আমছু আন্দোলন অৰ্থাৎ আজি ১০ বছৰৰ পৰা ঋামগাৱঁত থকা দলংখন ভাঙি আছে। বৰনদীৰ ওপৰৰ এই দলংখন সম্পূৰ্ণ নোহোৱা কাৰণে জনগণৰ বহুত অসুবিধা হৈছে, তেওঁলোকে আজি গুৱাহাটীহৈ ঘূৰিব লগা হৈছে। এই দলংখনৰ দুয়া মাথাত আমি দুজন বিৰোধী সদস্য এফালে ৰঙিয়া আনফালে মই। গতিকে এই দলংখনৰ কাৰণে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। আনহাতে এই অঞ্চলত ১১ খন চাহ বাগিছা আছে। এই বাগিছা সমূহৰ পৰা চৰকাৰে ৰয়েল্টি লৈ আছে গতিকে ৰাস্তা বিলাক উন্নতি কৰি দিব লাগে। টংলাৰ পৰা চিকাৰী বাঘৈহৈ যিটো ৰাস্তা—তাক দিফেন্স ৰোড বুলি কৈছে, মই দিফেন্সৰ লগতো যোগাযোগ কৰিছো। এই ৰাস্তাটো অতি সোনকালে পকীকৰণ কৰাৰ ব্যৱস্থা

কৰিব লাগে। এইখিনিকে কৈ চমু ভাষণৰ সামৰণি মাৰিলো।

(Bell rang)

মাননীয় অধ্যক্ষঃ আমাৰ সময় বৰ কম। পৰিপূৰক দাবীৰ বিবৃতিৰ ওপৰত সদস্য সকলে মাত্ৰ সাধাৰণ ভাবেহে উৎথাপন কৰিব পাৰে ২/১ মিনিট কৰ।

শ্ৰীপানীৰাম ৰাভাঃ অধ্যক্ষ মহোদয়, মই সংক্ষেপে দুটামান কথা কব বিচাৰিছো। আজি ২/৩ বছৰ আগলৈ বৰমাৰ পৰা নিকাছিহে সোৱণখাটালৈ পৰিবহনৰ বাছ চলিছিল। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে জানে যে বাস্কা অঞ্চল জনজাতি অধ্যুষিত অঞ্চল। এতিয়া পৰিবহন বাছ মাত্ৰ বাগানপাৰালৈ যায় সোৱণখাটা নাপায়গৈ। সোৱণখাটা হিমালয় পৰ্বতৰ ওচৰৰ ঠাই আৰু গোটেই মানুহখিনি জনজাতিৰ মানুহ। তালৈ কোনো বাছ নচলাৰ কাৰণে সেই অঞ্চলৰ লোকসকল খোজকাঢ়ি আহিবলগা হৈছে। গতিকে আত সোনকালে সোৱণখাটা অঞ্চললৈ পৰিবহনৰ বাছ চলোৱাৰ ব্যৱস্থা কৰিব লাগে।

শিক্ষা বিভাগ বৰ্ত্তমান সময়ত আটাইতকৈ গুৰুত্বপূৰ্ণ বিভাগ। এই বিভাগে বহুতো নীতি নিৰ্দ্ধাৰণ কৰিছে। কিন্তু এতিয়ালৈকে কিমান বড়ো মাধ্যমৰ বিদ্যালয়, ৰাভা মাধ্যমৰ বিদ্যালয়, মিছিং মাধ্যমৰ বিদ্যালয় প্ৰাদেশীকৰণ কৰিব তাৰ কোনো স্পষ্ট নীতি ঘোষণা কৰা নাই। গতিকে এই বিষয়ে এটা স্পষ্ট নীতিৰ আজি আভাষ পাম বুলি আশা কৰিলো। ১৯৮৫ চনতে নলবাৰীক জিলালৈ ৰূপান্তৰিত কৰা হ'ল। কিন্তু জিলাৰ ভিতৰত আজিলৈ কোনো মহকুমা ঘোষণা কৰিব নোৱাৰিলে। বিগত ৫ বছৰ আৰু আগতেও ২ বছৰ এই দিশত কোনো চিন্তাচৰ্চা কৰা নহ'ল। বাস্কা অঞ্চল হৈছে নলবাৰী জিলাৰ ভিতৰতে আটাইতকৈ ঘন বসতিৰ জনজাতি অঞ্চল। গতিকে নলবাৰী জিলাৰ মহকুমাটো বাস্কা অঞ্চলৰ বৰমাত হব লাগে বুলি মই আজি দাবী উৎথাপন কৰিলো।

মোৰ সমষ্টি বৰমা অঞ্চলত দেখিছো ৰাস্তাৰ কাষত ক'ৰবাত খুটা পুতিছে

কিন্তু তাঁৰ নাই, ক'ৰবাত খুটা আৰু লাইন আছে কিন্তু কাৰেণ্ট নাই। আমি দেখিছো এই বিভাগ যিমান কাৰ্য্যক্ষম হব লাগিছিল সিমান কাৰ্য্যক্ষম হোৱা নাই। এই বিজুলী বিভাগটো হয় উঠাই দিব লাগে নহয় প্ৰাইভেট্ চেক্টৰক গটাই দিব লাগে।

জলসিঞ্চন বিভাগৰ ক্ষেত্ৰত কৈছো—মোৰ সমষ্টিৰ শতকৰা ৯৬জন লোকেই কৃষিজীৱি। কিন্তু এই সমষ্টিতে আতাইতকৈ জলসিঞ্চন ব্যৱস্থা কম। গতিকে এই বিভাগে বেছি গুৰুত্ব দিব বুলি আশা কৰিলো। গড়কাপ্তানী বিভাগৰ ক্ষেত্ৰত যোৱা পৰহিও মই এটা প্ৰশ্ন উৎথাপন কৰিছিলো। মোৰ সমষ্টি বাস্কা অঞ্চলত ৰাস্তা পদূলী আটাইতকৈ দুৰ্বল। জনজাতি অধ্যুষিত অঞ্চল হিচাপে ৰাস্তাৰ কোনো সুবিধা নাই। গতিকে মন্ত্ৰী মহোদয়ে এই দিশত, এই সমষ্টিত বেছি গুৰুত্ব দিব বুলি আশা কৰিলো।

*শ্ৰীদিলীপ শইকীয়া সোনোৱাল : মাননীয় অধ্যক্ষ মহোদয়, আজি মই মেডিকেল গ্ৰাণ্টৰ চাপলিমেনটেৰী গ্ৰাণ্টৰ ওপৰত এটা বক্তব্য ৰাখিব বিচাৰিছো। অসমত তিনিখন চিকিৎসা মহাবিদ্যালয় আছে। অসম চিকিৎসা মহাবিদ্যালয়, গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু শিলচৰ চিকিৎসা মহাবিদ্যালয়। এতিয়া কথা হ'ল অসম চিকিৎসা মহাবিদ্যালয়খন অতি পুৰণা মহাবিদ্যালয়। এই বিদ্যালয়খনিয়ে আমাৰ উজনি অসমত বিশেষকৈ লক্ষীমপুৰ জিলা, শিৱসাগৰ জিলাৰ বিভিন্ন ৰোগীক সহায় কৰি আহিছে। কিন্তু আজি আমি দেখিবলৈ পাইছো যে বিভিন্ন ধৰণৰ প'ষ্টবিলাক উঠাই দিয়া হৈছে আৰু ৩/৪ বছৰ আগতে ৰিটায়াৰ হোৱা কিছুমান ব্যক্তিয়ে ঘৰবিলাক অৰ্থাৎ কোৱাৰ্টাৰবিলাক খালী কৰি দিয়া নাই। ফলত যিবিলাক প্ৰফেচাৰকে ধৰি নতুন কৰ্মচাৰী আছে সেইবিলাকৰ থকা মেলা যথেষ্ট অসুবিধা হৈছে। আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয়টো কিছু কোৱাৰ্টাৰ বনাব লাগে। গতিকে এই বিধান সভা চলি থকা সময়ছোৱাত স্বাস্থ্য মন্ত্ৰী মহোদয়ে বিবৃতি দিব লাগে যাতে পুৰণা মানুহবিলাকে কোৱাৰ্টাৰ বিলাক খালী কৰি দিয়ে।

মাননীয় অধ্যক্ষ মহোদয়, মই আৰু এটা কথা কব বিচাৰিছো যে

* Speech not corrected.

প্ৰাইভেট নাৰ্চিং হ'ম বেছি হোৱাৰ ফলত দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লোকসকলে আচল ট্ৰিটমেণ্ট নেপায়। আমাৰ দিশপুৰৰ ওচৰতে ডাউন টাউন নাৰ্চিংহোমখনত এটা কমতে ৪০০ টকা দিব লাগে এদিনতে। আমাৰ ধেমাজি টা যি এশখন বিচনাযুক্ত চিকিৎসালয় আছে সেইবিলাকতো আমি যথেষ্ট আসোঁৱাহ দেখিছো। ৰোগীয়ে যিধৰণে সা-সুবিধা পাব লাগে সেই-ধৰণে নেপায়। প্ৰাইভেট নাচিংহোমবিলাকত এক্স-ৰে কৰিলে এশ টকা লাগে। গতিকে এই নাৰ্চিংহোমবিলাক যাতে অধিক বঢ়াব নোৱাৰে তাৰ নীতি নিয়ম কৰিব লাগে, আইন প্ৰণয়ন কৰিব লাগে। এই ক্ষেত্ৰত চৰকাৰে ভালদৰে চকু ৰাখিব বুলি আশা কৰিলো। আৰু যিসকল প্ৰফেচাৰে মেডিকেল কলেজত কাম কৰে সেইসকলে যাতে প্ৰাইভেট প্ৰেকৃটিচ কৰিব নোৱাৰে সেইটো চাব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, ইলেকট্ৰিচিটিৰ 'লড চেডিং' হৈ থাকে। আমাৰ ধেমাজিত মই দেখিছো যে ইভিনিং হোৱাৰ লগে লগেই লাইটৰ পোহৰ নেথাকে। কিন্তু আমাৰ দিশপুৰত সেইটো হোৱা নাই। এম, এল, এ, মিনিষ্টাৰ হোৱাৰ কাৰণে ইয়াত 'লড-চেডিং' যে হব নেলাগে সেইটো নহয়। আমি দুখীয়া জন-সাধাৰণৰ প্ৰতিনিধিত্ব কৰিছো। গতিকে গাৱঁৰ ৰাইজৰ কথা চিন্তা কৰিয়ে ইয়াতো এঘণ্টা সময় ল'ডচেড়িং কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়; শিক্ষাৰ বিষয়ত মই কেইষাৰমান কব বিচা-ৰিছো। মাননীয় শিক্ষামন্ত্ৰী ডঃ ভূমিধৰ বৰ্মন ডাঙৰীয়াই কৈছে যে শিক্ষা বিভাগত ৪০ হেজাৰ নিবনুৱাক নিযুক্তি দিয়া হৈছে। কিন্তু সেই নিযুক্তি ক'ত দিয়া হৈছে আমি নাজানো। আমাৰ ধেমাজি জিলাতে ৬০ টা পদ খালী হৈ আছে। এই শিক্ষকসকলক মেৰিট বেচিছত যাতে নিযুক্তি দিয়া হয় তাৰ কাৰণে মই অনুৰোধ কৰিলো।

মাননীয় অধ্যক্ষ মহোদয়, মই গৃহ বিভাগৰ কথা কব বিচাৰিছো যে আমি যদি কোনোবা সম্মানীয় ব্যক্তি থানালৈ যাবলগীয়া হয়, তেওঁ উকিলেই হওঁক, প্ৰফেচাৰেই হওঁক বা আমাৰ এক্স মন্ত্ৰী, এম,এল এয়েই হওঁক তালৈ

গলে ঠিয় হৈ থাকিবলগীয়া হয়। তাত এটা 'ওৱেটিং' ৰুমৰ ব্যৱস্থা কৰিলে ভাল হয়। গতিকে এইখিনি মুখ্যমন্ত্ৰী মহোদয়ে বিবেচনা কৰিব বুলি আশা ৰাখি মোৰ বক্তব্য সামৰণি মাৰিলো।

★শ্ৰীবদন বৰুৱা: মাননীয় অধ্যক্ষ মহোদয়, 'আবকাৰী আৰু মাদকদ্ৰব্য নিবাৰণ' ইয়াত এইটো কিয় ৰাখিছে কব নোৱাৰো। কাৰণ নীতি নিয়ম অনীতি কৰি আছে। গুৱাহাটীত বিশেষকৈ ৰাস্তাটোৰ এই পাৰত থাকি সিপাৰৰ পৰাই মদ আনিব পাৰে। আৰু এটা কথা চাব 'ছিগাৰেট খোৱা কথা লিখা আছে। 'স্টেটুটৰী' ৱৰ্ড লিখা আছে।

মাননীয় অধ্যক্ষ মহোদয়, মঞ্জুৰী নং ৯,১০,১১, ত লিখা আছে—পৰিবহন সেৱা, অন্যান্য ৰাজহ সেৱা, সচিবালয় আৰু সংশ্লিষ্ট কাৰ্য্যালয়। আজি দৰমহা খোৱা মানুহ আছে কিন্তু কাম কৰা মানুহ নাই। যদি মই কোৱা কথাবিলাক আপোনালোকে নুশুনে তেতিয়াহলে গালো মেলিলো, ফুটকাৰ ফেন হৈ যাব। শিক্ষা বিষয়ত আজি ১৫ বছৰৰ পৰা দেখি আহিছো যে ৩ হেজাৰ প্ৰাই-মাৰী স্কুল যিদৰে উন্নতি হব লাগে সেইদৰে হোৱা নাই। এই স্কুলবিলাক প্ৰাদেশিকীকৰণ কৰিব লাগে। তেতিয়াহলে তাত বহুতো দুখীয়া ল'ৰা ছোৱালীয়ে পঢ়িব পাৰিব।

মাননীয় অধ্যক্ষ মহোদয়, বাছৰ কথা কব বিচাৰিছো আমি যলৈকে যাওঁ তাতে দেখো যে ঠিক ঠাইত প্ৰস্ৰাৱ কৰিব। পৰিবহনৰ ব্যৱস্থাটো অলপ উন্নত হব লাগে। কিয়নো আমি বিধায়ক সকল বাছত অহাযোৱা কৰিব পাৰিলে ভাল হয়। নহলে নিজৰ গাড়ীত গৈ বহু টকা অযথা ভৰিব লাগে। আমি ২৫০০ টকা দৰমহা পাই ইমান টকা খৰচ কৰিব নোৱাৰো।

মাননীয় অধ্যক্ষ মহোদয়, আজি ইয়াত কেইবাজনো মাননীয় সদস্যই বিদ্যুৎৰ বিষয়ে কৈছে। এই বিদ্যুৎ সৰবৰাহ কৰিব নোৱাৰাৰ কাৰণে আজি খেতি পথাৰত পানী যোগান ধৰিব পৰা নাই। যাৰ ফলত মাঘ-ফাগুণ মাহটো আমাৰ মোৰ সমষ্টিত প্ৰয়োজনীয় খেতি কৰিব পৰা নাই। গতিকে বিদ্যুৎ ক্ষেত্ৰত বলিষ্ঠ পদক্ষেপ লব বুলি আশা ৰাখি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

---

* Speech not corrected.

(Shri Nazmul Haque, Chittendra Majumdar and some other 2/3 Hon'ble Members wanted to speak)

মাননীয় অধ্যক্ষ : Please sit down. শ্ৰীগহীন চন্দ্ৰ দাসে আজি চাৰিদিনে অলপো কৰ পৰা নাই। গতিকে এতিয়া তেখেতে সংক্ষেপতে অলপ কব।

★শ্ৰীগহীন চন্দ্ৰ দাস : মাননীয় অধ্যক্ষ মহোদয়, পোন প্ৰথমতে আপুনি মোক অলপ কৰলৈ সুবিধা দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। মই বিশেষ বহলাই কবলৈ নাযাওঁ মাত্ৰ আমাৰ মেডিকেল শিতানত দুষাৰমান কব বিচাৰিছো। যোৱা পৰহি মই গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হস্পিতাললৈ এজন ৰোগীৰ খবৰ কৰিবলৈ গৈছিলো, চাৰ্জিকেলৰ ফিমেল ইউনিটলৈ। তাত গৈ মই এটা কথা দেখিলো যে তাত ৬ খন বিচনা আছে কিন্তু দুখন বিচনাৰ বাহিৰে বাকী কেইখনত আঠুৱা নাই। মই তাত থকা ৰোগী সকলক সুধিলো যে দুখন বিচনাত যে আঠুৱা আছে বাকী কেইখনত কিয় নাই? তেতিয়া এজন ৰোগীয়ে ক'লে যে এই দুখন আঠুৱা আমি কিনি লৈছো। চিকিৎসালয়ৰ ফালৰ পৰা তেওঁলোকক আঠুৱা দিয়া নাই বুলি জনালে। আজি দাবী মঞ্জুৰীৰ ক্ষেত্ৰত এই শিতানত ১১ লাখ ৩৫ হাজাৰ টকা ধৰা হৈছে। আমি সকলোৱে জানো যে অসমৰ চিভিল হস্পিতালবিলাকত বিনামূলীয়াকৈ চিকিৎসা দিয়া হয় বুলি কোৱা হয়। কিন্তু ৰোগীবিলাকে কেনে ধৰণৰ চিকিৎসা পাইছে সেইটো কথা চাব লাগে। এইখিনিতে মই এটা কথা কব খোজো যে আজিৰ ডাক্তৰ সকল বেক দুৱাৰেৰে পইচা নিদিলে ৰোগীয়ে ভাল চিকিৎসা নাপায়। গতিকে বিনামূলীয়া চিকিৎসাৰ নামত ইমানবোৰ টকা ক'ত কেনেকৈ খৰচ কৰা হৈছে সেইটো গুৰুত্ব সহকাৰে দৃষ্টি দিব লাগে। আজি অসমৰ দুখীয়া জনসাধাৰণে প্ৰকৃত চিকিৎসাৰ অভাৱত মৃত্যুৰ মুখত পৰিব লগা হৈছে আৰু এই অৱস্থা যদি চলি থাকিবলৈ দিয়া হয় তেনেহলে অদূৰ ভৱিষ্যতে অসমৰ চিকিৎসা জগতখন এক অন্ধকাৰ পৰিস্থিতিলৈ গুচি যাব। ইয়াৰ বাহিৰেও মেডিকেল কলেজলৈ গ'লে যি দূৰ্গন্ধময় পৰিৱেশ পোৱা যায় সেই অৱস্থাৰো অৱসান ঘটাবলৈ চৰকাৰে সোনকালে ব্যৱস্থা গ্ৰহণ

*Speech not corrected.

কৰিব লাগে। মই আৰু দীঘলীয়া নকৰো, সময় বৰ কম। এইখিনিকে কৈ স্বাস্থ্য বিভাগৰ ক্ষেত্ৰত চৰকাৰে কিছু নজৰ দিব বুলি আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীমিলন চন্দ্ৰ বড়ো : অধ্যক্ষ মহোদয়, আজি সদনত অনুসূচীত জাতি আৰু জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে ১ লাখ ৬০ হাজাৰ টকাৰ অতিৰিক্ত মঞ্জুৰী বিচাৰিছে। যোৱা ১১ মাৰ্চৰ 'নতুন দৈনিক' কাকতত এটা বাতৰি প্ৰকাশ পাইছিল যে আমাৰ এই জনজাতীয় উন্নয়ন বিভাগৰ পৰা নলবাৰী জিলাত পিছপৰা জাতি আৰু জনজাতি সকলৰ উন্নয়নৰ বাবে আই, টি, ডি, পিৰ জৰিয়তে দিয়া ১ লাখ ২৩ হাজাৰ টকা কোনোৱাই আত্মসাৎ কৰিছে আৰু অতি আচৰিত কথা যে এই ১ লাখ ৬০ হাজাৰ টকা বিচাৰিছে ইয়াৰে এটা গৱেষণা প্ৰতিষ্ঠানৰ নামত। কিন্তু আমি আচৰিত হৈছো যে এই গৱেষণা প্ৰতিষ্ঠানটোৰ জৰিয়তে অসমত বসবাস কৰা অনুসূচীত জাতি আৰু জনজাতিৰ লোক প্ৰকৃততে উপকৃত হৈছে নে নাই সেইটো যদি আমি চাওঁ তেনেহলে আমি দেখা পাওঁ যে ইয়াৰ দ্বাৰা এই লোক সকল কোনো ধৰণে উপকৃত হোৱা নাই। যোৱা পাঁচ বছৰ ধৰি জনজাতি উন্নয়ন শিতানৰ পৰা জনজাতি অঞ্চলত স্বাস্থ্য উপকেন্দ্ৰ স্থাপনৰ বাবে দিয়া ৩৮ লাখ টকা গড়কাপ্তানী বিভাগৰ এজন একজিকিউটিভ ইঞ্জিনিয়াৰৰ নামত উলিয়াই দিয়া হৈছে। কিন্তু এই টকাখিনি নট ৰিচিভড্ বুলি কোৱা হৈছে আৰু সেই ক্ষেত্ৰত আজিলৈকে চৰকাৰে কোনো ব্যৱস্থা লোৱা নাই। আৰু এটা কথা হ'ল অসমৰ জনজাতীয় সংস্কৃতি সম্পৰ্কে তথ্যচিত্ৰৰ আঁচনিখন তৎকালীন ভাবে ৰূপায়ণ কৰিবৰ কাৰণে উত্তৰ-পূৰ্ব পৰিষদে দিয়া মঞ্জুৰীৰ বিপৰীতে ১ লাখ ৬০ হাজাৰ টকা অগ্ৰিম লোৱা হয় বুলি ইয়াত ব্যাখ্যা কৰা হৈছে। কোনবিলাক তথ্যচিত্ৰ প্ৰদৰ্শন কৰাৰ কাৰণে এই গৱেষণা প্ৰতিষ্ঠানৰ নামত ১ লাখ ৬০ হাজাৰ টকা বিচৰা হৈছে সেইটো যেন মন্ত্ৰী মহোদয়ে আমাক জনায়।

Mr. Speaker : Now, Hon'ble Chief Minister is to reply.

---

*Speech not corrected.

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি সদনত মাননীয় সদস্য সকলে যি কেইটা বিষয়ৰ ওপৰত তেওঁলোকৰ বক্তব্য দাঙি ধৰিছে তাৰ ভিতৰত বিশেষকৈ পুলিচ, ট্ৰেন্সপৰ্ট, লেণ্ড ৰেভেনিউ, ট্ৰাইবেল প্ৰব্লেম, ডিষ্ট্ৰিক্ট এডমিনিষ্ট্ৰেশ্যন, এডুকেচন আৰু এক্সাইজেই প্ৰধান। মাননীয় সদস্য শ্ৰীপ্ৰমোদ গগৈ ডাঙৰীয়াই প্ৰথমতে গাড়ী বিলোৱাৰ কথা উত্থাপন কৰিছে আৰু গাড়ী ৰিকুইজিচন কৰা ক্ষেত্ৰত কেইটামান পৰামৰ্শ আগবঢ়াইছে। প্ৰাইভেট মানুহৰ গাড়ী ৰিকুইজিশ্যন কৰা কথাটো বেয়া কথা। কোনো কোনো ক্ষেত্ৰত গাড়ী ৰিকুইজিশ্যন কৰিবলৈ যাওঁতে এনেধৰণৰ ঘটনাও আমাৰ দৃষ্টি গোচৰ হৈছে যে কোনো মানুহ এজন বিশেষ কামত ক'ৰবালৈ গৈ থকা অৱস্থাতে তেওঁক গাড়ীৰ পৰা নমাই দি গাড়ীখন লৈ গৈছে। আকৌ কেতিয়াবা কোনোবাই হস্পিতেললৈ ৰোগী নি থকা অৱস্থাতো পুলিচে গাড়ী কাঢ়ি নিয়া উদাহৰণ আছে। মই ব্যক্তিগতভাৱে জানো ৰিকুইজিশন কৰা ব্যৱস্থাটো বেয়া। ইয়াৰ ফলত বহুতো গাড়ী বেয়া হয় আৰু মানুহৰ মানসিক অন্যায় হয়। এইটো কেনেকৈ বন্ধ কৰিব পাৰি সেইটোহে মূল সমস্যা। গগৈ ডাঙৰীয়াই কোৱা কথাষাৰ মই অসত্য বুলি নকওঁ। ৰাজনৈতিক দলসমূহ ক্ষমতাত থাকিলে গাড়ী এনেকৈ বিচাৰে আৰু নিয়ে। এইটো বন্ধ কৰিব লাগে। এইবাৰ সাধাৰণ নিৰ্বাচনৰ সময়ত মই প্ৰদেশ কংগ্ৰেছৰ সভাপতি আছিলো। আমি পাৰ্টিৰ ফাণ্ডৰ পৰা গুৱাহাটীত তিনিখন গাড়ী ৰাখিছিলো। সেই গাড়ী কেইখনো পুলিচে কাঢ়ি লৈ গল। তুদিনমান পিছত এই গাড়ী কেইখন পলিটিকেল পাৰ্টিৰ মানুহে ব্যৱহাৰ কৰি থকা দেখিলো। এইবিলাক বন্ধ কৰিব লাগিব। সেয়ে মই এনেধৰণে গাড়ী ৰিকুইজিশ্যন কৰা পদ্ধতি সলনি কৰাৰ বাবে নিশ্চয় চেষ্টা কৰিম। আনহাতে এই গাড়ীবোৰ ৰিকুইজিশ্যন কৰা টকা দিয়া হোৱা নাই। এই টকাবিলাক আগেয়ে ধাৰ লগাই থৈ গৈছে—বহুবছৰ ধৰি এই টকা দিবলৈ বাকী আছে। সেই টকাবোৰ দিব নোৱাৰাৰ কাৰণে মালিকসকলৰ যথেষ্ট কষ্ট হৈছে। সেইকাৰণে এই ২২ লাখ টকা বিচৰা হৈছে। গতিকে এই টকাখিনি যাতে মঞ্জুৰী দিয়ে তাৰ বাবে মই অনুৰোধ কৰিছো।

---

*Speech not Corrected.

অধ্যক্ষ ডাঙৰীয়া, শ্ৰীগগৈ ডাঙৰীয়াই ইয়াত আৰু এটা কথা উল্লেখ কৰিছে যে সংযুক্ত মুক্তি বাহিনীৰ সাধাৰণ সম্পাদক শ্ৰীঅনুপ চেতিয়াৰ বিবৃতিৰ বিষয়ে কৈছে যে ৰাষ্ট্ৰীয় নিৰাপত্তা আইনত এজন অধিবক্তা আৰু দুজন বাতৰি কাকতৰ সম্পাদকক গ্ৰেপ্তাৰ কৰা হৈছে। কিন্তু তেওঁলোকক কিয় গ্ৰেপ্তাৰ কৰিবলগীয়া হ'ল ? সংযুক্ত মুক্তি বাহিনীৰ লগত পোনপটীয়াকৈ সম্পৰ্ক থকা বুলি জনালে গ্ৰেপ্তাৰ কৰিবলগীয়া নহলহেঁতেন। তেওঁলোকক ৰাষ্ট্ৰবিৰোধী কাৰ্য্যকলাপত লিপ্ত হোৱাৰ কাৰণে গ্ৰেপ্তাৰ কৰা হৈছে। এইবিলাক মোৰ কথা নহয়, বাতৰি কাকতত যিবিলাক কথা লিখিছে সম্পূৰ্ণ ৰাষ্ট্ৰ বিৰোধী কথা। সেই কাৰণে তেওঁলোকক ধৰা হৈছে। তেওঁলোকক সংযুক্ত মুক্তি বাহিনী বা সাংবাদিক হিচাপে গ্ৰেপ্তাৰ কৰা নাই। এই কথাৰ লগত গ্ৰেপ্তাৰৰ কোনো সম্পৰ্ক নাই। আৰু এটা কথা লিখিছে—তেওঁলোকক গ্ৰেপ্তাৰ নকৰালৈকে আমাৰ শান্তি নাই। আমি শান্তিৰ প্ৰচেষ্টা বন্ধ কৰা নাই। বৰং তেওঁলোকে শান্তিৰ প্ৰচেষ্টা বন্ধ কৰিবলৈ চেষ্টা চলাইছিল। আমি শান্তি প্ৰচেষ্টা বন্ধ কৰাৰ পৰিবৰ্তে শান্তিৰ পৰিবেশ অনাৰ বাবেহে চেষ্টা কৰিছো।

অধ্যক্ষ ডাঙৰীয়া, এতিয়া মই পুলিচৰ বিষয়ে কবলৈ বিচাৰিছো। সেইখিনি মই থোৰতে কৈ দিব খুজিছো।

উগ্ৰপন্থীৰ কাৰ্য্যকলাপৰ বাবে আইন শৃঙ্খলা পৰিস্থিতিয়ে গোটেই ৰাজ্যখনতে এক জটিল ৰূপ ধাৰণ কৰে আৰু ইয়াৰ ফলত উদ্ভৱ হোৱা অস্বাভাৱিক অৱস্থাৰ অৱসান ঘটাই শান্তি স্থাপন কৰিবলৈ আৰক্ষী লোকসকলক নিয়োগ কৰাত স্বাভাৱিকতেই বিভাগটোৰ ওপৰত যথেষ্ট হেঁচা আহি পৰিছে। ১৯৯১-৯২ বিত্তীয় বছৰটোত সীমিত বাজেটৰ বাবে আৰক্ষী বিভাগটোৱে যথেষ্ট বিত্তীয় সমস্যাৰ সন্মুখীন হোৱা পৰিলক্ষিত হৈছে।

আইন শৃঙ্খলা জনিত সমস্যাৰ যথাযথভাবে সন্মুখীন হবলৈ আৰু আইন শৃঙ্খলা অটুট ৰাখিবলৈ আৰক্ষী বিভাগটোক আধুনিকীকৰণ কৰাটো অপৰিহাৰ্য্য হৈ পৰিছিল। এনে কৰিবলৈ যাওঁতে অত্যাধুনিক অস্ত্ৰশস্ত্ৰ আৰু যথেষ্ট সংখ্যক গাড়ী ক্ৰয় কৰাৰ প্ৰয়োজন হৈ পৰিছিল। এনে ব্যৱস্থাৰ বাবে যথেষ্ট

পৰিমানৰ ধনৰ প্ৰয়োজন হৈ পৰিছিল। তাৰোপৰি আৰক্ষী সকলৰ দৈনিক ভাট্টা, ভ্ৰমণ বানচ আদিৰ বাবে এক বুজন পৰিমাণৰ খৰচ বহন কৰিবলগীয়া হৈছিল।

১৯৯০-৯১ চনত আৰক্ষী বিভাগে খৰচ কৰা মুঠ ১৯৭ (197 Crore) কোটি টকাৰ পৰিবৰ্তে চলিত বিত্তীয় বছৰত এই বিভাগৰ বাজেটত মাথোন মুঠ ১৭৬ কোটি (176 Crore) টকাহে ধাৰ্য্য কৰা হৈছিল। নিত্যপ্ৰয়োজনীয় সামগ্ৰী যেনে—ৰেচন (Ration) ইউনিফৰ্ম (Uniform), গাড়ীৰ মেৰামতি আদিৰ খৰচো যথেষ্ট পৰিমাণে বৃদ্ধি পাইছিল। পেট্ৰল আদিৰ মূল্য বৃদ্ধিয়ে বিভাগটোৰ সীমিত বাজেটৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছিল। এনেধৰণৰ এৰাই-চলিব নোৱাৰা খৰচৰ জোৰা মাৰিবলৈ পৰিপূৰক দাবী মঞ্জুৰী উত্থাপন কৰাৰ বাদে অন্য কোনো উপায় নাছিল।

'অপাৰেচন ৰাইন' ৰ বাবে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা মুঠ ১০ কোটি (10 crore) মঞ্জুৰী হিচাপে পাইছে। এই টকা 'অপাৰেচন ৰাইন' ৰ বাবদ হোৱা খৰচ, আৰক্ষী বিভাগটোক আধুনিকীকৰণ কৰা আৰু অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰ কিনা আদিৰ বাবে অনুদান হিচাপে পাইছে। যিহেতু এই দহকোটি টকা ১৯৯১-৯২ চনৰ বাজেটত ধৰা হোৱা নাছিল। এই বাৰৰ পৰিপূৰক দাবী মঞ্জুৰী যোগে বিচৰা মুঠ ২২ ৬৪.৬৭ ০০০ (22,64,67,000) টকাৰ ভিতৰতে উপৰোক্ত দহ কোটি টকাও সোমাই আছে।

আৰক্ষী বিভাগৰ বাজেট চালে এটা কথা স্পষ্টকৈ ওলাই পৰে যে ইয়াত ধাৰ্য্য কৰা টকাৰ ৮০ শতাংশই (80%) আৰক্ষী সকলক দৰমহা আদি দিওঁতে খৰচ হয়। তাৰোপৰি ১৯৯১-৯২ বিত্তীয় বছৰতে দৰমহা আয়োগৰ প্ৰতিবেদন মতে দিব লগা হোৱা নতুন নিৰিখৰ দৰমহাৰ বাবেও অধিক টকা এই শিতানত খৰচ কৰিবলগীয়া হয়।

আইন শৃংখলা পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবৰ বাবে আৰক্ষী বিভাগটোক অধিক কাৰ্য্যক্ষম কৰি তুলিবলৈ যথেষ্ট সংখ্যক গাড়ী ক্ৰয় কৰিব লগা হয়। চৰকাৰে প্ৰতিখন আৰক্ষী থানাতে অন্ততঃ এখনকৈ গাড়ী দিয়াৰ লক্ষ্যৰে আগবাঢ়িব লগা

হৈছে। তাৰোপৰি বিভিন্ন ব্যক্তিৰ সুৰক্ষা নিশ্চিত কৰিবলৈকো যথেষ্ট সংখ্যক গাড়ীৰ প্ৰয়োজন হৈ পৰে। এনে সমূহ ব্যৱস্থাৰ বাবে গাড়ী ক্ৰয় কৰাৰ বাবদ মুঠ ৫ কোটি টকাৰ প্ৰয়োজন হয় ( 5 crore )।

ভাৰত চৰকাৰে আৰক্ষী বিভাগটো আধুনিকীকৰণ কৰ ৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। বিত্তীয় অৱস্থাৰ বাবেই আমি প্ৰয়োজন অনু-সাৰে আৰক্ষী বিভাগটোক আধুনিকীকৰণ কৰি তুলিব পৰা নাই। অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰ. যান-বাহন, বেতাঁৰ যন্ত্ৰ আৰু অন্যান্য যন্ত্ৰপাতিৰে এই বিভাগটোক সুসজ্জিত কৰি তুলিবলৈ প্ৰচেষ্টা চলাই থকা হৈছে যদিও আমাৰ নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হবলৈ এতিয়াও বাকী আছে। আমি সময়ে সময়ে কেন্দ্ৰীয় চৰকাৰৰ পৰা সাহাৰ্য্য বিচাৰি আবেদন কৰি আহিছো. আমি উল্লেখ কৰা দুই কোটি টকা এককালীন অনুদান হিচাপে পাইছো। ৰাজ্যখনত দেখা দিয়া বৰ্ত্তমান পৰিস্থিতিলৈ লক্ষ্য ৰাখি আৰক্ষী বিভাগটোক অধিক কাৰ্য্যক্ষম কৰি তোলাটো নিশ্চয় সকলো মাননীয় সদস্যৰ কাম।

অধ্যক্ষ ডাঙৰীয়া, ইয়াৰ পিছত মই স্বাস্থ্য বিভাগৰ কথা কব খুজিছো। ইয়'ৰ ওপৰত বহুখিনি পৰামৰ্শ আহিছে। এইটো সঁচা কথা যে তিনিখন মেডিকেল কলেজৰ ভিতৰত শিলচৰ মেডিকেল কলেজখন আৰু অসম মেডিকেল কলেজ এই দুখনত ইনুজাচটিছ কৰিছে। যোৱা কেইবছৰমানৰ পৰা কোনোবা অধ্যাপকক তাৰ পৰা পোষ্টসহ উঠাই আনিছে। শিলচৰ মেডিকেল কলেজৰ পৰা গুৱাহাটী মেডিকেল কলেজলৈ উঠাই আনিছে। তাৰ ফলত বহুত বিভাগত অধ্যাপক নাই, ডাক্তৰ নাই। শিলচৰ মেডিকেল কলেজৰ ডি-ৰিক'গনাইজেশনৰ কথাটো চলিছে। এইটো ইনজাচটিছ কৰা হৈছে। তিনিখন মেডিকেল কলেজতে ল'ৰা ছোৱালীক এডমিশ্বন দিয়া হয়। কিন্তু অসম মেডিকেল কলেজ আৰু শিলচৰ মেডিকেল কলেজক যিমান টকা দিব লাগে সিমান টকা দিয়া নহয়। এই বছৰ এক্স-ৰে প্লেন আছিল. কিন্তু ডাক্তৰৰ কিছুমান খেলিমেলিৰ কাৰণে নহল। এই দুখন কলেজক অন্যায় কৰা হ'ল। এই খেলিমেলি আঁতৰ কৰাৰ কাৰণে চৰকাৰে চেষ্টা চলাব। ইতিমধ্যে শিলচৰ মেডিকেল কলেজৰ অধ্যক্ষ আৰু ছাত্ৰ-ছাত্ৰী সকলৰ মাজত আলোচনা কৰা হৈছে। শিলচৰ মেডিকেল কলেজলৈ অধ্যক্ষ যোৱা নাই। ইয়াৰ বাবে ন'টিচ দিয়া হৈছে। ১৫ দিনৰ ভিতৰত নগলে ডিচিপ্লেনাৰী একশ্বন লোৱা হব। যিমানখিনি খালি পোষ্ট আছে অহা বছৰত পূৰণ কৰিবৰ কাৰণে ৩৪ লাখ টকা দিয়া হৈছে। গুৱাহাটীৰ

নাৰ্ছিং হোমৰ বিষয়ে বহুতখিনি কথা কোৱা হৈছে। ডাক্তৰৰ কথাও কোৱা হৈছে। বোকাখাঝাৰলৈ ডাক্তৰ নাযায় সঁচা; আইন শৃংখলাৰ কথা আছে। মাননীয় বিধায়ক সকলে বহুত ডাক্তৰৰ নাম দিলে, কিন্তু ডাক্তৰ সকলে আপত্তি কৰে। এইটো ডিপাৰ্টমেণ্টৰ হেডেক। বিষয়াই কৈছে যে যিসকল ডাক্তৰে যাব খোজে তেওঁলোকক যাব দিব লাগে। অসম সচিবালয়ৰ কাগজ লৰচৰ হবলৈ বেছি সময় নেলাগে। কিন্তু কোনো কাগজ ১ মাহৰ আগতে নেযায়, বহুত সময় লাগে। নাৰ্ছিং হোমৰ বিষয়ে কোৱা হৈছে, ইয়াৰ পৰা স্বাস্থ্য বিভাগৰ পৰিবেশ নষ্ট হৈছে, মেডিকেল কলেজ নষ্ট হৈ গৈছে। গুৱাহাটী মেডিকেল কলেজৰ প্ৰফেছাৰ বিলাকে নাৰ্ছিংহোমতো কাম কৰে। এনেকুৱা বহুত সমস্যাৰ সৃষ্টি হৈছে।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, এতিয়া পোষ্ট গ্ৰেজুৱেট ক্লাছৰ এড্‌মিশ্যন চলিছে। তাৰ বাবে টেষ্ট দিব লাগে। মই বুজি নাপাওঁ গুৱাহাটী মেডিকেল কলেজ, শিলচৰ মেডিকেল কলেজ গুৱাহাটী ইউনিভাৰচিটিৰ তলত থাকে। তেওঁলোকৰ কিয় টেষ্ট লব লাগে। অন মেৰিটত তেওঁলোকক এডমিশ্যন দিব লাগে। এম বি, বি, এছৰ এড্‌মিশ্যন হৈছে, তেওঁলোকৰ টেষ্ট হৈছে। হাইয়াৰ চেকেণ্ডেৰীত শতকৰা ৮৫ নং পোৱাজনে টেষ্টত ৫৮ নং পায়। এনেকুৱা যথেষ্ট কেৰোণ সোমাই আছে। এইবোৰ ভাঙিব লাগে। আপোনালোকে জানে যে, এচ, চি; এচ টি; অ', বি. চিৰ ৰিজাৰভেচন আছে। ইয়াটো দেখা যায় শতকৰা ৮৫ নং পোৱা ল'ৰা-ছোৱালী ৰিজাৰভেচন লিষ্টত দিয়ে। এনে এটা ভেষ্টেদ ইণ্টাৰেষ্ট গ্ৰ'থ কৰিছে। ৰিজাৰভেচন বঢ়াবলৈ চেষ্টা কৰিম।

এতিয়া মই আবকাৰী বিভাগৰ বিষয়ে ক'ম। আমাৰ মাননীয় সদস্য বৰুৱা ডাঙৰীয়াই যিটো কৈছে তেখেতৰ লগত মই একমত। গুৱাহাটীৰ ওচৰৰ খানাপাৰাত ১২ খন ফৰেইন লিকাৰৰ দোকান আছে। সন্ধিয়া তালৈ গুৱাহাটীৰ মানুহ যায়। কাৰণ ২৫ টকামান কম দামত পোৱা যায়। ইয়াৰ ফলত গুৱাহাটীত যি দোকান আছে বিক্ৰী নহয়। ইয়াৰ প্ৰভিজনটো উঠাই দিলে ১ শ কোটি টকা এক্সট্ৰা হব। কিন্তু এই ক্ষেত্ৰত সমস্যা আছে। আলোচনা-বিলোচনা কৰি এই বিষয়ে ব্যৱস্থা লোৱা হব।

(ভইচ—আমচাৰ কথাটো কি হ'ল ?) আমচাৰ কথাটো হব।

এই ডিপাৰ্টমেণ্টত এদিনৰ কামটোত এমাহ লাগে । নিশ্চয় হ'ব ।

অধ্যক্ষ মহোদয়, এতিয়া মই উদ্যোগ বিভাগৰ বিষয়ে কম। সময় কম । মাননীয় সদস্যই ইণ্ডিয়া কাৰ্বনৰ বিষয়ে যি কৈছে সেই সম্পৰ্কে যথেষ্ট অসুবিধা আছে । কোপ পোৱা নাই বুলি কৈছে । কোপটো যাতে থাকে । অসমৰ ৰ-মেটেৰিয়েলচ অসমত থাকিব লাগে । কেইদিনমানৰ আগতে মোক দিল্লাত কৈছিল ।

পৰিবহনৰ ক্ষেত্ৰত যি কোৱা হৈছে এইটোত বহুত অসুবিধা আছে । অধ্যক্ষ মহোদয়, আপুনি জানে যে এখন বাছত তিনিজন মানুহ থাকে, সেইকেইজন মানুহ হ'ল ড্ৰাইভাৰ, কণ্ডাক্টৰ আৰু হেণ্ডিমেন । কিন্তু আমাৰ বাছবিলাকত ১৪জনকৈ মানুহ আছে । ২০০খন বাছ বেয়া হৈ আছে আৰু দুই হেজাৰ মানুহ বহি আছে । ৪০০খন চলি থকা বাছ আছে আৰু ৮৫ খন বাছ কিনিব খোজা হৈছে । এই বিভাগটো কেতিয়াও ভাল কৰিব নোৱাৰি । এতিয়া আমি চিন্তা কৰিছো, কিছুমান লাইন প্ৰাইভেট কৰিব লাগে । ৰোটবিলাক যদি টকা হিচাপত দিয়া নাযায় তেতিয়াহলে উন্নতি নহব । দেখা গৈছে, এই দুই হাজাৰ আঠশজন কৰ্ম্মচাৰীয়ে যোৱা ৪বছৰ ধৰি কাম নকৰাকৈ দৰমহা খাই আছে । তেওঁলোকক খেদিবও নোৱাৰি, আন্দোলন কৰে ।

অধ্যক্ষ ডাঙৰীয়া, মই বিদ্যুতৰ বিষয়ে কবলৈ লও । অসমৰ বিদ্যুৎ লাগে ৪০০ মেগাৱত । ১৮০ ৰপৰা ২১০ মেগাৱত মেঘালয়ৰ পৰা লোৱা হয় কিন্তু বাৰিষা হ'লে তাৰপৰা পোৱাৰ নাহে । এতিয়া আমাৰ বহু ঠাইত যন্ত্ৰপাতি বেয়া হৈ আছে । লাকুৱা প্ৰজেক্টত পাৰ্টচ নাই, বন্ধ হৈ আছে । লাংপিৰ কথাটো আপোনালোকে জানেই যে কিমান চিমেণ্ট সৰকালে । আমি এতিয়া ইণ্ডাষ্ট্ৰি কৰিব লাগে । ইণ্ডাষ্ট্ৰিৰ কাৰণে পাৱাৰ ক'ত পাম ? সন্ধিয়া ল'ৰা-ছোৱালীয়ে পঢ়িব লাগে, এতিয়া পৰীক্ষাৰ সময়, পাৱাৰ দিবপৰা নাই ।

*শ্ৰীদিলীপ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, দিশপুৰত ১ ঘণ্টাৰ কাৰণে ল'ড চেডিং কৰিবপৰা যায় নেকি ?

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, দিশপুৰত

* Speech not corrected.

'ল এণ্ড অৰ্ডাৰ'ৰ কথা আছে, সেইকাৰণে এইটো কৰিবপৰা নাযায়। মাননীয় অধ্যক্ষ মহোদয়, মই লেণ্ড ৰিফৰ্মচক এই বিষয়ে কেইটামান কথা ক'ব বিচাৰিছো। মাননীয় প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোক প্ৰশ্ন কৰিছিল কিয় নাজিৰাত যেছিকৈ কাৰ্য্যালয় আদি পাতিছে বা মহকুমা কিয় স্থাপন কৰিবলগীয়া হ'ল? মই যদি কওঁ কলিয়াবৰত কিয় মহকুমা স্থাপন কৰিবলগীয়া হ'ল, তাৰ উত্তৰটো হয়টো তেখেতে দিব নোৱাৰিব। জনসংখ্যা অনুপাতেহে মহকুমা, জিলা আদি স্থাপন কৰা হয়। আনহাতেদি টংলাত মহকুমা স্থাপন কৰিব লাগে বুলি দাবী কৰি আহিছে। কিন্তু ওদালগুৰীত মহকুমা স্থাপন কৰি তাত গোটেইবোৰ কাৰ্য্যালয় আদি সম্পূৰ্ণ কৰিব পৰা নাই। কাৰণ এটা মহকুমাৰ বাবে কমেও তিনিটামান ডিভিজন লাগে, এখন জিলা কৰিবলৈ কমেও ১২ কোটি টকাৰ দৰকাৰ হয়, তেনেকৈ এটা মহকুমাৰ বাবে ৬ কোটি টকাৰ দৰকাৰ হয়। এটা মহকুমা পতা মানে ৪৮ টা কাৰ্য্যালয় স্থাপন কৰা আৰু এখন জিলা পতা মানে ৮০ টামান ডিভিজন পতা। চৰকাৰে বিভিন্ন ঠাইত মহকুমা আৰু জিলা স্থাপন কৰিছে যদিও আজিলৈকে তাৰ সম্পূৰ্ণ আচবাব আদি দি সম্পূৰ্ণ কাৰ্য্যালয়ৰূপে পৰিগণিত কৰিব পৰা নাই। গতিকে এনে ক্ষেত্ৰত টংলাত আৰু এটা মহকুমা পতাৰ যুক্তি থাকিব নোৱাৰে। অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীপৰমেশ্বৰ ব্ৰহ্ম ডাঙৰীয়াই মোক ৰেয়াই পাইছে। এই ক্ষেত্ৰত মই তেখেতসকলৰপৰা সহযোগহে বিচাৰো। কাৰণ অসমৰ বিভিন্ন অঞ্চলৰ সমস্যাৰ লগত তেওঁলোকৰ সমস্যাও জড়িত আছে। আশাকৰো মই তেখেত সকলৰপৰা সহযোগ পাম। এই ক্ষেত্ৰত তেখেতে এখন এক্সপাৰ্ট কমিটী গঠন কৰিব লাগে বুলি কৈ আহিছে, গতিকে সেইটো চিন্তা কৰা হৈছে। এক্সপাৰ্ট কমিটীত সিদ্ধান্ত কৰিহে অসম চৰকাৰে মতামত ব্যক্ত কৰিব পাৰিব। নহলে মই এই বিষয়ে মাত মাতিব নোৱাৰো।

*Shri Parameswar Brahma : Sir, we want to have a clear cut statement.

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো

*Speech not corrected.

এক্সপাৰ্ট কমিটীৰ লগত মই ৰাজীৱ গান্ধীৰ ঘৰলৈ আবন্ধুৰ সম্পাদক আৰু সভাপতিক লৈ গৈছিলো আৰু তাত তেতিয়া তেওঁলোকে কথাটো জানিছিল। কথাটো বাইন্দিংচত আছে। সেইকাৰণে মই আগতিয়াকৈ মতামত দিব নোৱাৰো। এতিয়া এক্সপাৰ্ট কমিটীৰ নিৰ্দেশ মতেহে বিষয়টোৰ ওপৰত সিদ্ধান্ত লোৱা হব। নহলে এক্সপাৰ্ট কমিটী গঠন কৰাৰ কোনো অৰ্থই নাথাকিব।

মাননীয় অধ্যক্ষ মহোদয়, মই আমাৰ জয়নাথ শৰ্মা ডাঙৰীয়াই কৰা কেইটা-মান প্ৰশ্নৰ উত্তৰ দিব বিচাৰিছো। তেওঁ ৩১ মাৰ্চৰ আগতে ৫০ হেজাৰ টকাৰ গ্ৰাণ্ট বিচাৰিছে আৰু তেখেতে এই কথা পিছত কম বুলি কৈছে। দ্বিতীয়তে তেওঁ মোক প্ৰশ্ন কৰিছে মই কনটেচাৰ গাড়ী কিয় ব্যৱহাৰ কৰিব খুজিছো। তাৰ উত্তৰত মই কওঁ, এই গাড়ীত পেট্ৰল আদি কম খৰচ হয়। মই মুখ্যমন্ত্ৰী হিচাপে কনটেচাৰ গাড়ী যে লাগিবই সেইটো বিচৰা নাই। বিভাগৰ লগত কথা-বতৰা হৈ থকা হৈছে বুলি কয়। আৰু এটা প্ৰশ্ন কৰিছে—আৰক্ষী বিভাগে ১৩৬ খন গাড়ী এনেয়ে পেলাই থৈছে আৰু এতিয়া ১১৪ খন গাড়ী কিনিবলৈ বিচাৰিছে, আগৰ গাড়ীখিনি এনেয়ে পৰি থাকিব নেকি ?

*শ্ৰীচন্দন কুমাৰ সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰপৰা লামডিঙলৈ ট্ৰেন্সপৰ্ট নচলে, তাৰ কিবা ব্যৱস্থা কৰিবনেকি ?

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : বিভাগত গাড়ী একেবাৰে টাকৰ বাবে গাড়ী চলাই থকাৰ ব্যৱস্থা কৰিবপৰা নাই। লামডিঙলৈ গাড়ী আছে, কিন্তু অচল হৈ থাকে, যেনেকৈ নগাওঁত আই, বি, আছে। প্ৰাক্তন মুখ্যমন্ত্ৰীয়ে এই কথাটো দেখিছে যে ১ নং ভি আই পি ৰুমটো ৩ নং ভি আই পি হৈ আছে, কাৰণ সোধাত কলে সকলোৱে আমাক ধমকি দিয়ে ১ নং ৰুমটো কিয় কেৱল ভি আই পিকহে দিয়া হয়। গতিকে কথাবোৰ এনেকুৱাই। মাননীয় সদস্য পাটোৱাৰীয়ে কৰা প্ৰশ্নৰ উত্তৰত কওঁ যে আন্দোলনৰ সময়ত বহুতো জ্বলিল আৰু দলং নষ্ট হ'ল। সেইবোৰ মেৰামতি কৰিবলৈ আগতেই প্ৰস্তাৱ, কৰা হৈছে। মই কেৱল গ্ৰাণ্টহে দিছো।

* Speech not corrected.

*শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, ট্ৰেন্সপৰ্ট বা মিনিবাছৰ গতি নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা কেতিয়া হব ? কিছুমান বাছ ৰাতিপুৱাৰ পৰা ষ্টাৰ্ট দি ৰাতি ৯ বজালৈকে চলিয়ে থাকে। গতিকে বাছ সমূহত কেতিয়াবা যাত্ৰীক মিনিবাছত আৰ্মীয়ে বেয়া ব্যৱহাৰো কৰিছে। সেইবোৰ মানব অধিকাৰৰ অধীনত বিচাৰ কৰা হবনে ?

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইবিলাক পিছত চোৱা হব।

## VOTING ON SUPPLEMENTARY DEMANDS FOR GRANTS FOR 1991-92.

Mr. Speaker : Now, Chief Minister to move Grant No. 1:

Shri Hiteswar Saikia (Chief Minister) : Sir, on the recommendation of the Governor of Assam I, beg to move that an additional amount of Rs. 25,00,000 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending, the 31st March, 1992 in connection with the administration of State Legislature, other Relief Programmes etc.

Mr. Speaker : There is no cut motion and so I put the motion before the House, that an additional amount of Rs. 25,00,000 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1992 in connection with the administration of State Legislature, other Relief Programmes etc.

The Motion is passed.

Now, Grant No. 2.

---

* Speech not corrected.

*Shri Hiteswar Saikia (Chief Minister) : On the recommendation of the Governor of Assam, I beg Sir, to move that an additional amount of Rs. 20,00,000 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending 31st March, 1992 in connection with the administration of the Council of Ministers.

Mr. Speaker : There are 3 cut motions on this grant stand in the names of Shri Zoii Nath Sarmah. Dewan Joynal Abedin, Shri Nazmul Haque and Shri Mission Ranjan Das. I call upon the movers to move the cut motions one by one.

(Cut motion on Grant No 2 : moved by Shri Zoii Nath Sarmah).

*Shri Zoii Nath Sarmah : Sir, I beg to move that the total provision of Rs. 20,00,000 under the Supplementary Demand for Grant No. 2 in respect of Council of Minister at page 2 of the list of Supplementary Demand to be reduced by Rs. 100·00 i. e. the amount of the whole Supplementary demand of Rs. 20,00,000 do stand reduced by Rs. 100·00.

Order Order.

Mr. Speaker : It is now 11-30 a. m. and so I guillotine all the remaining Cut Motions. I put the remaining Supplementary Demands for Grants Nos. 2. 3, 4, 5, 6, 8, 9, 10, 11, 12, 14, 15, 16, 17. 19, 21, 25, 26 27, 29. 31. 34, 35, 36, 37. 38, 39, 43, 45, 46, 47, 48, 49, 51. 52, 53, 55, 56, 59, 60, 61, 62, 64, 65, 66, 67, for approval of the House.

---

*Speech not corrected.

Those who are in favour say 'Ayes' Those who ... against say 'Noes'.

Ayes have it, Ayes have it. Ayes have it.

The Supplementary Demands for Grants Nos. 2, 3, 4, 5, 6, 8, 9, 10, 11, 12, 14, 15, 16, 17, 19, 21, 25, 26, 27, 29, 31, 34, 35 36, 37, 38, 39, 43, 45, 46, 47, 48, 49, 51, 52, 53, 55, 56, 59, 60, 61 62, 64, 65, 66, 67 are passed.

Now, Item No. 4. The House will sit for some overtime to have a discussion on 'The Assam Appropriation (No. 1) Bill, 1992 Nos. 4(a), 4(b), 4(C), 4(d). Now, Item No. 4(a). I hope the Bill has been circulated to the Hon'ble Members. Hon'ble Chief Minister will move.

*শ্ৰীজয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, ১১-৩০ বজাৰ পিছত সময় বৃদ্ধি নোহোৱাকৈ ডিমাণ্ড পাছ কৰিছে । এইটো আনঅথৰাইজ হব ।

*Shri Holi Ram Terang : Sir, on a point of order.

( Noise )

*শ্ৰীজয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, এজেণ্ডাত ভুলকৈ লিখিছে ।

Mr. Speaker : Please do not threaten me of going to the court. You should know that under Rule 302 Speaker's decision is final .... Chief Minister, please.

## INTRODUCTION CONSIDERATION & PASSING OF THE ASSAM APPROPRIATION (NO. 1) BILL, 1992.

*Shri Hiteswar Saikia (Chief Minister) : Sir, I beg leave to introduce 'The Assam Appropriation (No. 1) Bill, 1992'.

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce 'The Assam Appropriation (No. 1) Bill. 1992' ?

---

*Speech not corrected.

(Voices – Yes, Yes.)

The leave is granted.

Now, there is a message from the Governor of Assam which reads as follows :

"RAJ BHAVAN, Guwahati,

Under the provision of Article 207(1) of the Constitution of India, I, Loknath Misra, Governor of Assam, recommended the introduction in the Assam Legislative Assembly of 'The Assam Appropriation (No. 1) Bill, 1992'.

S/d

(Loknath Misra),
Governor of Assam."

*Shri Hiteswar Saikia (Chief Minister) : Sir, I beg to leave to introduce 'The Assam Appropriation (No. 1) Bill, 1992'.

Mr. Speaker : Item No. 4(b). There is a message from the Governor of Assam which reads as follows :

"RAJ BHAVAN,
Guwahati.

Under the provision of Article 207(3) of the Constitution of India, I, Loknath Misra, Governor of Assam recommend that the Assam Appropriation (No. 1) Bill, 1991 be taken into consideration by 'The Assam Legislative Assembly'.

S/d

(Loknath Misra),
Governor of Assam."

Hon'ble Chief Minister to move.

---

*Speech not corrected.

*Shri Hiteswar Saikia (Chief Minister) : Sir, I beg to move that 'The Assam Appropriation (No. 1) Bill, 1992' be taken into consideration.

★শ্ৰীজয় নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মই তিনিটা বিষয়ে ক'ব বিচাৰিছো। তাৰে এটা প্ৰশ্নৰ উত্তৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নিদিলে। দ্বিতীয়তে জৱাহৰ নগৰ অতিথিশালাৰ কাৰণে ৩৪ লাখ টকা খৰচ কৰিছিল। এই টকা ক'ত খৰচ কৰা হ'ল। তৃতীয়তে, আমাৰ এটা গ্ৰাণ্ট আছে। গ্ৰাণ্ট নং ১১। মাননীয় অধ্যক্ষ মহোদয়, এপ্ৰভেল পালে আমি গোটেই কথাখিনি ক'ব পাৰিম।

★Shri Golok Rajbanshi (Minister, Parliamentary affairs) : These Bills which have already been passed, cannot be brought for discussion again.

*শ্ৰীজয় নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, এখন বিলৰ সংক্ৰান্তত কওঁ, সৈনিকসকলৰ কাৰণে টেলিফোন আৰু বিজুলীবাতিৰ কাৰণে ১ কোটি টকা ধাৰ্য্য কৰা হৈছে। টেলিফোন আৰু বিজুলীবাতিৰ নামত কিয় ১ কোটি টকা বিচৰা হৈছে ? তাৰোপৰি ভাইচ চেয়াৰমেন দুজনৰ কাৰণে ৩৫ লাখ টকা বিচাৰিছে। কিয় বিচাৰিছে নাজানো।

*শ্ৰীচৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) : কিয় ভাইচ চেয়াৰমেন বিচৰা হৈছে ?

*শ্ৰীজয় নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, কিয় বিচৰা হৈছে সেইটো মই নাজানো। তেখেতসকলৰ দা-দৰ্মহাৰ কাৰণে অতিৰিক্ত ৩৪ লাখ ২৩ হাজাৰ টকা আৱশ্যক হৈছে। ৰাজ্যখনৰ অৰ্থনৈতিক অনাটনৰ সময়ত ভাইচ চেয়াৰমেন দুজনৰ কাৰণে ৩৪ লাখ টকা ৩১ মাৰ্চৰ ভিতৰত দিব বিচাৰিছে। আইটেম নং ১১ত সচিবালয় আৰু সংশ্লিষ্ট চেয়াৰমেনলৈ লিখিছে, তেখেতসকলে জানে। বিজুলী আৰু টেলিফোনৰ নামত ১ কোটিৰো অধিক টকা সৈনিকসকলৰ কাৰণে কিয় খৰচ কৰিবলগীয়া হৈছে।

★শ্ৰীচন্দন সৰকাৰ : যোৱা ৫ বছৰে আপোনালোকৰ কৰ্মী সকলেও ৰঙা লাইট জ্বলাইছিল। (সদনত এটা হুলস্থূল পৰিবেশ বিৰাজ কৰে)

*শ্ৰীআলাউদ্দিন সৰকাৰ : চাইৰেণ কোনে কোনে বজাব পাৰে সেইটো জনাব লাগে।

*Speech not corrected.

*শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, এইবিলাক ইঁহা কথা নহয়, কিয়নো ৰঙা লাইট জ্বলাই অহা গাড়ী আহিলে আমি সাধাৰণতে ৰাস্তা এৰি দিওঁ, কিয়নো এই ৰঙা লাইটটো ট্ৰেফিক চিগ্‌নেলহে। এতিয়া আচল কথালৈ আহোঁ। আপোনালোকে ভাইচ চেয়াৰমেনৰ কাৰণে ইমান টকা বিচাৰিছে, জি, এ, দিৰ পৰা নটিফিকেশ্যন লৈ এই ভাইচ চেয়াৰমেন দুজনৰ কাৰণে গাড়ী কিনিবলৈ পইচা বিচাৰিছে, অথচ আজি ষাইজৰ উন্নয়নৰ কাৰণে খৰচ নকৰি ভাইচ চেয়াৰমেনৰ কাৰণে গাড়ী কিনিবলৈ ধুমধাম লগাইছে। ১১৪ কোটি টকা বিচাৰিছে। আন এটা দিশ চাওক, আজি ষ্টেটফেডৰ কাৰণে ২ কোটি ৫০ লাখ টকা বিচাৰিছে, এতিয়া ষ্টেটফেডৰ জৰিয়তে সকলো বিভাগৰ যেনে—গড়কাপ্তানী, ডি, আৰ, ডি, এ. ইৰিগেশ্যন ইত্যাদি বিভাগৰ চিমেণ্ট, লোহা, বালি ইত্যাদিৰ কাৰণে চেণ্ট্ৰেলে ষ্টেটফেডক দায়িত্ব দিব বিচাৰিছে। মই এই সম্পৰ্কত এজন লোকক সুধিছিলো, তেওঁ ক'লে—আগতে প্ৰতিজন মন্ত্ৰীৰ ওচৰলৈ সুকীয়া সুকীয়াকৈ যাবলগীয়া হৈছিল এতিয়া এজন মন্ত্ৰীৰ ওচৰলৈ গ'লেই হ'ল। তাৰ পাছত এইটো অত্যন্ত পৰিতাপৰ কথা যে আজি মুখ্যমন্ত্ৰী মহোদয়ে গুৰুত্বপূৰ্ণ কথা কৈছে যে ট্ৰেন্সপোৰ্ট কৰ্পোৰেশ্যনটো ভাল কৰাৰ কোনো উপায় নাই, তেখেতে পুতৌ লগাকৈ কৈছে। কিন্তু আমি জানো ব্যৱস্থা আছে কিয়নো এই নিগমত আজি অনাৱশ্যক কামত যথেষ্ট টকা খৰচ হৈ থাকে, আপোনালোকে ভালদৰে পৰ্য্যবেক্ষণ কৰক এই নিগমত কোন কোন চেক্টৰত অনাৱশ্যক খৰচ হৈ আছে সেইটো উলিয়াই সেইবিলাক চেক্টৰত খৰচ কমাই দিলে নিগমটো প্ৰফিট কনচাৰনিং কৰিব নোৱাৰি অন্ততঃ ন' প্ৰফিট ন' লষ্ট কনচাৰ্ন কৰি তুলিব পৰা হয় মই ভাবো এই সংক্ৰান্তত সদনৰ ফালৰ পৰা এটি কমিটী গঠন কৰি দিলে এই কমিটীয়ে গোটেই কথাবিলাক পৰীক্ষা নিৰীক্ষা কৰি ক'ত ক'ত লোকচান হৈছে বা লোকচান হোৱাৰ সম্ভাৱনা আছে সেইবিলাক ক্ৰমান্বয়ে বন্ধ কৰি দিলে আমি বহুখিনি লাভৰ ফালে আহিব পাৰিম। কাৰণ আমি গম পাইছো বহু ক্ষেত্ৰত নতুন নতুন টায়াৰ কিনি সেইবিলাক বিক্ৰী কৰি দি পুৰণা টায়াৰ লগাইছে আৰু এনেকুৱা ব্যৱস্থাৰ কথাও শুনিছো সেইটো হ'ব ট্ৰেন্সপোৰ্ট বিভাগৰ ফালৰ পৰা টিকট দিয়াৰ উপৰিও বাহিৰাকৈ টিকট বিক্ৰী কৰাৰ ব্যৱস্থা চলি আছে। এইবিলাক

*Speech not corrected.

জাল টিকট। যদি এই সুৰুঙাবিলাক বন্ধ কৰিব পৰা হয় আৰু নিগমৰ যিবিলাক মিচমেনেজমেণ্ট চলি আছে সেইবিলাক চেক কৰিব পাৰিলে আমি বহুখিনি লাভৰ ফালে আহিব পাৰিম। তাৰ পাছত চাওক, আপোনালোকে বিধায়ক হিচাবে ২৫০০ টকাকৈ পায়েই তাৰোপৰি ভাইচচেয়াৰমেন হিচাবে গাড়ী পায় লগত চৰকাৰী ড্ৰাইভাৰ আৰু ফ্ৰি পেট্ৰোল আৰু এডিশ্যনেল দৰ্মহা, সেইদৰে মন্ত্ৰী সকলে চৰকাৰী গাড়ী, এমাহৰ তেল আৰু চৰকাৰী ড্ৰাইভাৰ, তথাপিতো মন্ত্ৰী সকলে যেতিয়া নিজৰ সমষ্টিলৈ যায় তেতিয়া কিয় টি, এ বিল লয়? অন্ততঃ টি, এ বিল নললেও তেওঁলোক চলিব পাৰিব। আপোনালোকে এবাৰ ভাবি চাওক এইটো জানো ন্যায় সংগত হৈছে। আমি প্ৰায়েই দেখো মন্ত্ৰী নকুল দাস আৰু আনোৱাৰা বাইদেৱেও প্ৰায়েই নিজৰ সমষ্টিলৈ গৈ থাকে, তেওঁলোকে নিজৰ সমষ্টিলৈ যাওতে টি, এ বিল নোলোৱাকৈ যাব নোৱাৰে নেকি?

*শ্ৰীনকুল দাস (মন্ত্ৰী) : পাৰচ'নেল এচপাৰচ্যন যেতিয়া হৈছে তেতিয়া মই কও যে মই কেবল মোৰ সমষ্টিলৈ গৈছো এনে নহয় মঙ্গলদৈ মহকুমাটোলৈ গৈছো।

*শ্ৰীজয়নাথ শৰ্মা : আপোনালোকে অলপ ত্যাগ কৰক, ইমান লোভ কিয়, অলপ ত্যাগ কৰক, ত্যাগে মানুহক মহান কৰে। আজি এছিয়া ডেভ'লপ্‌মেণ্ট বোৰ্ডক সহায় কৰি দুৰ্বল শ্ৰেণীৰ জনসাধাৰণক সহায় কৰাৰ পৰিবৰ্তে ষ্টেটফেডক ইমান বৃহৎ পৰিমানৰ টকা দিব বিচাৰিছে।

অধ্যক্ষ মহোদয়, ব'ফৰ্চৰ কথাটোকে চাওক। নহলে পাৰ্টিকুলাৰ এটা অৰ্গেনাইজেশ্যনক ২ কোটি টকা দিয়াৰ কোনো প্ৰয়োজন নাছিল। আৰু এটা কথা কবলৈ বিচাৰিছো যে, সেইটো হৈছে ৰেচন কাৰ্ডৰ বাবে ১ কোটি টকা। আমাৰ মাননীয় মন্ত্ৰী ডাঃ অৰ্দ্ধেন্দু কুমাৰ দেৱে ৰেচন কাৰ্ডৰ কথা বহুত কলে। দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত থকা লোকসকলক প্ৰতি কেজি চাউলত ২ টকাৰ নিৰিখত সাহায্যমূলক চাউল যোগান ধৰিবৰ নিমিত্তে পৰিয়াল পৰিচয় পত্ৰ দিয়াৰ বাবে তৎকালীন ভাবে ১ কোটি টকা প্ৰয়োজন হৈছে।

★Speech not corrected.

*Dr. Ardhendu Kumar Dey (Minister. F&C.S) : This is a printing mistake. It should be issue of rice at subsidised rate and green card thereof.

★শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, এইটো টেক্‌ফুলি হাউচত নজনোৱাকৈ ৰেচন কাৰ্ড প্ৰিণ্ট কৰিবলৈ লৈছে।

অধ্যক্ষ মহোদয়, যদি এইটো ৰেকৰ্ড হয়, আপত্তি নাই। যিটো বাক্য লিখিছে সেইটো চাউল দিয়াৰ কাৰণে নহয়। এতিয়া শুদ্ধ কৰি দিয়াৰ কাৰণে বেয়া পোৱা নাই। যদি ৰেচন কাৰ্ডৰ কাৰণে ১ কোটি টকা দিয়া হয় তেনেহ'লে এইটো সাংঘাটিক কথা হব। আৰু এটা কথা যে, জৱাহৰ নগৰৰ অতিথিশালাৰ কাৰণে ৩৪ লাখ টকাৰ ভিতৰত এটা কথাৰ মন্ত্ৰী মহোদয়ে স্পষ্টীকৰণ দিব লাগে যে,........এজন অফিচাৰক মই লগ পাইছিলো পাবলিচিটি বিভাগৰ। তেখেতে এটা সাংঘাটিক কথা ক'লে যে, মন্ত্ৰী মহোদয়ৰ দিল্লীত থকা ঘৰ এটাৰ কাৰণে এই ১ কোটি টকাৰ ভিতৰত অলপ টকা খৰচ কৰিছে আৰু এইটো এৰাউন্দ ৩ লাখ টকা হব। যদি এইটোৱেই হয় তেনেহলে সদনত কথাটো কব লাগে। বেলেগ ঘৰ এটাৰ কাৰণে ৩৪ লাখ টকাৰ ভিতৰত কিয় ৩ লাখ টকা খৰচ কৰিব। দিল্লীত আমাৰ অসম ভৱন দুটা কৰি থকাৰ পিছতো আকৌ ব্যক্তিগত মন্ত্ৰীৰ কাৰণে বেলেগ এটা ঘৰ মেৰামতি কৰা বা অন্য কিবা কৰাত ৩ লাখ, ১ লাখ বা এক পইচাও খৰচ কৰাতো শুদ্ধ কথা নহয়। এইটো এটা এলিগেশ্যন। অধ্যক্ষ মহোদয় আইন শৃংখলাৰ ক্ষেত্ৰত মই এটা কথা কব বিচাৰিছো যে, কিমান গাড়ী ৰিকুইজিশ্যন কৰি সৈনিকক দিয়া হৈছে আৰু তাৰ বাবে দি, চি ক'টে তেলৰ শ্লিপ্ দিছে। পুলিচে ৰিকুইজিশ্যন কৰে, ডিষ্ট্ৰিক্ট অথৰিটিয়ে ৰিকুইজিশ্যন কৰে, কিন্তু খৰচ আমি দিব লাগে। গতিকে এই পদ্ধতিতো অলপ চেকআপ কৰিব লাগে। নহ'লে আলফাৰ নামত সৈনিক আনি সৈনিকক গাড়ী দি পেট্ৰলৰ নামত কোটি কোটি টকা অপব্যয় হৈছে। সৈনিকক পোহপাল দিয়াৰ নামত আজি কিমান টকা খৰচ কৰা হৈছে ? ১ কোটি টকা বিজুলীবাতি আৰু টেলিফোনৰ নামত বিচাৰিছে। গতিকে ইয়াৰ উত্তৰটো দিলে ভাল হয়। অধ্যক্ষ মহোদয় মই পোনপটীয়াকৈ

★Speech not corrected.

এটা কথাই কব বিচাৰিছো যে, চৰকাৰী ধনৰ অপব্যয় ৰোধ কৰাৰ কাৰণে এটা কটকটীয়া ব্যৱস্থা হাতত লোৱাতো উচিত হব। তাৰে ভিতৰত মোৰ পৰামৰ্শ হৈছে যে, লুব্জিং কনচাৰ্ণৰ যিবিলাক নন অফিচিয়েল চেয়াৰমেন, ডাইৰেক্টৰ আছে তেওঁলোকক ৰ মেনেজমেণ্টৰ বাবে পাৰ্টিৰ নামত পুনৰ সংস্থাপন কৰিলে ভুল কৰা হব। আপোনালোকে পলিটিকেল ৰিহেবিলিটেচন এই নিগমবিলাক বন্ধ কৰিব লাগে। ষ্টেটফেড, ওৱেৰ হাউচিং কৰ্পোৰেচন আদি আমাৰ ৰাজ্যত থকা নিকাইবোৰৰ প্ৰতি যাতে অন্যায় নকৰে তাৰ বাবে অনুৰোধ কৰিলো। তাৰোপৰি যদি চেয়াৰমেন আৰু ভাইচ চেয়াৰমেনৰ টি.এ বিল ৰোধ কৰা নহয় তেনেহলে আমাৰ যিমান লোকচান হৈ আছে তাতোকৈ অধিক লোকচান হব। আৰু অতিথিশালাৰ নামত ৩৪ লাখ টকা খৰচ কৰি দেশখনৰ এজন মানুহৰ সুখৰ কাৰণে সমগ্ৰ ৰাজ্যখনৰ ৰাজহুৱা ধন অপব্যয় নকৰাৰ বাবে চৰকাৰৰ প্ৰতি এটা পৰামৰ্শ আগবঢ়ালো। শেহতীয়াভাৱে এটা কথা কব বিচাৰিছো যে 'সান্ধ্য বাতৰি' কাকতত পঞ্চায়ত বিভাগৰ এটা সাংঘাটিক কৰাপচনৰ কথা ওলাইছে যে, এটা আলপিনৰ দাম ৩ টকা। এইটো কেনেকৈ হ'ল ? এটা আলপিনৰ দাম কেনেকৈ ৩ টকা হ'ল তাৰ স্পষ্টীকৰণ দিব লাগে।

*শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) : এইটো ১৯৯০ চনৰে কথা।

*শ্ৰীজয় নাথ শৰ্মা : পইচাটো ১৯৯০ বা ১৯৯১ চনৰে হওঁক, আগৰ চৰকাৰ বা এই চৰকাৰৰ দিনৰে হওঁক, এই কৰাপচন সম্পৰ্কত এখন চিঠি মুখ্যমন্ত্ৰীলৈ দিছিলো। কিন্তু চিঠিখন মুখ্যমন্ত্ৰীয়ে নাপাওঁতেই যাৰ এগেইনষ্টে চিঠিখন লিখা হৈছিল তেওঁ পালে। মই তেওঁক সোধাত তেওঁ ক'লে যে তেওঁ চি, এচ চেক্ৰেটেৰিয়েটৰ পৰা আনিছে। চি এচৰ এগেইনষ্টেও বহু কথা ওলাইছে। প্ৰেচিডেণ্ট ৰুলৰ সময়ত বিশেষ এজন অফিচাৰে বে-আইনীভাৱে ৩ কোটি টকা খৰচ কৰিছে। এটা আলপিন ৩ টকা কৰি কিনিছে আৰু ৰিফিল কিনোতে প্ৰায় ৪ নে ৭ লাখ টকা খৰচ কৰিছে। This may be an allegation. প্ৰেচিডেণ্ট ৰুলতেই হওঁক বা এ, জি, পি, চৰকাৰৰ দিনতে হওঁক বা ১৯৮৩ চনৰ চৰকাৰৰ দিনতেই হওঁক কিবা যদি দুৰ্নীতিৰ কথা থাকে তেনেহ'লে সেইবিলাক চাব লাগে। আজি দুৰ্নীতিগ্ৰস্থ

*Speech not corrected.

এজন বিশেষ বিষয়াক কিয় ৰক্ষণা-বেক্ষণ দিবলৈ গৈছে আৰু ইয়াৰ উদ্দেশ্য কি ?

*শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) : ৰক্ষণা-বেক্ষণৰ বিষয়ে প্ৰশ্ন উঠা নাই।

*শ্ৰীজয় নাথ শৰ্মা : তদন্ত দিছে, কিন্তু কোনো একচন হোৱা নাই। আন-হাতে তেওঁ মাৰুতি গাড়ীহে কিনিছে। এইজন উপ-সচিবৰ লগত চি, এমৰ নাম জড়িত আছে, চি এচ আৰু পঞ্চায়ত মন্ত্ৰীৰ নামো জড়িত আছে। কিন্তু এতিয়ালৈকে একো একচন লোৱা হোৱা নাই। বৰঞ্চ উপ-সচিবৰ গলত গামোছাহে দিছে। তেওঁ নতুন মাৰুতি গাড়ী লৈছে। দূৰ্নীতি যদি আপোনালোকৰ দিনত কৰাই নাই, তেনেহ'লে একচন লোৱাৰ কথা নাই।

(মাইকটো কিয় বন্ধ হৈ গৈছে ?)

*শ্ৰীযতীন মালী : অধ্যক্ষ মহোদয়, যোৱা কালিও বিৰোধী দলৰ লবিত বহি থাকোতে মাইক বন্ধ কৰি দিছে।

মাননীয় অধ্যক্ষ : আপোনাৰ মাইকটো ভাঙি থৈছে, বাকী সকলোৰে ভালে আছে।

*শ্ৰীজয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, দূৰ্নীতি যিয়েই নকৰক—মই কৰিলেও, মুখ্যমন্ত্ৰীয়ে কৰিলেও বা আনে কৰিলেও ইয়াক কেতিয়াও ঢাকি ৰাখিব নেলাগে। দূৰ্নীতিক প্ৰশ্ৰয় দিলে ই বৃদ্ধি পাব—তলৰ বিষয়া, কৰ্মচাৰীসকলে দূৰ্নীতি কৰাত উৎসাহ পাব।

★শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী, পঞ্চায়ত) : মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো এনকুৱাৰী কৰিবলৈ দিয়া হৈছে, ঢাকি ৰখাৰ প্ৰশ্ন উঠা নাই।

★ শ্ৰীজয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, আপুনি নিজে জানে যে বিভাগীয় মন্ত্ৰীয়ে এই বিষয়ৰ ফাইল বিচাৰি কলিকতাৰ পৰা আপোনালৈ টেলি-ফোন কৰিছিল। এই মন্ত্ৰীয়ে ৰদৰ ফাইল এটা তিনিমাহমান তেখেতৰ টেবুলত পেলাই থৈছিল, অৱশ্যে ৩ মাহো হ'ব পাৰে, কমো হব পাৰে। কিন্তু ফাইলটো তেখেতে অহাৰ পিছতেই চহী কৰি পঠাই দিব পাৰিলেহেঁতেন। কিন্তু তেখেতে ফাইলটো চহী নকৰি ৰাখি থলে। ইয়াৰ প্ৰমাণ মোৰ হাতত আছে, প্ৰয়োজন হ'লে হাউচত দাখিল কৰিম।

*Speech not corrected.

*Shri Afzalur Rahman ( Minister ) : If he likes to quarrel, I would quarrel.

*শ্ৰীজয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মোৰ হাতত ডকুমেণ্ট আছে কাৰণেহে কৈছো । চৰকাৰে দুৰ্নীতিক প্ৰশ্ৰয় দিছে । মই আশা ৰাখিছো যে চৰকাৰে দুৰ্নীতি বন্ধ কৰাৰ কাৰণে ব্যৱস্থা ল'ব ।

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰীৰ টেবুলত চহীৰ কাৰণে ফাইল দুই চাৰিদিন থাকিবই, তাক দুৰ্নীতি বুলি নকয় । আগৰ মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তৰ টেবুলত ৫০০ ফাইল পৰি আছিল । তেখেতে এইবোৰ ফাইল দুৰ্নীতিৰ কাৰণে ৰাখি থৈছিলনেকি ?

*শ্ৰীজয় নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, যিলোকে দুৰ্নীতি কৰি আছে তেওঁলোকে দুৰ্নীতি বন্ধ কৰিব নোৱাৰে । এই চৰকাৰৰ লোকসকল দুৰ্নীতি কৰা লোক । মুখ্যমন্ত্ৰীজন বছৰৰ শ্ৰেষ্ঠ মানুহ নহয় । বছৰৰ শ্ৰেষ্ঠ দুৰ্নীতিৰহে মানুহ ।

(গণ্ডগোল)

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, দুৰ্নীতিৰ কাৰণে ব্যৱস্থা লোৱা হ'ব । কিন্তু তেখেতে 'হিউমেন ৰাইট'ত ধৰি কথা নকৰ ।

Mr. Speaker : Shri Holiram Terang.

(Shri Holiram Terang could start his speech as the issue of Friday Prayer has raised by some Members.)

Opposition Bench requested for afternoon sitting.

মাননীয় অধ্যক্ষ : শ্ৰীটেৰাং, আপুনি ২ মিনিট সময় কওঁক ।

*শ্ৰীহলিৰাম টেৰাং : অধ্যক্ষ মহোদয়, ২ মিনিটত নহব । মোৰ কেইবাটাও পইণ্টৰ ওপৰত ক'বলগা আছে । টেঙ্ক বাই টেঙ্ক, ক্লজ বাই ক্লজ আলোচনা কৰিব লাগিব । গতিকে কিছু সময় লাগিব ।

---

Speech not corrected.

*শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, হাউচ চেকেণ্ড হাফ বহুৱাই দিয়ক । কেইবাজনো সদস্যই কবলগীয়া আছে ।

মাননীয় অধ্যক্ষ : নামাজ কেইবজাৰপৰা হব ?

(কেইবাজনো সদস্যই ১২ বজাৰপৰা হব বুলি কয়।)

মাননীয় অধ্যক্ষ : সংসদী পৰিক্ৰমা মন্ত্ৰীয়ে এই বিষয়ে কি কয় ?

*শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী, সংসদী পৰিক্ৰমা) : অধ্যক্ষ মহোদয়, এইটো ৰমজান মাহ, ৰোজা আছে, গতিকে হাউচ কন্টিনিউ কৰিব নোৱাৰি। ২ বজাত আমি আধাঘণ্টাৰ কাৰণে পুনৰ বহিব পাৰো ।

*শ্ৰীজয় নাথ শৰ্মা : অধ্যক্ষ মহোদয়, আধাঘণ্টাৰ কাৰণে বহিলে নহব আৰু সময় লাগিব ।

Mr. Speaker : The House now stands adjourned till 2 P. M. to-day.

(The House re-assembled at 2.00 p. m. with Mr. Speaker in the Chair.)

মাননীয় অধ্যক্ষ : আজি ১১-৩০ ৰ পিছত বিধান সভা বৰ্ধিতকৰণ কৰাৰ বাবে আমাৰ মাইনৰিটিৰ এম, এল, এ সকলে মোৰ ওচৰত আপত্তি দৰ্শাইছে। যিহেতুকে তেওঁলোকৰ ৰমজান মাহ তেওঁলোকৰ নামাজ পঢ়াত অসুবিধা হয় । সেয়ে তেওঁলোকক মই কথা দিছো যে পিচবেলা মাত্ৰ আধাঘণ্টাৰ বাবেহে বিধান সভাৰ বৈঠক বহা হব । আধা ঘণ্টাৰ এক মিনিট বেছি হব নোৱাৰিব । ২০ মিনিট বিতৰ্ক আৰু ১০ মিনিট মুখ্যমন্ত্ৰীৰ উত্তৰৰ বাবে দিয়া হৈছে । এতিয়া হলিৰাম টেৰাংয়ে কব ।

*শ্ৰীহলিৰাম টেৰাং : মাননীয় অধ্যক্ষ মহোদয়, ৬ নং গ্ৰাণ্টত লেণ্ড ৰেভিনিউত কৈছে—Out of Rs. 72 lakhs expenditure incurred of Rs. 60 lakhs for strengthening revenue and for upgrading land records. অৰ্থাৎ ৩১ কোটি ৪৩ হাজাৰ টকা ধৰা হৈছে । আপগ্ৰেডিং লেণ্ড ৰেকৰ্ড আৰু লেণ্ড ৰেভিনিউৰ ভিতৰত নিগাজিকৈ যিবিলাক মানুহ আছে তেওঁলোকক মাটি পট্টন

* Speech not corrected.

দিব লাগে। অসমৰ ভূমি জৰীপ সম্পূৰ্ণ হব লাগে। তাৰোপৰি বহুলাখ টকা কম্পিউটাৰ কিনাত ধৰা হৈছে। কিন্তু কেৱল যদি কম্পিউটাৰ কিনাত খৰচ হয় তেন্তে আমাৰ আপত্তি আছে, তাৰ ভৱিয়তে যদি চৰকাৰে ভূমি পট্টন দিব পাৰে তেনেহলে আপত্তি নাই। কিমান জনজাতীয় লোকক ভূমি পট্টন দিয়া হৈছে চৰকাৰে জনাব লাগে। তাৰোপৰি আমাৰ দিচপুৰ এলেকাতেই নিগাজিকৈ থকা জনজাতীয়লোকক ভূমি পট্টন দিয়া হোৱা নাই। এই বিষয়ে আমাক জনাব লাগে।

ষ্টেট লটাৰীৰ ৯ লাখ ২২ হাজাৰ টকা বি,এচ,এফ আৰু চি,আৰ,পি, এফত যিসকল লোকে মৃত্যুবৰণ কৰিছে তেওঁলোকৰ এক্সগ্ৰেচিয়া দিয়াৰ বাবে ধৰা হৈছে। কিন্তু তেওঁলোক চেণ্ট্ৰেল গভৰ্ণমেণ্টৰ চাকৰিয়াল, তেনেস্থলত এই ব্যৱস্থা কিয় কৰা হ'ল ? তথাপি ষ্টেট লটাৰীৰ টকা ভালভাৱে খৰচ হলে আমাৰ আপত্তি কৰিবলগীয়া নাই। কিন্তু যোৱা দুবছৰ কাৰ্বিআংলং আৰু এন চি হিলচত লটাৰীৰ টকা এক পইচাও দিয়া হোৱা নাই।

কাৰ্বি আংলঙৰ শিক্ষা ক্ষেত্ৰত ৪২ লাখ টকা বিচাৰিছে। তাৰে চেলাৰী আৰু ৰেণ্টত গৈছে। এই খিনিতে এটা কথা কওঁ যে, ডিফুত এখন ইউনিভাৰচিটি খুলিবা হৈছিল আৰু তাত পি. জি, কলা আৰম্ভ হোৱাৰ কথা চলি আছিল। কিন্তু সেই বিল্ডিংটো দূৰৰ কথা তাত থকা ষ্টাফখিনিও দেখোন কটন কলেজলৈ গুছি আহিছে। এতিয়া কি কৰিব জানিব বিচাৰিছো।

শ্ৰীভৰত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, ইয়াত অতিথিশালা আৰু চৰকাৰী আৱাস গৃহৰ কাৰণে অতিৰিক্ত পইচা বিচৰা হৈছে। সেয়েহে মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে অতিথিশালাৰ বাবে কিনা লাইট, মমবাতি, দিয়াচলাই আদি বস্তুবোৰ কলৈ যায় ? সাধাৰণতে এইবোৰ বস্তু কিনাৰ বাবে পইচা খৰচ কৰা হয়। কিন্তু অধ্যক্ষ মহোদয়, আপুনি অসমৰ চাৰ্কিট হাউচবোৰলৈ গলে দেখিব যে তাত লাইট আছে কিন্তু লাইটবোৰ নজ্বলে আৰু যদি মমবাতি বিচাৰে তেন্তে কব মমবাতি নাই। তাৰোপৰি গা ধুবলৈ গলে দেখিব তাত মগ মাত্ৰ এটাহে আছে। মাননীয় অধ্যক্ষ মহোদয়, এই এটা মগ আপুনি গা ধুবলৈ নিব নে লেট্ৰিনলৈ নিব ?

(ভইচ : সমানে ব্যৱহাৰ কৰিব পাৰি)

*Speech not corrected.

মাননীয় অধ্যক্ষ মহোদয়, তাত যিজন মানুহ ডিউটিত থাকিব লাগে তেওঁকো বিচাৰি পাবলৈ নাই। অধ্যক্ষ মহোদয় ৰাতি শুবলৈ গলে দেখিব বিছনাখন আছে কিন্তু তাত আঠুৱা আৰু বেডচিট নাই। কিন্তু মন্ত্রীসকল যদি তালৈ যায় তেতিয়াহলে তাৰ অফিচাৰে কষ্ট কৰি হলেও সেইবোৰ মন্ত্রীসকলক যোগান ধৰে। আনহাতে কোনো এম, এল, এ বা অফিচাৰ গলে সেইবোৰ বিচাৰিলেও পাবলৈ নাই। এই সকলোবোৰ বস্তু চাৰ্কিট হাউচৰ বিষয় কৰ্মচাৰীয়ে ঘৰলৈ লৈ যায়। অধ্যক্ষ মহোদয়, আমাৰ লক্ষীমপুৰ চাৰ্কিট হাউচতে এনে ধৰণৰ ঘটনা সদায়ে ঘটি আছে।

মাননীয় অধ্যক্ষ মহোদয়, এপ্ৰপ্ৰিয়েচন বিলত মন্ত্রীৰ গাড়ী কিনাৰ বাবে দুই লাখ টকা বিচৰা হৈছে। মন্ত্রীৰ গাড়ী কিনক। তাত আমাৰ আপত্তি নাই। কিয়নো মই নিজে মন্ত্রী আছিলো আৰু সেয়েহে মই জানো মন্ত্রীক গাড়ী লাগে। কিন্তু গাড়ী কিনাৰ নামত দুই লাখ টকা খৰছ হলেও মেৰামতিৰ নামত বেছি টকা খৰচ হয়। এই গাড়ী কিনাৰ নামত এটা দুষ্ট চক্ৰই ব্যৱসায় চলাই আছে। গাড়ী কিনাৰ নামত যদি দুই লাখ টকা খৰচ হয় তেন্তে দুই/তিনি বছৰতে মেৰামতিৰ নামত খৰচ দেখুওৱা হয় দহ বাৰ লাখ টকা।

মাননীয় অধ্যক্ষ মহোদয়, নিৰ্বাচনৰ ক্ষেত্ৰত দেখা যায় যে দুই লাখ টকা বিচৰা হৈছে। কিন্তু পঞ্চায়ত নিৰ্বাচনৰ সময়ত যিসকলে কাম কৰিছিল সেই সকলৰ পৰা জানিব পাৰিছো যে, তেওঁলোকে এতিয়াও ভ্ৰমণ বানচ পোৱা নাই। আনকি সাধাৰণ নিৰ্বাচনৰ সময়ত কাম কৰা কৰ্মচাৰী সকলেও ভ্ৰমণ বানচৰ টকা পোৱা নাই। গতিকে অধ্যক্ষ মহোদয়, সাধাৰণ নিৰ্বাচনেই হওঁক বা পঞ্চায়ত নিৰ্বাচনেই হওঁক নিৰ্বাচনৰ সময়ত কাম কৰা কৰ্মচাৰীৰ ভ্ৰমণ বানচ যাতে এক/দুই বছৰলৈ পৰি নেথাকে তাৰ বাবে আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

শ্ৰীনিজমুদ্দিন খান: মাননীয় অধ্যক্ষ মহোদয়, ইয়াত ভূমি ৰাজহৰ ক্ষেত্ৰত তথ্যপাতি বিচাৰি উন্নতি কৰাৰ কথা কৈছে। মই ভাবো আমাৰ চৰকাৰে পট্টা দিয়াৰ যি প্ৰতিশ্ৰুতি দিছিল সেইটো ৰক্ষা কৰি সকলোকে পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই তথ্যসমূহ সময়ত দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু যাতে জনসাধাৰণে কষ্টভোগ কৰিব নালাগে তাৰ ব্যৱস্থা খৰতকীয়াভাবে লব লাগে। বিশেষকৈ চাহ বাগানৰ যিবিলাক অনাদায়ী ৰাজহ সেইবিলাক আদায় কৰাৰ কাৰণে ব্যৱস্থা লব লাগে। তেতিয়াহলে তেওঁলোকৰ কষ্ট লাঘৱ হব।

লগতে ৰাজহ বিভাগৰ ৰে'ট বঢ়াই দিয়াটো প্ৰয়োজন। যদি এইটো কৰা নহয় তেতিয়াহলে অৰ্থনৈতিক অৱস্থা দুৰ্বল হৈ যাব।

অধ্যক্ষ মহোদয়, পৰিবহনৰ ক্ষেত্ৰত কব বিচাৰিছো যে, মুখ্যমন্ত্ৰী মহোদয়ে এইটো কথা কৈছে যে পৰিবহন দুৰ্নীতিমুক্ত কৰিব পৰা নাযায় বা উন্নতি কৰিব পৰা নাযায়। এইটো কথাত আমি আচৰিত হৈছো। কিয়নো দুৰ্নীতি দমন কৰিবলৈ হলে কঠোৰ হাতে ব্যৱস্থা লব লাগিব। আচলতে মেনেজমেণ্টৰ অসুবিধাৰ কাৰণে এই অৱস্থা হৈছে। ইয়াৰ কাৰণে ব্যৱস্থা লব লাগে। আকৌ শিক্ষাৰ ক্ষেত্ৰত কিছু কথা কোৱা হৈছে। কিন্তু মই ভাবো এইযে আমাৰ ৰাজ্যিক চৰকাৰৰ কিছুমান এড্ হক স্কুল আছে সেই বিলাকে নিৰ্দিষ্ট সময়মতে টকা নাপায়। প্লান আৰু নন্ প্লান এই দুটা কথা উঠাই দিব লাগে। এই পাৰ্থক্য থকাৰ কাৰণে বহুত অসুবিধা হয়। সেই কাৰণে এক দুই বছৰ কাম কৰাৰ পিছত সকলো শিক্ষকৰে চাকৰি নিয়মীয়া কৰিব লাগে।

মাননীয় অধ্যক্ষ : সময় আৰু নাই। মাত্ৰ দুই মিনিট কব।

শ্ৰীনিজামুদ্দিন খান : এপ্ৰপ্ৰিয়েশ্যন বিলৰ ওপৰত বহুত কথা কবলগীয়া আছিল, কিন্তু সময়ৰ অভাৱৰ কাৰণে অসুবিধা পাইছো।

বিয়াল্লিশ হাজাৰ বিচৰা হৈছে। আমাৰ টকা দিয়াৰ ক্ষেত্ৰত কোনো আপত্তি নাই। কিন্তু যোৱাবেলি বানপানীৰ সময়ত দক্ষিণ শালমাৰাত হাজাৰ হাজাৰ পৰিয়ালৰ ল'ৰাছোৱালীৰ খাদ্যৰ কোনো ব্যৱস্থা নাছিল। বিভাগীয় মন্ত্ৰী ছেত্ৰী ডাঙৰীয়া মোৰ বন্ধু আৰু কিবা এটা কৰিবলৈ কৈছিলো। কিন্তু শেষত নিউট্ৰেশ্বনৰ দিশত একো নহলগৈ। অধ্যক্ষ মহোদয়, বাননিয়ন্ত্ৰণৰ কাৰণে সাত লাখ চৌৱন্ন হাজাৰ চাৰিশ টকা বিচৰা হৈছে কন্‌চলিডেটেড ফাণ্ডৰ কাৰণে। কিন্তু গোৱালপাৰাত বাননিয়ন্ত্ৰণৰ ক্ষেত্ৰত কোনো মেজৰ দীপ ইৰিগেশ্যন আঁচনি নোলোৱা কাৰণে ইৰো'শ্বন বহুত বেছি হৈছে।

( সময়ৰ সংকেত )

শ্ৰীনিজামুদ্দিন খান : দুই মিনিট হলেই হব।

**Mr. Speaker : You know what is the announcement.**

শ্ৰীনিজামুদ্দিন খান : আমাৰ আৰু কবলগীয়া আছিল। এই এপ্ৰপ্ৰিয়েশ্যন

বিলত বিচৰা টকাখিনি যাতে ঠিক মতে খৰচ হয় তালৈ নজৰ দিয়াৰ কাৰণে অনুৰোধ জনাই বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীজীউৰাম বড়ো : মাননীয় অধ্যক্ষ মহোদয়, ইয়াতে শিক্ষা বিভাগত বহুত কাম হোৱা বুলি কৈছে কিন্তু দেখা গৈছে আমাৰ জনজাতি বড়ো সকলৰ কাৰণে একো কাম হোৱা নাই। টি-এচ পিৰ ক্ষেত্ৰত বড়ো মাধ্যমৰ বিদ্যালয় সমূহ চৰকাৰী কৰা হোৱা নাই। মিক্স মেডিয়াম আৰু স্বেচ্ছাই বড়ো মাধ্যম প্ৰবৰ্তন কৰা স্কুলসমূহৰ কাৰণে বিশেষ ব্যৱস্থা লব লাগে যদিও লোৱা হোৱা নাই। বোৰ্ডাৰ এলেকাত যিবিলাক আছে সেইবিলাকো চৰকাৰে লোৱা নাই। কিছুমান টিএচপি বোৰ্ডাৰ এলেকা আছে সেইবিলাক যাতে বঞ্চিত নহয় তাৰ কাৰণে শিক্ষামন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ ৰাখিছো। কিয়নো আমাৰ জনজাতীয় এলেকাবোৰেই পিছপৰা অঞ্চল। সেই কাৰণে জনজাতি এলেকাত এটা কেন্দ্ৰীয় বিশ্ববিদ্যালয় আমি দাবী কৰি আহিছো, কিন্তু এতিয়ালৈকে সেই টোও হৈ উঠা নাই। মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ আগত মুখ্যমন্ত্ৰীয় মুখ্যমন্ত্ৰী হোৱাৰ সময়ত সহযোগী ৰাজ্যিক ভাষা বুলি বড়ো ভাষাক স্বীকৃতি দিয়া হৈছিল। অথচ বড়ো ভাষাক সহযোগী ভাষা হিচাবে লবৰ নিৰ্দ্দেশ এতিয়ালৈকে পোৱা হোৱা নাই। কেৱল বড়োৱে নহয় ৰাভা বা মিচিং সম্বন্ধেও আমি হেয়জ্ঞান কৰা যেন উপলব্ধি কৰিছো। ট্ৰাইবেল চাব প্লানৰ টকা জনজাতিৰ বা হৰেও অজনজাতিৰ কাৰণেও খৰচ কৰা দেখা গৈছে। অজনজাতি সকলৰ কাৰণে খৰচ কৰাত আমাৰ কোনো ক্ষোভ নাই, কিন্তু ট্ৰাইবেল চাব প্লানৰ টকা জনজাতি সকলৰ কাৰণে খৰচ কৰিলে জনজাতি সকল আৰু বেছি উপকৃত হব পাৰিলেহেঁতেন। এইখিনিকে আগত ৰাখি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

**Mr. Speaker :** Now Hon'ble Chief Minister will reply,

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, খুব চমুকৈ মাননীয় সদস্যসকলে উত্থাপন কৰা বিষয় সমূহৰ ওপৰত ইম্পৰটেণ্ট পইণ্ট কেইটাৰ ওপৰত উত্তৰ দিব বিচাৰিছো। ভুলতে যদি কিবা বিষয় বৈ যায় তেনেহলে মাননীয় সদস্যসকলে সেই বিষয় সমূহৰ উত্তৰ বাজেটৰ সময়ত পাব বুলি মোৰ বিশ্বাস।

মাননীয় সদস্য শ্ৰীজয় নাথ শৰ্মা ডাঙৰীয়াই প্ৰথমেই পৰিকল্পনাৰ ধনৰ ৩৪ লাখ ১০ হাজাৰ টকা কেনেকৈ খৰচ হ'ল তাৰ হিচাব বিচাৰিছিল আৰু তেখেতে টকাতো মোৰ কাৰণেই খৰচ হোৱা বুলি ইঙ্গিত দিছিল।

The State Guest House had to be renovated to accommodate three Advisers to the Governor. For such renovation no financial provision was made under the relevant head of account "2070/—State Guest House etc.

"On the Budget for 1991-92. Notwithstanding, on consideration of priority the works had to be carried out. The details of the works and estimates are given below :

1. Renovation and improvement of State Guest House No. 11 including improvement of approach road from Jawaharnagar. —Rs. 6,90,000.00
2. Security fencing touching the entrance road to S.G.H.I —Rs. 29,443.00
3. For providing iron gate with R. C. C. posts at foothill of S. H. H. I —Rs. 3,02,500.00
4. For providing security fencing. —Rs. 5,9[illegible],600.00
5. For construction of building for security personnel (S. G. H.-I) —Rs. 1 ,28,4.9.00
6. Electric installation, providing Air conditioner etc. for the S.G. H-1I —Rs. 1,99,3 0.00
7. For providing security light at S.G.H.-I —Rs. 1,44,762.00
8. For providing Air Conditioner etc. —Rs. 1,47,304.00
9. For providing C. I. Sheet roof to cover the office varandah of S.G.H 1I—Rs. 1,75,100.00

Rs. 34,09,458.00

Rounded Rs. 34,10,000.00

তেখেতে ভাবিছে যে টকাতো মোৰ কাৰণে খৰচ কৰিছে সেয়ে হিচাবটো দাঙ্গি ধৰিলো ।

অধ্যক্ষ ডাঙৰীয়া তেখেতে ষ্টেট্‌ফেড সম্পৰ্কত কিছুমান চাৰ্জ আনিছে । তেখেতে কৈছে যে ষ্টেট্‌ফেডৰ দ্বাৰা বস্তু বিক্ৰী কৰাত বস্তুৰ মূল্য কম হোৱা নাই । মোৰ বিশ্বাস ষ্টেট্‌ফেডটো যদি বিল্ড আপ কৰা হয় তেনেহলে বজাৰত বস্তুৰ মূল্য কমিব । অন্য এখন মুকলি বজাৰ আছে আৰু এখন মুকলি বজাৰ কৰিব পাৰিলে বস্তুৰ মূল্য নিশ্চয় কমিব । ১৯৮৩ চনত মই মুখ্যমন্ত্ৰী থাকোতেই ষ্টেট্‌ফেড গঠন কৰা হৈছিল । যি সময়ত ষ্টেট্‌ফেড গঠন কৰা হৈছিল সেই সময়ৰ পৰা আজিলৈ বস্তুৰ মূল্যৰ তাৰতম্য দেখিলে বুজিব এই ষ্টেট্‌ফেডে কিমান নিয়ন্ত্ৰণত ৰাখিছে । ১৯৮৩ চনৰ এপ্ৰিল মাহত চাউলৰ মূল্য আছিল ৩.১৫ টকা আৰু ১৯৮৫ চনৰ মাৰ্চ মাহত হৈছে ৩.২১ টকা ২ বছৰত মাত্ৰ ৬ পইচা বাঢ়িছে, ৰাইচ মিডিয়াম এপ্ৰিলত ৩.৪৭ টকা, ৮৫ চনৰ মাৰ্চত ৩.৬৭ টকা অৰ্থাৎ মাত্ৰ ৩০ পইচা বাঢ়িছে । আটা ৮৩ চনৰ এপ্ৰিলত আছিল ২.৮২ টকা আৰু ৮৫ চনৰ এপ্ৰিলত হৈছে ২.৭১ টকা. মচুৰ দাইল ১৯৮৩ চনৰ এপ্ৰিলত ৪.২০ টকা, ১৯৮৫ চনৰ মাৰ্চত ২.৭১ টকা. অৰহৰ দাইল ৮৩ৰ এপ্ৰিলত ৬.২৪ টকা আৰু ১৯৮৫ চনত ৬.৫৮ টকা. গ্ৰামদাইল ৪.২৮ টকা, – ১৯৮৫ চনত ৬.৮৪ টকা; নিমখ ০.৮৪ টকা আৰু ১৯৮৫ চনত ১.২৩ টকা, আলু ১.৯৫ টকা আৰু ১৯৮৫ চনৰ মাৰ্চ মাহত ১.৬৮ টকা, পিয়াজ ১৯৮৩ চনৰ এপ্ৰিল মাহত ২.৫৩ টকা আৰু ১৯৮৫ চনৰ মাৰ্চ মাহত ৩.০২ টকা. চেনী ১৯৮৩ চনৰ এপ্ৰিলত ৫.১৭ টকা আৰু ১৯৮৫ চনৰ মাৰ্চ মাহত ৬.০৪ টকা. বনস্পতি (খোলা) ১৭.২৪ টকা, ১৯.১৪ টকা, মিঠাতেল ১৩.৫১ টকা — ১৪.৮৬ টকা, কেৰাচিন তেল ১৯৮৩ চনৰ এপ্ৰিল মাহত ১.৯৭ টকা ১৯৮৫ চনৰ মাৰ্চ মাহত ২.১৮ টকা । এই বস্তু বিলাকৰ মূল্যলৈ চকু দিলে দেখা যায় যে সেই সময়লৈ বস্তুৰ মূল্য নিয়ন্ত্ৰণত আছিল । সেয়েহে এই ষ্টেট্‌ফেডটোক বিল্ড আপ কৰি বস্তুৰ মূল্য নিয়ন্ত্ৰণত ৰাখিব বিচৰা হৈছে । আমি দায়িত্ব লোৱা সময়ত সুদে মূলে ৰিজাৰ্ভ বেংকক দিবলগীয়া আছিল ৬৪ কোটি ৪০ লাখ টকা । এই ৬৪ কোটি টকা দিব নোৱাৰা পৰ্যন্ত ৰিজাৰ্ভ বেংকে এক পইচাও দিব নোৱাৰো বুলি কৈ দিলে যাৰ ফলত আমি বস্তু ক্ৰয় কৰিব নোৱাৰা হলো । আপোনালোকে শুনি সুখী হব যে আমি এই ৬৪ কোটি টকাৰ এতিয়া মাত্ৰ ৩ কোটি ৩২ লাখ টকা

আৰু দিবলৈ বাকী আছে। এইখিনি টকা দিব পাৰিলে আমি তেতিয়া আৰু নতুন বস্তু কিনিব পাৰিম। ইতিমধ্যে আমি ২ কোটি ৪০ লাখ টকা দিব বিচাৰিছো। এইখিনি আমাৰ কেপিটেল ইনভেষ্টমেণ্ট হব। তেতিয়া আমি ৰিজার্ভ বেংকৰ পৰা টকা আনি বিভিন্ন সামগ্ৰী ক্ৰয় কৰিব পাৰিম। তেখেতে পাকে প্ৰকাৰন্তে কব বিচাৰিছে মই কাৰোবাৰ পৰা টকা লৈছো আৰু সেয়ে বিষয়টো কেন্দ্ৰীভূত কৰিছো। বিভাগীয় মন্ত্ৰীসকলক দায়িত্ব এৰি দিয়া নাই। কথাটো একেবাৰে সঁচা নহয়। আপোনালোকে জানে নিশ্চয়, পশ্চিমবঙ্গত চিভিল চাপ্লাইৰ যি নিগম আছে সেই নিগমে কেন্দ্ৰীয়ভাবে চৰকাৰৰ হকে সকলো বস্তু ক্ৰয় কৰে আৰু তেওঁলোকে মনিটাৰিং কৰে। এই নিয়ন্ত্ৰণ নোহোৱাৰ কাৰণে যোৱা ৫ বছৰত কি হৈছে চাওঁক ৰঙিয়াত জনস্বাস্থ্য কাৰিকৰী বিভাগে টকা মঞ্জুৰী লৈ ১৪ লাখ টকাৰ পাইপ কিনিছে সেইবিলাক এতিয়াও এনেয়ে পৰি আছে। যোৱা ৫ বছৰত যথে মথে টকাৰ অপব্যৱহাৰ কৰা হ'ল। টকা দিছে, হিচাব তিচাব নোহোৱাকৈ বস্তু কিনিছে। আপোনালোকৰ সেইবিলাক কুকৃত্তিৰ কাৰণেই সেইবিলাক আজি ৰেগুলাৰাইজ কৰিবলৈ গৈ চৰকাৰে চাফাৰ কৰিবলগীয়া হৈছে। সেই কাৰণে পশ্চিমবঙ্গ চিভিল চাপ্লাই নিগমক দেখিছো তাত, সকলো বিভাগেই তেওঁলোকৰ ডিমাণ্ড বিলাক তেওঁলোকক প্লেচ কৰিব লাগিব আৰু কেন্দ্ৰীয়ভাবে তেওঁলোকে বস্তু-বিলাক ক্ৰয় কৰিব। গতিকে মন্ত্ৰী সকলক বেলেগে বেলেগে টকা দিয়াৰ কথা নাহে তেওঁলোকক স্বাধীনভাবে বিভাগটো নিয়াৰিকৈ চলাবলৈ দিয়াই হৈছে।

অধ্যক্ষ মহোদয়, তেখেতে ভাইচ চেয়াৰমেনক ৩৫ লাখ টকা দিয়াৰ কথা উনুকিয়াইছে.........

এতিয়া সময় হৈ আহিল। আপোনালোকৰ বাকী কথাবিলাকৰ উত্তৰ মই বাজেটৰ উত্তৰ দিওঁতেও দিব পাৰিম। সেয়ে মোৰ উত্তৰদানৰ ইমানতে সামৰণি মাৰিলো।

Mr. Speaker : Now I put the Motion before the House. The Motion is that "The Assam Appropriation (No.1) Bill, 1992" be taken into consideration.

(Voices—yes, Noes)

(The Motion is passed.)

Now, item No. 4 (c). I put Clauses 2,3 and Schedule to the Bill, before the House.

Clauses 2,3 and Schedule to the Bill do stand part of the Bill.

Clauses 2,3 and Schedule do form part of the Bill,

Now I put Clause 1. Enacting Formula and Short Title of the Bill before the House,

Clause 1, Enacting Formula and Short Title do stand part of the Bill.

Clause 1, Enacting Formula and Short Title do form part of the Bill.

Now, item No. 4(d).

Hon'ble Chief Minister to move.

Shri Hiteswar Saikia, (Chief Minister) : Sir, I beg to move that The Assam Appropriation (No. 1) Bill, 1992 be passed.

Mr. Speaker : The Motion is that—The Assam Appropriation (No. 1) Bill, 1992 be passed.

Those who are in favour say, 'Ayes',

Those who are against say, 'Noes'.

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

The Motion is passed. The Bill is passed.

The House stands adjourned till 9'00 A. M. of 16th March, 1992 Monday.

## Adjournment

The House then rose at 2-30 P.M. and stood adjourned till 9 A. M. on Monday the 16th March, 1992.

Dispur,
The 13th March, 1992.

S. N. Deka,
Secretary,
Assam Legislative Assembly.

GOVERNMENT OF ASSAM
HILL AREAS DEPARTMENT
ORDERS BY THE GOVERNOR
NOTIFICATION.

Dated Dispur, the 9th January, 1992.

No. HAD: 63/ 91/192 : In exercise of pow.rs conferred under paragraph 14 of the Sixth Schedule to the Constitution of India, the Governor of Assam is pleased to appoint a Commission consisting of Shri D. N. Sharma, Retd. L. R. and Secretary, Judicial Department to enquire into various reports of mal-administration and mis-management of financial matters by the authority of Karbi Anglong District Council, Diphu for the period from February, 1 89 till date.

The Commission shall have the following terms of references to enquire into :

(1) The leasing out of forest coups both Government and District Council at the lowest rate rather than at high rates in the District of Karbi Anglong for the period from February, 1939 till date without observing relevant rules.

(a) Leasing out of No. 4 cane-mahal at Manza, under East Forest Division of Karbi Anglong District to Shri Ganesh Sen (Ganesh Industries Ltd.) vide work order No. KAE/B/CANE/88-89/8076-78, Dt. 20-11-89 (D.C's reference No. 81/96 Dt. 7-11-89) at Rs. 40,000/- (Rupees forty thousand) only against the total value of more than Rs. 70,00,000/- (Rupees Seventy Lakhs) only causing serious loss.

(b) Contract of Departmental operation of forest (1989-90) of Karbi Anglong District vide letter No. KAC/F-215/pt-I/189-90/13 , 2825 dt. 18-8-89 and No.KAC/F-215

pt-J/89-90/ 62/ 658 dt. 17-11-89 of total 75 lots in the name of the Secretary of Co-operative Firming Society of Centre Bazar at Rs. 13,30,223.01 (Rupees thirteen lakhs thirty thousand two hundred twenty three & paise one) only as against total value of more than a Crore without inviting any tenders and was illegally settled. (West Forest Division).

(2) Misuse of Educational fund meant for the L. P. School-Books, Uniforms & Furniture, Stores purchased by the District Council at Rs. 23,00,000/—(Rupees twenty three lakhs) only which were supplied by the Secretary of the Firming Co-operative Society vide No. KAC/PB/Uniform/Store /20/88-89/114 dt 30-6-89 for the year 1989-90 were not distributed as per the Scheme. The District Council drew Rs. 33,06,000/ — + Rs. 97,981.00 vide book No. 4891/Cheque No. 244516, dt. 22-6-89 and Rs. 36,900/—vide book No. 4893/Cheque No. 244517 dt. 22-6-89 and Rs. 2,89,610/- vide book No. 4893/ Cheque No 244502 dt. 22 6-89 but these are reported to be not properly utilised. Also to enquire into other related matters.

(3) Illegal settlement of more than 385 bighas of land in Lakhi block to Mrs. Nirala Ingti, wife of Dr. Jayanta Rongpi, Chief Executive Member of the present District Council.

(4) "Banch Call" given by ASDC and boycotting of official celebration of Independence Day on 15th August 1989 and Republic Day celebration on 26th January, 1990 by the District Council Authority and no hoisting the National Flags in District Council premises of Karbi Anglong

District Council by the Council Authority on those days.

(5) Misuse of Government vehicles by the District Council Authority and use of District Council vehicles by the cadres of ASDC for party works and for political purposes.

(6) The various schemes for developmental activities of Karbi Anglong District Council are not implemented properly and funds for various schemes are diverted otherwise without approval of the Government.

(7) Funds meant for salaries of employees of various Departments are diverted for different purposes without the approval of the Government depriving the employees of their due salaries in time as alleged.

(8) Various grants and contracts of the District Council are given to favour few in preference to others in violation of the rules.

(9) Appointment of Sri Aditya Prakash of Uttar pradesh as caretaker of Karbi Bhavan at Delhi vide letter No: KAC/Estt./P/109/90-91/1189, dt. 12-4-90 without observing due formalities.

(10) The forcible collection of fund by the members of District Council Authority (Chief Executive Members, Executive Member, Member of District Council) from the forest contractors/ other contractors at exorbitant rate as alleged by Pradip Rongpi, Rajen Ingti and Mani Goswami etc.

(11) The allegations submitted by the Political Parties/ the Karbi Students Association and other persons.

(12) Any other allegations that may be presented before tha Enquiry Commission at the time of enquiry.

(13) The Commission shall also enquire into any other related issues or analogious matters of mal-administration and financial mis-management and corruption etc. which may come up during the course of enquiry.

(14) Mis-management in the distribution of grants-in-aid to Fishery Co-Operative Societies and other beneficiaries of Sericulture, Handloom and Textiles and other Departments.

The Commission shall have the power to summon any Authority/Officer/Employees of the Government of Assam, the Karbi Anglong District Council and bodies under their control to appear and give evidence both oral and documentary, before it and to call for any records and evidence relating to the enquiry for its inspection from any Authority/Officer/Staff of the Government of Assam and the Karbi Anglong District Council and bodies under their control. The Commission may, at its discertion call for evidence or records from private person/bodies etc.

The Commission shall follow the spirit of the Civil Procedure Code for the purpose of this enquiry. The Karbi Anglong District Council shall render necessary Co-operation as may be required by the Commission in connection with the conduct of this enquiry.

The Commission shall submit it's report alongwith recommendations if any within 2 months from the date of this Notification.

It may also submit interim reports from time to time.

Sd/— P. C. Dutta.
Commissioner & Secretary to the Govt. of Assam,
Hill Areas Department.

Memo No: HAD. 63/ 1/192—A, Dated Dispur, the 9th January, 1992.

Copy to : 1) The Supdt. Assam Govt. Press, Bamunimaidan. Guwahati-21 (Deputy Director, P & S) for immediate publication of the said notification in an extra-ordinary issue of the Assam Gazette and supply to this Department 100 spare copies.

2) The Under Secretary to the Govt. of Assam, P &S Department for issuing necessary instruction to the Supdt, Assam Govt. Press, Guwahati-21 for publication of the said Notification in an extra-ordinary issue urgently.

3) The Secretary to the Governor of Assam, Dispur.
4) The Secretary to the Chief Minister, Assam, Dispur.
5) P. S. to the Minister, Hill Areas Departmen , Dispur.
6) Personnel 'A' Department, Dispur.
7) The Accountant General, Assam, Shillong/Guwahati.
8) P. S. to Chief Secretary, Assam Dispur.
9) The Commissioner of Hills & Barak Valley Division, Basistha Road, Guwahati-6
10) The Development Commissioner for Hill Areas, Assam, Guwahati-6.
11) All Secretaries/Commissioners & Secretaries/Special Secretaries of Administrative Department.
12) All Heads of Departments.
13) The Deputy Commissioner, Karbi Anglong District, Diphu.

14) The Deputy Commissioner, N.C. Hills District, Halflong.

15) The Sub-Divisional Officer, Bokajan, Karbi Anglong District,

16) The Chief Executive Member, Karbi Anglong District Council, Diphu.

17) The Principal Secretary, Karbi Anglong District Council, Diphu.

18) The Treasury Officer, Diphu, Karbi Anglong District.

19) Shri D. N. Sharma, Retd: L: R. and Secretary, Judicial Department, Uzan Bazar, Lamb Road, Guwahati—1 for information and necessary action.

By order etc.
Sd/–
(G. N. Hazarika:)
Deputy Secretary to the Govt: of Assam,
Hill Areas Department:

## ANNEXURE—II

ডাঃ ভূবনেশ্বৰ বৰুৱা কৰ্কট প্ৰতিষ্ঠানে অসম চৰকাৰ আৰু অন্যান্য উৎসৰ পৰা পোৱা ধনৰ পৰিমাণ—

| বছৰ | অসম চৰকাৰ | ভাৰত চৰকাৰ | উত্তৰ-পূব পৰিষদ | আনবিক শক্তিবিভাগ | সঞ্চালক ৰাজ্যিক লটাৰি | ৰোগীৰ পৰা পোৱা আয় | দান |
|---|---|---|---|---|---|---|---|
| ১৯৮৬-৮৭ | ৩০০০০০·০০ | ১৫০০০০০·০০ | × | × | × | ২০৩৯২১·৭০ | ৩০০·০০ |
| ১৯৮৭-৮৮ | ৪৩০০০০০০·০০ | ১২০০০০০·০০ | × | × | ১৯৬১৪৬৩·০০ | ৭৯৮৩৫·০০ | ৩০৩৩২৬·৫৩ |
| ১৯৮৮-৮৯ | × | ১২০০০০০·০০ | × | × | × | ৩৩৯১০৮·৫০ | ৫০৬০০০·০০ |
| ১৯৮৯-৯০ | ৫০০০০০০০·০০ | ১২০০০০০০·০০ | ৬৯৭২০০০·০০ | ২০৬৯১০·০০ (যন্ত্ৰপাতি) | ১৫৮১০০০·০০ | ১০৭২২৮৮·০০ | × |
| ১৯৯০-৯১ | ২২০০০০০০·০০ | × | ৬৫২২০০০·০০ | ৮৮৫৪৭৭১·০০ (যন্ত্ৰপাতি) ২১৪৩০০০·০০ | × | ১১৭৬৮১৫·০০ | ১০,০০০·০০ |
| ১৯৯১-৯২ | × | × | ২৫০০০০০·০০ | × | × | ১০১৩৫৭০·০০ | ২০০০০·০০ |

# ANNEXURE—III

## মাননীয় বিধায়ক শ্ৰীনিজামুদ্দিন খানয়ে সোধা প্ৰশ্নৰ সম্পৰ্কত ১৯৯১-৯২ চনত ফেব্ৰুৱাৰী মাহলৈ ডি আৰ ডি এৰ অংশৰ পৰা তলত দিয়া আঁচনিসমূহ লোৱা হৈছে—

| মণ্ডিয়া উন্নয়ন খণ্ড | প্ৰাক্কলনত ধাৰ্য্য কৰা ধন |
|---|---|
| ১। মন্দিয়া খণ্ড উন্নয়নৰ কাৰ্য্যালয়ৰ মেৰামতি— | ২২,২০০·০০ টকা |
| গোৱৰ্দ্ধনা উঃ খঃ | |
| ২। বৰবাৰীজাৰৰ বিনোদন কেন্দ্ৰ তথা উদ্ভিদ উদ্যান— | ৫০,০০০·০০ টকা |
| ৰূপসী উঃ খণ্ড | |
| ৩। কলগাছিয়াত মাটি পূৰণ কৰা— | ১০,০০০·০০ টকা |
| ভৱানীপুৰ উঃ খঃ | |
| ৪। ভৱানীপুৰ উঃ খঃৰ সভাকক্ষ মেৰামতি— | ৪৯ ৭০০·০০ টকা |
| ৫। ৰৰবালা বজাৰ উন্নয়ন (মাটি পূৰণ) | ৪৯,০০০·০০ টকা |
| ৬। কয়াকুছি বজাৰ উন্নয়ন ( „ ) | ৪৯,০০০·০০ টকা |
| ৭। ৰৰবালা ডাকুল-উলাম মাদ্ৰাছাৰ মীন পালন পুখুৰীত বেৰ দিয়া ( খণ্ড—১) | ৪৯ ৮৭০·০০ টকা |
| ( খণ্ড—২) | ৪৯৮৭৭·০০ „ |
| ( খণ্ড ৩) | ৪৯.৫২৮·০০ „ |
| ( খণ্ড—৪) | ৪৯,৬০০·০০ „ |
| ৮। দাৰুল উলাম বৰবালা মাদ্ৰাছাত মাটি ভৰোৱা কাম— | ৪৯,৯২২·০০ „ |
| ৯। কাটাজিঝাৰ গাৱঁত ৰাস্তাত ৬ লাইনৰ হিউম পাইপ কালভাৰ্ট দিয়া কামত— | ৮৪,৭[illegible]০·০০ „ |
| সৰ্বমুঠ | ৫,৬৩,৯[illegible]৭·০০ টকা |

## ANNEXURE–IV

OFFICE OF THE SUB-DIVISIONAL OFFICER (CIVIL),
BILASIPARA

No. SDO/BC/3/18 Dt. 28.1.92

To : The Commissioner, Panchayat and Rural Development
Dispur, Guwahati.

Sub : Delimitation.

Ref : D.C, Dhubri W. T. No. DC. 3 /91/124 Dt–27.1.92

Sir,

I have the honour to give below the report of non-implementation of notification dated 2nd Nov/91 as directed by D. C. Dhubri for favour your kind information and necessary action.

1) Firstly, the notification which was issued on 2nd Nov/91 was done politically and no report of SDO was called for before issuing the notification

2) Secondly, the G. P. named as Sankoch is not accepted by the people of the locality as the area is known as Barkanda. No public opinion was collected before forming the Sankoch G. P.

3) Thirdly, the people of Barkanda area do not want to go to Nayaralga A. P. as the Nayaralga is a char and people residing near N. H. way do not want to be tagged with Nayaralga rather they prefer to remain with Mahamaya.

4) Fourthly, the two M. A. L.s of Bilasipara East and West constituency do not prefer forming of Nayaralga A.P.

5) Fifthly, there is delegation to Hon'ble Chief Minister, Assam regarding non-formation of Nayaralga Block and

pressure for formation of Gutipara Block.

6) Sixthly, the notification of formation of Nayaralga A.P. was received on 13.1.92 and with that short period A.P. cannot be constituted with public resenment.

7) Seventhly, as a Sub-Divisional Officer, it is my foremost duty to see the opinion of people. There will be hardly 5% support from Nayaralga A.P. and 95% support for non-formation of Nayaralga A. P.

8) Eightly, if the Nayaralga A. P. is formed there will be law and order problem as the majority of Ruling party is not in favour of Nayaralga A. P. In view of that implementation cannot be entertained.

For the above noted reasons the order cannot entertained. This is for favour of information.

Yours faithfully,
Sd/—
Sub-Divisional Officer (Civil),
Bilasipara.

## ANNEXURE—V

## ANNUAL TRIBAL SUB-PLAN 1991—92.

| Name of Sector/Dev. Deptt. | Flow of plan outlay to TSP. (Rs. in lakhs) |
|---|---|
| 1. Agriculture | 490·00 |
| 2. Soil Conservation | 97·00 |
| 3. A.H. & Vety. | 226·00 |
| 4. Dairy Development | 85·00 |
| 5. Fisheries | 78·00 |
| 6. Rural Development | |
| a) IRDP | 189·00 |
| b) NREP/JRY | 112·00 |
| 7. Forest | |
| a) Forest (G) | 50·00 |
| b) Social Forestry. | 166·00 |
| 8. Panchayat & C. D. | 94·00 |
| 9. Land Reforms. | 54·00 |
| 10. Sericulture. | 123·00 |
| 11. Handloom & Textile. | 132·00 |
| 12. Co-operation | 224·00 |
| 13. Irrigation (Minor) | 1479.00 |
| 14. Rural Electrification | 665·00 |
| 15. Industries. | 59·00 |
| 16. Roads & Bridges | 660·00 |
| 17. EDUCATION | |
| a) Elementary | 842·00 |
| b) Secondary | 201·00 |

| | |
|---|---|
| c) Higher | 14 00 |
| d) Adult | 30·00 |
| c) Technical | 1·C0 |
| 18. Art & Culture | 42·00 |
| 19. Health & F.W | 365:00 |
| 20. Rural Water Supply | 751·00 |
| 21. Housing (Housing Board) | 40 00 |
| 22; Rural House Sites | 66.00 |
| 23. Graftsman Training | 35·00 |
| 24. Backward Classes | 344;00 |
| 25. Social Welfare | 14.00 |
| 26. Nutrition (S.W.) | 235.00 |
| 27. Science & Technology | 7.00 |
| Total – | 7979·00 |

—×—